www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

অসম বার্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যদি আপুনি সূর্যৰ দৰে জিলিকিব বিচাৰে, তেন্তে প্ৰথমে সূর্যৰ দৰে জ্বলিবলৈ শিকক।
- ডঁ এ. পি. জে. আব্দুল কালাম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বার্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ২৫৯ ❐ বুধবাৰ ❐ ২৯ জুলাই, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 259 ❐ Wednesday ❐ 29th July, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

বানপীড়িতৰ বাবে ১২৬জন বিধায়কে দান কৰিলে এমাহৰ দৰমহা

ৰাজ্যৰ দুৰ্যোগত একত্ৰিত শাসক-বিৰোধী

প্ৰশ্নকাকত ফাদিল বিৰোধী সংশোধনী বিধেয়ককে লৈ লোকসভাত তীব্ৰ বিতৰ্ক

দোষীক ১০ বছৰ কাৰাবাস, ১০ কোটি জৰিমনা আৰু সম্পত্তি বাজেয়াপ্তৰ ব্যৱস্থা

নেশ্যনেল ডেস্ক, অসম বার্তা, ২৮ জুলাই ঃ নীট ইউ-জি পৰীক্ষাৰ প্ৰশ্নকাকত ফালিল বিতৰ্ক আৰু তাৰ পাছত দিল্লীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত হোৱা ছাত্ৰ-ছাত্ৰীৰ বিক্ষোভৰ ফলত সংসদৰ বৰ্ষাকালীন অধিবেশনৰ কাম-কাজ যোৱা কেইবাদিনো অচল অৱস্থাত আছিল। দিল্লী আৰক্ষীৰ কঠোৰ ব্যৱহাৰৰ অভিযোগো উঠিছিল বিক্ষোভকাৰীসকলৰ মাজৰ পৰা। ❐ ৬ পৃষ্ঠাত

বিধানসভা সচিবালয়ৰ বিষয়া-কৰ্মচাৰীয়ে দান কৰিলে এদিনৰ দৰমহা

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ অসমৰ বানপীড়িত ৰাইজৰ দুৰ্দশা দেখি ৰাজ্যৰ ৰাজনৈতিক মহলত দেখা গৈছে এক অভূতপূৰ্ব সংহতি। শাসকদল আৰু বিৰোধী দলৰ মাজৰ ভেদাভেদ পাহৰি সকলো বিধায়কে বানপীড়িতসকলৰ বাবে সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিধানসভা অধ্যক্ষ ৰণজিৎ কুমাৰ দাস আৰু উপাধ্যক্ষই বানাক্ৰান্ত ৰাইজৰ সহায়ত অৰ্থনৈতিক ভাগিদাৰী কৰি নিজৰ এমাহৰ দৰমহা সাহায্য পুঁজিলে আগবঢ়োৱাৰ ঘোষণা কৰিছে। একেদৰে বিধানসভা সচিবালয়ৰ সকলো বিষয়া আৰু কৰ্মচাৰীয়েও নিজৰ এদিনৰ দৰমহা এই পুঁজিত যোগান ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। শাসক এন ডি এ ❐ ৬ পৃষ্ঠাত

বান পৰিস্থিতিৰ বাবে আজি সামৰণি পৰিব বাজেট অধিৱেশন

বিধানসভাৰ কার্য উপদেষ্টা সমিতিৰ বৈঠকত দুদিন হ্ৰাসৰ সিদ্ধান্ত

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ ব্ৰয়োদশ দিনা অৰ্থাৎ মঙলবাৰে সদনত সাতখন গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰাৰ লগতে আন কেইবাখনো বিধেয়ক উত্থাপন কৰা হয়। বিধানসভাত এইদিনা বিধায়কসকলে বিভিন্ন বিষয়ত আলোচনা কৰে আৰু শেষত কেইবাখনো ঐতিহাসিক বিধেয়ক সদনৰ সন্মতি লাভ কৰে। মঙলবাৰেৰ গৃহীত হোৱা বিষয়কসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে— 'অসম দোকান আৰু প্ৰতিষ্ঠান (সংশোধন) বিধেয়ক, ২০২৬'। এই বিধেয়কখন সন্দৰ্ভত সদনত প্ৰস্তাৱ আগবঢ়ায় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে। ইয়াৰোপৰি মন্ত্ৰী অজন্তা নেওগৰ হৈ সংসদীয় পৰিক্ৰমা ❐ ৬ পৃষ্ঠাত

বিধানসভাত গৃহীত গুৱাহাটী উপগ্ৰহ চহৰ উন্নয়ন প্ৰাধিকৰণ বিধেয়ক ২০২৬

ভূমি আবণ্টন আৰু নিয়োগৰ সম্ভাবনা ঃ ২১০০ কোটি টকাৰ প্ৰস্তাৱ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ অসম বিধানসভাৰ মঙলবাৰৰ অধিৱেশনত এখন গুৰুত্বপূৰ্ণ বিধেয়ক সফলতাৰে গৃহীত কৰা হয়। 'গুৱাহাটী উপগ্ৰহ চহৰ উন্নয়ন প্ৰাধিকৰণ বিধেয়ক-২০২৬' শীৰ্ষক এই বিধেয়কখন সংসদীয় পৰিক্ৰমা মন্ত্ৰী কৌশিক বায়ে ❐ ৬ পৃষ্ঠাত

২৫ বছৰত সাতগুণ বৃদ্ধি অসমৰ অৰ্থনীতি

দৰমহা-পেঞ্চন ব্যয় চৌধ্যগুণ, ঋণৰ বোজা ১.৬১ লাখ কোটি টকালৈ বৃদ্ধি

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ বিগত ২৫ বছৰত অসমৰ অৰ্থনীতি সাতগুণ বৃদ্ধি পোৱাৰ সমান্তৰালকৈ ৰাজ্য চৰকাৰৰ দৰমহা-পেঞ্চন আদিৰ খৰচ চৌধ্যগুণ আৰু মুঠ ঋণৰ পৰিমাণ ১.৬১ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। বিধায়ক অখিল গগৈৰ প্ৰশ্নৰ উত্তৰত মঙলবাৰে বিধানসভাত ❐ ৬ পৃষ্ঠাত

প্ৰধানমন্ত্ৰী মোদীৰ সৈতে অসমৰ সাংসদৰ গুৰুত্বপূৰ্ণ বৈঠক

অসমৰ বান পৰিস্থিতি সম্পৰ্কত আলোচনা ঃ কেন্দ্ৰৰ সহায়ৰ আশ্বাস

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ অসমৰ বানপানীৰ জটিল পৰিস্থিতিৰ মাজতে মঙলবাৰে নতুন দিল্লীত এখন অত্যন্ত গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ সকলো বিজেপি সাংসদক সাক্ষাৎ কৰি ৰাজ্যখনত চলা বিধ্বংসী বানৰ প্ৰভাৱ, ক্ষয়-ক্ষতি ❐ ৬ পৃষ্ঠাত

ষ্টাম্প শুল্কত সম্পূৰ্ণ ৰেহাই! উপকৃত হ'ব প্ৰায় ৪০ লাখ মহিলা

আত্মসহায়ক গোটৰ মহিলাসকলৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঐতিহাসিক উপহাৰ

নিউজ ডেস্ক, অসম বার্তা, ২৮ জুলাই ঃ অসমৰ আত্মসহায়ক গোটৰ মহিলাসকলৰ অৰ্থনৈতিক স্বাবলম্বিতাক অধিক শক্তিশালী কৰাৰ দিশত ৰাজ্য চৰকাৰে এক গুৰুত্বপূৰ্ণ আৰু ঐতিহ্যসিক সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ ❐ ৫ পৃষ্ঠাত

বানপীড়িত ৰাইজলৈ সাহায্য বিলাবলৈ বিজেপিৰ বৃহৎ যাত্ৰা

১.৭০ লাখ মেখেলা-চাদৰ, ১.৭০ লাখ টি-ছার্ট আৰু ডেৰ লাখ আঁঠুৰা লৈ বানপীড়িতৰ কাষলৈ বিজেপি

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ অসমৰ বানপীড়িত অঞ্চলসমূহত ত্ৰাণ সামগ্ৰী বিতৰণৰ বাবে বিজেপি দলৰ বৃধবাৰে একবৃহৎ যাত্ৰা উলিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযূষ হাজৰীকাই বিধানসভাৰ বাজেট অধিবেশনত সদনত এই কথা স্পষ্টভাৰে ঘোষণা কৰে যে দলটোৰ তৰফৰ পৰা প্ৰায় এক লাখ সত্তৰ হাজাৰ মেখেলা-চাদৰ, এক লাখ সত্তৰ হাজাৰ টি-ছার্ট আৰু ডেৰ লাখ আঁঠুৰা বানপীড়িত লোকসকলৰ মাজত বিতৰণ কৰা হ'ব। বুধবাৰে বিয়লি ৪ বজাত ৰাজ্যিক বিজেপি কার্যালয়ৰ পৰা এই সামগ্ৰীসমূহ চৰাইদেউ, শিবসাগৰ আৰু যোৰহাট জিলালৈ ৰাওনা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জনায়। মন্ত্ৰী পীযূষ হাজৰীকাই সদনত উল্লেখ কৰে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত দলীয় কার্যকৰ্তাসকলৰ ❐ ৬পৃষ্ঠাত

২০২৪ চনতে আইন প্ৰণয়ন কৰিও প্ৰশ্নকাকত ফাদিল ৰোধ কৰিব নোৱাৰিলে চৰকাৰে ঃ গৌৰৱ গগৈ

পূৰ্ব শিক্ষামন্ত্ৰী ধর্মেন্দ্ৰ প্ৰধানক 'বিজয়ী যোদ্ধাৰ দৰে' আদৰণি জনোৱাৰ বাবে কটাক্ষ

নেশ্যনেল ডেস্ক, অসম বার্তা, ২৮ জুলাই ঃ নীট ইউ-জি পৰীক্ষাৰ প্ৰশ্নকাকত ফালিল বিতৰ্কৰ মাজতে লোকসভাত মঙলবাৰে তুমুল বিতৰ্কৰ সূচনা হয়। কেন্দ্ৰীয় চৰকাৰে প্ৰশ্নকাকত ফালিল ৰোধৰ বাবে উত্থাপন কৰা সংশোধনী বিধেয়ককৰ বিপৰীতে বিৰোধী দল কংগ্ৰেছে কঠোৰ সমালোচনা আগবঢ়ায়। কংগ্ৰেছৰ উপ-দলপতি তথা সাংসদ গৌৰৱ গগৈয়ে সদনত দাবী কৰে যে ২০২৪ চনতে চৰকাৰে এই বিষয়ত আইন প্ৰণয়ন কৰা সত্ত্বেও প্ৰশ্নকাকত ফালিলৰ ঘটনা ❐ ৫ পৃষ্ঠাত

এতিয়াও বানৰ কবলত শিবসাগৰৰ হাজাৰ হাজাৰ পৰিয়াল

বিধায়ক অখিল গগৈৰ ব্যাপক প্ৰচেষ্টা তথাপি সাহায্যৰ প্ৰয়োজন ৩ কোটি টকা

নিউজ ডেস্ক, অসম বার্তা, ২৮ জুলাই ঃ শিবসাগৰ জিলাৰ বান পৰিস্থিতি যদিও কিছু পৰিমাণে উন্নতিৰ ফালে ধাৰমান, তথাপি জিলাখনৰ বিস্তীৰ্ণ অঞ্চলত এতিয়াও দুৰ্যোগৰ অন্ত পৰা নাই। ঠায়ে ঠায়ে পানী ❐ ৬ পৃষ্ঠাত

৩ আগষ্টৰ পৰা ৪০ লাখ হিতাধিকাৰীৰ একাউণ্টত সোমাব অৰুণোদয়ৰ ধন

প্ৰতিটো সমষ্টিত নিযুক্তি দিয়া হ'ব 'অৰুণোদয় সাৰথি'



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনি অৰুণোদয়ক লৈ বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই মঙলবাৰে বিধানসভাৰ মজিয়াত এখন ডাঙৰ ঘোষণা কৰে। তেওঁ সদনত জানিবলৈ দিয়ে যে অহা ৩ আগষ্টৰ পৰা ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীয়ে অৰুণোদয় আঁচনিৰ অধীনত ধন লাভ কৰিবলৈ আৰম্ভ কৰিব। এইদিনা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এক বিশেষ ❐ ৬ পৃষ্ঠাত

বানত ক্ষতিগ্ৰস্ত জিলাৰ কৃষকলৈ ধানৰ বীজ আৰু কঠীয়া বিতৰণৰ নিৰ্দেশ পীযুষ হাজৰিকাৰ

বানপীড়িত কৃষকসকলৰ পুনৰ্বাসন আৰু জলসিঞ্চনৰ দীৰ্ঘম্যাদী পৰিকল্পনা



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ ৰাজ্যৰ কৃষিখণ্ডৰ উত্তৰণ আৰু শেহতীয়া বানত ক্ষতিগ্ৰস্ত কৃষকসকলক জৰুৰী সকাহ প্ৰদানৰ উদ্দেশ্যে মঙলবাৰে গুৱাহাটীৰ জনতা ভৱনস্থিত কার্যালয়ৰ সভাকক্ষত দুখনকৈ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই। জলসিঞ্চন ❐ ৫ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ উচ্চস্তৰীয় বৈঠক ঃ বানত মৃতকৰ পৰিয়ালক পোষ্টম'টেমৰ জটিলতাৰ পৰা ৰেহাই

মন্ত্ৰী-বিধায়ক-জিলা আয়ুক্তসকলৰ সৈতে পৰ্যালোচনা; চৰকাৰী নিয়ম-নীতিৰ জটিলতা আঁতৰাই দ্ৰুত সাহায্য প্ৰদানৰ নিৰ্দেশ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সন্দৰ্ভত মঙলবাৰে এখন উচ্চস্তৰীয় পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বৈঠকখনত মন্ত্ৰী, বিধায়ক, জ্যেষ্ঠ বিষয়া আৰু জিলা আয়ুক্তসকল উপস্থিত থাকে। এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে বানপীড়িতসকলৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ আৰু সংবেদনশীল সিদ্ধান্ত গ্ৰহণ কৰে, যিয়ে শোকাহত পৰিয়ালসমূহক এক প্ৰকাৰ মানসিক সকাহ প্ৰদান কৰিব। বৈঠকত মুখ্যমন্ত্ৰীয়ে বিশেষভাবে বানত প্ৰাণ ❐ ৬ পৃষ্ঠাত

প্ৰধানমন্ত্ৰী মোদীৰ ফেচবুক ভিডিঅ' আঁতৰোৱাৰ ঘটনাক লৈ বিতৰ্ক

মেটাই 'কাৰিকৰী ত্ৰুটি' বুলি ক্ষমা বিচাৰিলেও চৰকাৰে নাকচ কৰিলে স্পষ্টীকৰণ

নেশ্যনেল ডেস্ক, অসম বার্তা, ২৮ জুলাই ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এটা ফেচবুক ভিডিঅ'ই সামাজিক মাধ্যমত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। মঙলবাৰে পুৱা প্ৰায় ১টা ২৫ মিনিটৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীৰ অফিচিয়েল ফেচবুক একাউণ্টৰ পৰা পোষ্ট কৰা ভিডিঅ'টো হঠাতে ভাৰতত অনুপলব্ধ হৈ পৰে। ভিডিঅ'টো খোলাৰ প্ৰয়াস কৰা ব্যৱহাৰকাৰীসকলে 'আই'নি অনুৰোধৰ বাবে ভাৰতত এই বিষয়বস্তু অনুপলব্ধ' বুলি এটা বার্তা প্ৰত্যক্ষ কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে ২৩ জুলাই মধ্যৰাতি প্ৰায় ১১টা ৫২ মিনিটত এই ভিডিঅ' পোষ্ট কৰিছিল। প্ৰায় তিনি মিনিট এই ভিডিঅ'ত তেওঁ প্ৰশ্নকাকত ফালিলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ প্ৰতিশ্ৰুতি দিয়ে আৰু কয় যে কেন্দ্ৰীয় ❐ ৫ পৃষ্ঠাত

দিখৌ নৈৰ অবৈধ খননেই উজনি অসমৰ বানৰ মূল কাৰণ

প্ৰাক্তন বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ গুৰুতৰ অভিযোগ

বানাক্ৰান্তলৈ জৰুৰী সাহায্য আৰু খনন সম্পূৰ্ণ বন্ধৰ দাবী

নিউজ ডেস্ক, অসম বার্তা, ২৮ জুলাই ঃ শিবসাগৰ আৰু চৰাইদেউ জিলাত সংঘটিত ভয়াবহ বানপানী হঠাৎ ঘটিছে বুলি ভাবিলেও ভুল কৰা হ'ব। এই ধ্বংসলীলাৰ অন্যতম প্ৰধান কাৰণ হ'ল দিখৌ নৈৰ বুকুত দীঘদিন ধৰি চলি অহা অবাধ অবৈধ খনন আৰু প্ৰাকৃতিক সম্পদৰ ❐ ৬ পৃষ্ঠাত

গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান সমস্যাৰ সমাধানত পাঁচটা সূত্ৰ জ্যেষ্ঠ অভিযন্তাৰ

যোৰাবাট, খানাপাৰা, কালাপাহাৰকে ধৰি মূল অঞ্চলসমূহত জলাশয় আৰু মানৱসৃষ্ট নদী নিৰ্মাণৰ পৰামৰ্শ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ এজাক ৰবষুণলৈ গুৱাহাটী মহানগৰী কৃত্ৰিম বানৰ কবলত পৰে, যাৰ ফলত বছৰৰ পাছত বছৰ মহানগৰবাসীয়ে হাহাকাৰ কৰিবলগীয়া হয়। এনে সমস্যাত জ্যেষ্ঠ অভিযন্তা জে এন খাউনিয়াৰে গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান নিয়ন্ত্ৰণৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সূত্ৰ আগবঢ়াইছে। ❐ ৬ পৃষ্ঠাত

ফ্লেগ অফ মুখ্যমন্ত্ৰীৰ ঃ অসমৰ দুগ্ধ খণ্ডৰ বাবে ঐতিহাসিক দিন

অসমত উৎপাদিত দুগ্ধজাত আইচক্ৰীম ভূটানলৈ ৰপ্তানি

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ জুলাই ঃ অসমৰ দুগ্ধ খণ্ডত এক ঐতিহাসিক মাইলৰ খুঁটি স্থাপন কৰা হৈছে। ৰাজ্যত উৎপাদিত গাখীৰৰ পৰা প্ৰস্তুত কৰা আইচক্ৰীম প্ৰথমবাৰৰ বাবে বিদেশলৈ ৰপ্তানি কৰা সম্ভৱ হৈছে। মঙলবাৰে দিছপুৰৰ লোকসেৱা ভৱনৰ চৌহদত অসমৰ পৰা ভূটানলৈ প্ৰেৰণ কৰিবলৈ সাজু হৈ থকা পুৰবী ডায়েৰীৰ আইচক্ৰীমৰ ট্ৰাকসমূহক পতাকা উৰাই শুভাৰম্ভ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমত দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত এক আমূল পৰিবৰ্তন আহিছে। বৰ্তমান ৰাজ্যত প্ৰতিদিনে প্ৰায় ২.৫ লাখ লিটাৰ দুগ্ধৰ পৰা বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰা হয়। পূৰবীৰ উদ্যোগত অসমৰ পৰা প্ৰথমবাৰলৈ গাখীৰৰ পৰা প্ৰস্তুত কৰা ভিন্ন প্ৰকাৰৰ আইচক্ৰীম বিদেশলৈ ৰপ্তানি কৰিবলৈ সক্ষম হোৱা বাবে আজিৰ দিনটো অসমৰ বাবে এক ঐতিহাসিক দিন বুলি তেওঁ অভিহিত কৰে। মুখ্যমন্ত্ৰী শৰ্মাই লগতে জানিবলৈ দিয়ে যে মুঠ ৫,৬২৭ লিটাৰ দুগ্ধৰ পৰা প্ৰস্তুত কৰা বিভিন্ন স্বাদৰ আইচক্ৰীম দুখন ট্ৰাকযোগে ভূটানলৈ ৰপ্তানিৰ বাবে ৰাওনা হৈছে। অনাগত ❐ ৬ পৃষ্ঠাত

২৪ঘণ্টাত ছটা শাস্ত্রীয় নৃত্য অবিৰতভাৱে পৰিৱেশন কৰি Golden Book of world Recordsত নাম সন্নিবিষ্ট কৰিবলৈ সক্ষম হ'ল ৰহাৰ জীয়ৰী তুষ্টিমনা নাথে

অসম বার্তা, ৰহা, ২৮ জুলাই ঃ ৰহাৰ বাবে এক গৌৰৱৰ বিষয় এই যে একেবাহে ২৪ ঘণ্টা শাস্ত্রীয় নৃত্যশৈলী পৰিবেশন কৰি Golden Books of World Recordsত নিজৰ নাম লিপিবদ্ধ কৰিলে ৰহাৰ যুৱতী তুষ্টিমনা নাথে। ৰহাৰ মেটেকাৰ শিক্ষক মাণিক নাথৰ আৰু ৰঞ্জনা দেৱীৰ কন্যা তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বিষ্ণুনাথ কৃষি মহাবিদ্যালয়ৰ ছাত্রী তুষ্টিমনাই ২৪ ঘণ্টা অবিৰতভাৱে ভাৰতনাট্যম, কুচিপুড়ি, কথক, মোহিনী নাট্যম, সত্ৰীয়া আৰু ওডিচী নৃত্য পৰিবেশন কৰি এই কৃতিত্ব অৰ্জন কৰে। দেওবাৰে পুৱা ৮ বজাৰ পৰা সোমবাৰে পুৱা ৮ বজালৈ একেবাহে এই নৃত্যসমূহ পৰিবেশন কৰি তুষ্টিমনাই নিজৰ নাম লিপিবদ্ধ কৰালে Golden Books of World Recordsত। তুষ্টিমনাৰ এই অভিলেখ গঢ়াৰ কার্যসূচীত উপস্থিত থাকে Golden Books of World Recordsৰ এছিয়াৰ প্ৰধান ডঃ মনিষ বিষ্ণই আৰু অভিলেখ গঢ়াৰ অন্তত তুষ্টিমনাক প্ৰদান কৰে Golden Books of World Recordsৰ প্ৰমাণপত্ৰ। এই সফলতাত যথেষ্ট বাইজৰ সমাদৰ লাভ কৰা পৰিলক্ষিত হয়। আমৰ সংবাদ মাধ্যমৰ আগত জনোৱা অনুসৰি তুষ্টিমনাই প্ৰথমে অকণি কবিতা ঘৰ বহাত নৃত্য প্ৰশিক্ষণ লৈছিল আৰু সৰুৰে পৰা হেঁপাহ আৰু সপোন আছিল নৃত্য জৰিয়তে নিজৰ নাম জিলিকাই তোলা সেয়ে আশা আজি তুষ্টিমনাই পূৰণ কৰিব পাৰিলে। মনত সাহস আৰু একাগ্ৰতা থাকিলে যে যিকোনো কামত সফলতা লাভ কৰিব পাৰি তাকে প্ৰমাণ কৰি দেখুৱালে ৰহাৰ জিয়ৰী তুষ্টিমনা নাথে। সদৌ শেষত প্ৰমাণ কৰি দিয়া অনুষ্ঠানটি আঁত ধৰে অকণি কবিতা ঘৰ ৰহাৰ প্ৰধান সম্পাদক ৰন্টু মুদৈ। ইয়াৰ লগতে অকণি কবিতা ঘৰ ৰহাৰ প্ৰধান পৰিচালক অবনী কু মাৰ শইকীয়া উপস্থিত থাকি তুষ্টিমনাক আশীৰ্বাদ প্ৰদান কৰে লগতে এই অনুষ্ঠানত তুষ্টিমনাৰ পিতৃ-মাতৃ সহ সত্রীয়া প্ৰশিক্ষক নিৰেণ কাকতি আৰু চন্দ্ৰকান্ত নাথ ককাৰুৱে লগতে বহু গুণমুগ্ধ ৰাইজ উপস্থিত থাকি তুষ্টিমনাৰ উজ্জ্বল ভবিষ্যত কামনা কৰে।

পূৰ গোৰৰ্দ্ধনা উন্নয়ন সমিতিৰ উদ্যোগত তিনিদিনীয়া মহিলা ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভ

অসম বার্তা, শালবাৰী, ২৮ জুলাই ঃ বিটিচি অঞ্চলত মহিলা খেলুৰৈসকলৰ প্ৰতিভা বিকাশ আৰু ক্ৰীড়া সংস্কৃতি শক্তিশালী কৰাৰ লক্ষ্যৰে আজি পূৰ গোৰৰ্দ্ধনী উন্নয়ন সমিতিৰ উদ্যোগত তিনিদিনীয়া কার্যসূচীৰে মহিলা ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভ হৈছে। উৎসৱমুখৰ পৰিবেশত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বিটিচি চৰকাৰৰ কার্যবাহী সদস্য বেগম আখতাৰা আহমেদ মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰতিযোগিতাখনৰ আনুষ্ঠানিক দ্বাৰ উন্মোচন কৰে। উদ্বোধনী অনুষ্ঠানত স্থানীয় ক্ৰীড়াপ্ৰেমী ৰাইজ, বিপিএফৰ বিষয়ৱৰীয়া, সমাজকর্মী, খেলুৰে আৰু বহু সংখ্যক দর্শকৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক সজীৱ কৰি তোলে। ইএম বেগম আখতাৰা আহমেদে খেলুৰৈসকলৰ সৈতে পৰিচয় বিনিময় কৰাৰ লগতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিটো দলক শুভেচ্ছা জনায়। এই উপলক্ষে দিয়া ভাষণত তেওঁ কয় যে, মহিলা ক্ৰীড়াৰ বিকাশ সমাজৰ সামগ্ৰিক উন্নয়নৰ এক গুৰুত্বপূৰ্ণ অংশ। গ্ৰাম্য অঞ্চলৰ আওৰাই নিয়াৰ ক্ষেত্ৰত এনে প্ৰতিযোগিতাই বিশেষ ভূমিকা পালন কৰে। তেওঁ যুৱ প্ৰজন্মক খেল-ধেমালিৰ জৰিয়তে সুস্থ জীৱনশৈলী গঢ়ি তোলাৰ আহ্বান জনোৱাৰ লগতে ক্ৰীড়াৰ জৰিয়তে শৃংখলা, একতা আৰু ভাতৃত্ববোধ শক্তিশালী হয় বুলি উল্লেখ কৰে। আয়োজক বিপিএফৰ নিমুৱা প্ৰাইমাৰী কমিটিয়ে জনোৱা মতে, তিনিদিনীয়া এই প্ৰতিযোগিতাত অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ একাধিক মহিলা ফুটবল দলে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাৰ জৰিয়তে নতুন প্ৰতিভা চিনাক্ত কৰাৰ লগতে মহিলা খেলুৰৈসকলক অধিক উৎসাহিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উদ্বোধনী খেলখন যথেষ্ট প্ৰতিদ্বন্দ্বিতাপূৰ্ণ পৰিবেশত অনুষ্ঠিত হয় আৰু দৰ্শকৰ ব্যাপক সঁহাৰিয়ে প্ৰতিযোগিতাখনক অধিক আকৰ্ষণীয় কৰি তোলে। অহা কেইদিনত কেইখনমান বোমাঞ্চকৰ খেল অনুষ্ঠিত হোৱাৰ আশা প্ৰকাশ কৰিছে আয়োজকসকলে। স্থানীয় ক্ৰীড়াপ্ৰেমী বাইজে এনে পদক্ষেপক আদৰণি জনাই অভিযোগ কৰে, মহিলা ক্ৰীড়াৰ উন্নয়নৰ বাবে নিয়মীয়াকৈ এনে প্ৰতিযোগিতা আয়োজনৰ দাবী জনাইছে। উক্ত কার্যসূচীত উপস্থিত থাকে বিপিএফৰ শালবাৰী জিলা সমিতিৰ সভাপতি ভুবনেশ্বৰ গয়াৰী, শালবাৰী পৰিষদীয় সমষ্টিৰ প্ৰান্তন পাৰিষদ ৰঞ্জিত খেৰকোটৰীয়ে।

পি এম শ্ৰী বাঁহবাৰী হাইস্কুলত বি এছ ইউ আৰু যুৱ বিপিএফৰ গ্ৰীষ্মকালীন পাঠদানৰ সফল সামৰণি

অসম বার্তা, শালবাৰী, ২৮ জুলাই ঃ গৰখৰ বন্ধৰ সময়খিনি ছাত্ৰ-ছাত্রীসকলে যাতে সময় অপচয় নকৰি শিক্ষাৰ দিশত আগবাঢ়ি যাব পাৰে, সেই উদ্দেশ্যে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ আহ্বানক্ৰমে সমগ্ৰ বিটিচি লগতে শালবাৰীত আয়োজন কৰা বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদান কার্যসূচীৰ সফল সামৰণী পৰে। আজি শালবাৰীস্থিত পিএমশ্ৰী বাঁহবাৰী হাইস্কুল প্ৰাংগণত শালবাৰী জিলা বড়োলেণ্ড ছাত্র সস্থা (BSU) আৰু যুৱ বিপিএফৰ যৌথ উদ্যোগত অনুষ্ঠিত এই গ্ৰীষ্মকালীন পাঠদানৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ২১ নং শালবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ দিগন্ত গয়াৰী। ভাষণ প্ৰসংগত পাৰিষদগৰাকীয়ে এনে ওপাঁহক পদক্ষেপৰ প্ৰশংসা কৰাৰ লগতে অংশগ্ৰহণকাৰী ছাত্র-ছাত্রীসকলৰ উজ্জ্বল ভবিষ্যত কামনা কৰে। অনুষ্ঠানত যুৱ বিপিএফৰ কেন্দ্রীয় সভাপতি বিঞ্জয় বড়ো বিশেষভাৱে উপস্থিত থাকি ছাত্র ছাত্রীসকলক উদ্দেশ্যি গঠনমূলক আৰু মূল্যবান বক্তব্য আগবঢ়ায়। তেওঁ শিক্ষাৰ শুৰুত্ব আৰু ছাত্র সমাজৰ দায়িত্ব বিষয়ে আলোক পাত কৰে। বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এই সামৰণী সভাত স্থানীয় বিপিএফ আৰু বিএছইউৰ কেইবাগৰাকীও দলীয় কর্মকর্তা, শিক্ষক-শিক্ষয়িত্রী, স্থানীয় বাইজ তথা বৃহৎ সংখ্যক ছাত্র-ছাত্রী উপস্থিত থাকে। গৰখৰ বন্ধৰ সময়ছোৱাত আয়োজন কৰা এই শিক্ষা কার্যসূচীয়ে ছাত্র-ছাত্রীসকলৰ যথেষ্ট উপকাৰ সাধন কৰা বুলি অভিভাৱকসকলে সন্তোষ প্ৰকাশ কৰিছে।

যোগনীয়া গাঁৱৰ কেন্দ্ৰ কৰি ১০ কিলোমিটাৰ এলেকাত গাহৰি বিক্ৰী-স্থানান্তৰত নিষেধাজ্ঞা

বোকাখাত সম জিলাৰৰ যোগনীয়াত আফ্ৰিকান ছোৱাইন ফিভাৰ; প্ৰশাসনৰ কঠোৰ নিৰ্দেশ

অসম বার্তা, নুমলীগড়, ২৮ জুলাই ঃ গোলাঘাট জিলাৰ গোলাঘাট পশ্চিম উন্নয়ন খণ্ডৰ বোকাখাত সমজিলাৰ অন্তৰ্গত যোগনীয়া আটি (ছহৰা) গাঁৱত আফ্ৰিকান ছোৱাইন ফিভাৰ (ASF) ধৰা পৰাৰ পিছত জিলা প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা দণ্ডাধীশৰ কার্যালয়ৰ জাৰি কৰা এক নির্দেশনা অনুসৰি, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (BNSS), ২০২৩-ৰ ১৬৩ ধাৰাৰ অধীনত যোগনীয়া আটি (ছহৰা) গাঁওক কেন্দ্ৰ কৰি ১০ কিলোমিটাৰ ব্যাসাৰ্ধ ভিতৰত গাহৰি, গাহৰিৰ পোৱালি, গাহৰিৰ খাদ্য আৰু সংশ্লিষ্ট সামগ্ৰীৰ পৰিবহণ, ক্ৰয়-বিক্ৰয় আৰু ক্ৰয় সম্পূৰ্ণকৈ নিষিদ্ধ কৰা হৈছে। এই নির্দেশ তাৎক্ষণিকভাৱে কার্যকৰী কৰা হৈছে আৰু পৰবৰ্তী নির্দেশ নোপোৱালৈকে বলবৎ সম্পূৰ্ণকৈ বলবৎ থাকিব। জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ প্ৰতিবেদন অনুসৰি, যোগনীয়া আটি (ছহৰা) গাঁৱৰ শ্ৰী কৃহিত চাহুৰাগাহৰি ফাৰ্মত হঠাতে গাহৰিৰ পোৱালিৰ মৃত্যু হোৱা ঘটনাৰ পিছত নমুনা পৰীক্ষা কৰা হয়। খানাপাৰাস্থিত NERDDL পৰীক্ষাগাৰত কৰা পৰীক্ষাত আফ্ৰিকান ছোৱাইন ফিভাৰ (ASF) সংক্রমণ নিশ্চিত কৰা হৈছে। ইয়াৰ পিছতে চকাৰৰ পূৰ্বৰ জাননী অনুসৰি উক্ত গাঁওক ASF-ৰ উৎপত্তি স্থল (Epicentre) হিচাপে ঘোষণা কৰা হৈছে। ৰোগ অধিক বিস্তাৰ ৰোধ কৰাৰ স্বাৰ্থত এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জিলা প্ৰশাসনে আৱশ্যকী, পশুপালন বিভাগ আৰু অন্যান্য সংশ্লিষ্ট বিভাগক এই নির্দেশ কঠোৰভাৱে কার্যকৰী কৰাৰ বাবে জাননী জাৰি কৰিছে। ইয়াবোপৰি পশুপালন বিভাগে চকাৰৰ SOP অনুসৰি জৰুৰী নিৰীক্ষণ আৰু তাৎক্ষণিক ৰোগ নিয়ন্ত্ৰণ ব্যৱস্থা অব্যাহত ৰাখিব লাগিব। প্ৰশাসনে জনসাধাৰণক এই নির্দেশ পালন কৰিবলৈ আহ্বান জনাইছে কৈছে যে কোনো লোকে এই নির্দেশ অমান্য কৰিলে ভাৰতীয় ন্যায় সংহিতা (BNS), ২০২৩-ৰ ২২৩ ধাৰা অনুসৰি আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও জাননীত প্ৰকাশ।

NAME CORRECTION

Sworn before Notary Public at Kokrajhar dated on 20-07-2026 that I, Manobesh Barman, S/O Priyanaath Barman, resident of Vill- Pratapkhata Part-II (Kherbari), P.O.- Pratapkhata, P.S.- Fakiragram, Dist.- Kokrajhar, Assam, declare that my father's actual and correct name is PRIYANAATH BARMAN (Aadhaar No. 4430 5824 5594). In my Land Documents (Dag No. 255, Patta No. 234, Vill-Pratapkhata Part-II, Dotma Revenue Circle), my father's name was erroneously written as KARAN CHANDRA BARMAN. Both are same and refer to one and the same person, i.e., my father PRIYANAATH BARMAN, for all official and land record purposes.

Manobesh Barman
Vill- Pratapkhata Part-II,
Dist.- Kokrajhar, Assam

AB-III/2026

প্ৰথম মৃত্যু বার্ষিকীত স্মৃতিচাৰণ অনুষ্ঠানৰ মাজতে গ্ৰন্থ উন্মোচন; সাহিত্য-সংস্কৃতি চর্চা জোৰদাৰ কৰাৰ আহ্বান বিশিষ্টজনৰ

চেঙাত প্ৰয়াত কবি অৰূপজ্যোতি দাসৰ কবিতা পুথি 'ফুলাম খৰিকাজাঁই' উন্মোচন

অসম বার্তা, চেঙা, ২৮ জুলাই ঃ বৰপেটা জিলাৰ চেঙাৰ বামপাৰা নিবাসী প্ৰয়াত ছাত্র নেতা, শিক্ষক, চিত্রশিল্পী, সমাজসেবক তথা প্ৰতিভাবান কবি অৰূপজ্যোতি দাসৰ স্বচবিত কবিতা পুথি 'ফুলাম খৰিকাজাঁই' যোৱা ২৩ জুলাইত তেওঁৰ প্ৰথম মৃত্যু বার্ষিকী উপলক্ষে নিজ বাসগৃহত এক গাম্ভীৰ্যপূৰ্ণ, আবেগঘন আৰু সাহিত্যিক পৰিবেশৰ মাজত আনুষ্ঠানিকভাবে উন্মোচন কৰা হয়। অনুষ্ঠানটোত চেঙা, বহৰি, নগাঁও আদি অঞ্চলৰ সাহিত্যপ্ৰেমী, শিক্ষাবিদ, সমাজকর্মী, সাংস্কৃতিক কর্মী, গুভাকাংক্ষী আৰু বিশিষ্ট ব্যক্তিসকলৰ ব্যাপক সমাগমে অনুষ্ঠানটোক এক অৰ্থবোধী ৰূপ প্ৰদান কৰে। উল্লেখযোগ্য যে, অৰূপজ্যোতি দাস জীৱনকালত শিক্ষকতাৰ লগতে মহান বৃত্তিত নিয়োজিত হৈ থকাৰ সমান্তৰালভাৱে সাহিত্য, কলা আৰু সংস্কৃতিৰ ক্ষেত্রতো নীৰবে অথচ নিষ্ঠাৰে কাম কৰি গৈছিল। তেওঁ প্ৰচাৰবিমুখ ব্যক্তি আছিল যদিও কবিতা, চিত্রকলা, সাহিত্যচিন্তা আৰু সামাজিক কাম-কাজত জৰিয়তে বহু মানুহৰ হৃদয় জয় কৰিছিল। তেওঁৰ মৃত্যুৰ পাছত বিভিন্ন খাতাত, কাগজত আৰু ব্যক্তিগত সংগ্ৰহত সঁচিকতে হৈ থকা কবিতাসমূহ যত্নসহকাৰে সংগ্ৰহ কৰি পত্নী ডেইজি দাসে মবোণোত্তৰভাৱে 'ফুলাম খৰিকাজাঁই' শীৰ্ষক কবিতা পুথিখন প্ৰকাশ কৰে। এই পদক্ষেপক অনুষ্ঠানত উপস্থিত সকলো সাহিত্যপ্ৰেমীয়ে আন্তৰিকভাৱে শলাগ লয়। প্ৰয়াত কবিগৰাকীৰ প্ৰথম মৃত্যু বার্ষিকীৰ দিনটোত অনুষ্ঠিত স্মৃতিচাৰণ সভাৰ শেষত সংগঠিত ৰাখি অসম কবি সন্মিলনৰ সভাপতি দীনেশ দাসে গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। গ্ৰন্থ উন্মোচনৰ পাছত ভাষণ প্ৰদান কৰি তেওঁ কয় যে, গ্ৰন্থখনৰ কবিতাসমূহ অধ্যয়ন কৰাৰ পাছত অৰূপজ্যোতি দাসৰ কাব্যপ্ৰতিভা, ভাষাৰ সৰলতা, অনুভূতিৰ গভীৰতা আৰু সমাজ-বাস্তৱতাৰ সূক্ষ্ম উপলব্ধি দেখি তেওঁ বিস্মিত হৈছে। তেওঁ প্ৰয়াত কবিগৰাকীৰ এটি কবিতা পাঠ কৰি কয় যে, সাহিত্যৰ জগতত এই ধৰণৰ প্ৰতিভা সচৰাচৰ দেখা নাযায়। তেওঁ দুখ প্ৰকাশ কৰি কয় যে, মাত্ৰ ৫১ বছৰ বয়সতে অকাল মৃত্যুৰে অসমীয়া সাহিত্যই এগৰাকী সম্ভাবনাময় কবিক হেৰুৱালে। যদি তেওঁ আৰু কিছু বছৰ সৃষ্টিশীল কর্মত নিয়োজিত থাকিব পাৰিলেহেঁতেন, তেন্তে নিশ্চিতভাৱে জিলাখন তথা অসমীয়া সাহিত্য জগতত তেওঁ এক সুকীয়া স্থান দখল কৰিব পাৰিলেহেঁতেন। দীনেশ দাসে সাম্প্ৰতিক অসমীয়া কবিতাৰ ধাৰা, সাহিত্যৰ সামাজিক দায়বদ্ধতা আৰু সময়োপযোগী সৃষ্টিশীলতাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁৰ মতে, কবিতাই কেবল অনুভূতিৰ প্ৰকাশ নহয়, সমাজক নতুন দিশ দেখুওৱাৰ এক শক্তিশালী মাধ্যম। সেয়ে সমাজ, ভাষা, সংস্কৃতি আৰু মানৱীয় মূল্যবোধৰ সুৰক্ষাৰ ক্ষেত্রত কবি-সাহিত্যিকসকলৰ ভূমিকা অতিয়ন্ত গুৰুত্বপূৰ্ণ। অনুষ্ঠানত আমন্ত্রিত অতিথি হিচাপে উপস্থিত থকা অসম কবি সন্মিলনৰ সাংগঠনিক সম্পাদক ৰঞ্জিত কুমাৰ কলিতাই ভাষণ প্ৰদান কৰি কয় যে, চেঙা অঞ্চলৰ সামাজিক, সাংস্কৃতিক, ক্রীড়া আৰু সাহিত্যিক পৰম্পৰা অতি সমৃদ্ধ। এই অঞ্চলৰ বহু ব্যক্তিয়ে বিভিন্ন সময়ত সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্রত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। কিন্তু বর্তমান সময়ত নৱপ্রজন্মৰ মাজত সাহিত্য-সংস্কৃতিৰ চর্চা আৰু সৃষ্টিশীল পৰিবেশ কিছু পৰিমাণে স্তিমিত হোৱা যেন অনুভৱ হয়। তেওঁ কয় যে, অৰূপজ্যোতি দাসৰ দৰে ব্যক্তি সমাজৰ অমূল্য সম্পদ। এনে ব্যক্তিৰ অৱদান জীৱিত কালতেই যথোচিত স্বীকৃতি লাভ কৰা উচিত। তেওঁ লগতে কয় যে, সমাজৰ আগশাৰীৰ ব্যক্তি, শিক্ষক, সাহিত্যিক আৰু সাংস্কৃতিক সংগঠনসমূহে একেলগে নৱপ্রজন্মক সাহিত্য, কলা আৰু সৃষ্টিশীল চিন্তাৰ দিশে আগুৱাই নিয়াৰ বাবে অধিক সক্রিয় ভূমিকা গ্ৰহণ কৰিব লাগিব। এই প্ৰসংগতে তেওঁ চেঙাত অসম কবি সন্মিলনৰ এখন শাখা গঠন কৰি নিয়মীয়াকৈ সাহিত্য সভা, কবিতা পাঠ, আলোচনা চক্র আৰু সৃষ্টিশীল কার্যসূচী অনুষ্ঠিত কৰাৰ আহ্বান জনায়। অনুষ্ঠানত বহৰি সত্র পৰিচালনা সমিতিৰ সভাপতি তথা বিশিষ্ট লেখক সোমনাথ তালুকদাৰ, অসম সাহিত্য সভাৰ কার্যনিবাহক সদস্য তথা লেখক কুলধৰ ডেকা, চেঙা ঐক্য সন্মিলনৰ সভাপতি গৌতম পাঠক, সম্পাদক চিন্ময় ডেকা, অসম উন্নতি সভাৰ বাজিক সম্পাদক খনিন পাঠক, লগতে চেঙা, বহৰি আৰু নগাঁও অঞ্চলৰ বহু বিশিষ্ট ব্যক্তি, শিক্ষক, সাহিত্যপ্রেমী, সমাজকর্মী আৰু গুভাকাংক্ষী উপস্থিত থাকে। বক্তাসকলে প্ৰয়াত অৰূপজ্যোতি দাসৰ সৰল জীৱন-যাপন, শিল্পীসুলভ মনোভাৱ, সাহিত্যপ্রেম, সমাজৰ প্ৰতি দায়বদ্ধতা আৰু মানৱীয় গুণৰ বিষয়ে স্মৃতিচাৰণ কৰি তেওঁলে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে, 'ফুলাম খৰিকাজাঁই' প্ৰথম মৃত্যু তিথি উপলক্ষে স্থানীয় সত্র আৰু নামঘৰৰ বাপসকলে নাম-কীৰ্তন পৰিবেশন কৰি তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। অনুষ্ঠানটোৰ সমগ্ৰ পৰিবেশ শ্ৰদ্ধা, আবেগ আৰু সাহিত্যিক অনুভূতিৰে পৰিপূর্ণ হৈ উঠে। অনুষ্ঠানৰ অন্তত উপস্থিত সাহিত্যপ্রেমীসকলে মত প্ৰকাশ কৰে যে, 'ফুলাম খৰিকাজাঁই' কেৱল এখন কবিতা পুথিনহয়, ই এগৰাকী নিভৃতচাৰী কবিৰ মনোজগত, জীৱনদর্শন, সমাজচেতনা আৰু অনুভূতিৰ এক মূল্যৱান দলিল। এই গ্ৰন্থই নতুন প্ৰজন্মক অসমীয়া কবিতা পাঠ আৰু সাহিত্যচর্চাৰ প্ৰতি উৎসাহিত কৰাৰ লগতে প্ৰয়াত অৰূপজ্যোতি দাসৰ সৃষ্টিশীল অৱদানক যুগে যুগে স্মৰণীয় কৰি ৰাখিব। সাহিত্যপ্রেমীসকলৰ মতে, এনে অনুষ্ঠান আৰু গ্ৰন্থ উন্মোচনৰ জৰিয়তে অঞ্চলটোৰ সাহিত্য-সংস্কৃতিৰ পৰিবেশ অধিক সমৃদ্ধ হোৱাৰ লগতে নৱপ্রজন্মৰ মাজত সৃষ্টিশীল চিন্তা-চর্চাৰ নতুন দিগন্ত উন্মোচিত হ'ব।

বুঢ়াশেনচোৱা যুৱমঞ্চৰ গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানৰ সামৰণি আৰু শিক্ষার্থী সম্বর্ধনা অনুষ্ঠান

অসম বার্তা, মাজুলী, ২৮ জুলাই ঃ "কামৰ পৰা পোৱা আনন্দই মানুহক সুখী কৰে। কৰ্মৰ যোগেদি আনন্দ উলহৰি কৰিবলৈ নিশিকাটোৱেই আমাৰ জীৱনৰ বিফলতাৰ মূল কাৰণ। কামৰ পৰা উৎপন্ন হোৱা সুখ অনুভৱ কৰিব নজনাকলেই কর্মত ফাঁকি দিবৰ যত্ন কৰে।" - এই বক্তব্য মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেবজিৎ শইকীয়াৰ। মাজুলীৰ বুঢ়াশেনচোৱা যুৱমঞ্চৰ উদ্যোগত গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত মাহেকীয়াকৈ অনুষ্ঠিত কৰা বিনামূলীয়া পাঠদান শিবিৰৰ সামৰণী উপলক্ষ্যেতথা অঞ্চলটোৰ পৰা ২০২৬ বর্ষৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাক্ষেত্রত পৰীক্ষাত সুখ্যাতিৰে উত্তীর্ণ হোৱা শিক্ষার্থীসকলক সম্ভাষণ জনোৱাৰ উদ্দেশ্যে আজি বুঢ়াশেনচোৱা যুৱমঞ্চৰ বিশেষ উদ্যোগত আৰু গাঁওবাসী ৰাইজৰ সহযোগত আয়োজন কৰা এক বিশেষ সম্বর্ধনা অনুষ্ঠানৰ নির্দিষ্ট বক্তাৰ ভাষণ দি অধ্যক্ষ ডঃ শইকীয়াই শিক্ষার্থীসকলক উদ্দেশ্য কয়, যে সমাজৰ মংগলৰ অর্থে পাৰ্যমানে কর্তব্য সম্পাদন কৰাটেই সকলোৰে কর্তব্য হোৱা উচিত। বুঢ়াশেনচোৱা অঞ্চলৰ ছাত্র-ছাত্রীসকলৰ প্ৰতিভা বিকাশৰ বাবে এখন মঞ্চ দিয়াৰ উদ্দেশ্যে বিগত এঘাৰ বছৰে স্থানীয় শিক্ষিত যুৱকসকল একত্রিত হৈ সম্পন্ন কৰি অহা পঞ্চম শ্রেণীৰ পৰা দশম শ্রেণীৰ শিক্ষার্থীসকলৰ গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানৰ এইবর্ষৰ কার্যসূচীৰ সামৰণী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আজি আয়োজিত সম্বর্ধনা সভা উপলক্ষে পুৱা যুৱমঞ্চৰ কর্মকর্তাসকলৰ সৌজন্যত পৰিবেশ নিকাকৰণ কার্যসূচী ৰূপায়ণ কৰাৰ অন্তত ছাত্র-ছাত্রীসকলে জীৱনত সফলতা লাভ কৰিবলৈ কঠোৰ সংগ্রাম কৰিবই লাগিব বুলি উল্লেখ কৰে। দাসে। স্মৃতি তৰ্পণ কার্যসূচী ৰূপায়ণৰ পাছতে পতাকা উত্তোলন কৰে যুৱমঞ্চৰ সভাপতি পাপু দাসে। পুৰাৰ ভাগত মাজুলী ভিত্তিত অনুষ্ঠিত হোৱা উচ্চ আৰু নিম্ন শাখাৰ কুইজ প্রতিযোগিতা পৰিচালনা কৰে প্রিয়ব্রত দাসে। বুঢ়াশেনচোৱা আঞ্চলিক কৃষ্টিসংঘৰ প্রেক্ষাগৃহত দিনৰ ১.০০ বজাৰ পৰা অনুষ্ঠিত সামৰণী তথা সম্বর্ধনা অনুষ্ঠানৰ পূর্বে বন্তি প্রস্তুলন কৰে স্থানীয় বয়োজ্যেষ্ঠ ব্যক্তি ভোলা দাসে। অনুষ্ঠানৰ আৰম্ভণিতে গাঁৱৰ বৃৰতীসকলে সমবেত সংগীত পৰিবেশন কৰে। যুৱমঞ্চৰ হৈৰঞ্জন দাসে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত সভাপতিত্ব কৰে ১০৮ নং বুঢ়াশেনচোৱা প্রাথমিক বিদ্যালয়ৰ প্রধান শিক্ষক ডিব্রুশ্বৰ দত্তই। সভাখনি উদ্বোধন কৰি নতুন কমলাবাৰী সত্রৰ শিল্পী পেঞ্চনাৰ বুঢ়াভকত তথা মাজুলী জিলা ভাওনা সম্মিলনীৰ সভাপতি প্রভাত বৰা বুঢ়াভকতে ছাত্র-ছাত্রীসকলে জীৱনত সফলতা লাভ কৰিবলৈ কঠোৰ সংগ্রাম কৰিবই লাগিব বুলি উল্লেখ কৰে। উদযাপন সমিতিৰ তৰফৰ পৰা আদৰণী ভাষণ দিয়ে বুঢ়াশেনচোৱা যুৱ মঞ্চৰ সভাপতি পাপু দাসে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলা পৰিষদৰ সভানেত্রী নবনীতা দাসে শিক্ষার্থীসকলক নিজৰ কর্তব্যৰ প্রতি সদায়ে সচেতন হৈ আগবাঢ়ি যাবলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ আগবঢ়ায় মাজুলী আৰক্ষী থানাৰ আইপিএছ অফিচাৰ প্রিয়া পোৱাল আজি উদ্ধাৰ কৰা হয়। ঘটনাৰ বিৱৰণী অনুসৰি -মিছামাৰীৰ অঞ্চলৰ ১০জন যুৱকে যোৱা ২৫ জুলাইৰ বিয়লি প্রায় ২ বজাত বুবৈ নৈৰ পাৰৰ আবিভঙাৰ সমীপৰ বগৰীগুৰী নামৰ এটুকুৰা নির্জন ঠাইত পাৰ্টি কৰিবলৈ গৈছিল। ইয়াৰ মাজত আছিল শিৰ দাসো। উক্ত যুৱক সকলে নৈৰ পাৰত পাৰ্টি কৰাৰ পিছত শিৰ দাস বুবৈ নৈৰ বুকুলৈ গা-ধুবলৈ বুলি নামি যায়। তেনেতে বুবৈ নৈৰ খৰস্রোতা পানীয়ে মুহূর্তৰ ভিতৰতে উটুৱাই লৈ যায় শিৰ দাসক। সময় তেতিয়া বিয়লি প্রায় ৪ বাজিছিল। নৈৰ পাৰৰ পৰা বাকী সতীর্থ সকলে উক্ত দৃশ্য প্রত্যক্ষ কৰে যদিও তেওঁলোকে নিকপায় হৈ চাই থকাৰ বাহিৰে একো কৰাব উপায় নাছিল। পৰবর্তী সময়ত হেলেম আৰক্ষীয়ে কিছু পলমকৈ লাভ কৰা খবৰৰ ভিত্তিত ভাৰপ্রাপ্ত আৰক্ষী বিষয়া পংকজ চিতলাহ নেতৃত্বত আৰক্ষীৰ এটা দল সেইদিনা সন্ধিয়া প্রায় ৬ বজাত ঘটনাস্থলীত উপস্থিত হয়। ইয়াৰ পিছত আৰক্ষী বিষয়া পংকজ চিতলাহ তৎপৰতাত আজি পুৱাবে পৰা পুনৰ এন ডি আৰ এফ আৰু এছ ডি আৰ এফ বাহিনীয়ে বুবৈ নৈৰ বুকুত চলোৱা অভিযানৰ অন্তত বিয়লি প্রায় ডেৰ বজাত উদ্ধাৰ হয় শিৰ দাসৰ মৃতদেহ। বুবৈ নৈৰ খৰস্রোতা পানীয়ে শিৰ দাসক বহু দূৰ উটুৱাই নে যোৱাৰ বাবে তেওঁক উদ্ধাৰ কৰাৰ বাবে কিছু সমস্যাৰ সৃষ্টি হয়। কুকবাপথাৰৰ বুৰি মুখত আজি তেওঁৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পিছত শোকাকুল হৈ পৰিছে সমগ্ৰ মিছামাৰী অঞ্চল। বুবৈ নৈৰ বুকুত তেওঁৰ নিখৰ দেহ উদ্ধাৰ হোৱাৰ খবৰৰ পিছত শিৰ দাস ঘৰখৰৰ পৰিয়ালৰ সকলো লোকৰ লগতে স্থানীয় ৰাইজ শোকাচ্ছন্ন হৈ পৰিছে। তদুপৰি দুই সন্তান সহ শিৰ দাসৰ পত্নীয়ে চকুলোৱে বাট নেদেখা হৈছে। মৃত্যুৰ সময়ত তেওঁ পিতৃ-মাতৃ

বানাক্রান্তলৈ ৰোটাৰী ক্লাবৰ সহায়ৰ হাত

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৮ জুলাই ঃ ৰোটাৰী আন্তঃবাষ্ট্ৰীয় জিলা ৩২৪০, জঁ'ন-১৪ ৰ অন্তৰ্গত দুলীয়াজান, তিনিচুকীয়া, নাহৰকটীয়া আৰু ডুমডুমা ৰোটাৰী ক্লাবৰ যুটীয়া উদ্যোগত দেওবাৰে শিৱসাগৰ জিলাৰ নাজিৰা সমজিলাৰ বানাক্রান্তসকলৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। সমজিলাখনৰ তিপুমীয়া, চেতিয়া সন্দিকৈ গাঁও আৰু টেকীয়ালপুখুৰী গাঁৱৰ মুঠ ২০০টা বানপীড়িত পৰিয়ালৰ্লৈ এই সাহায্য আগবঢ়োৱা হয়। শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত ৰণগ্ময় ভৰদ্বাজৰ সৈতে যোগাযোগ মৰ্মে আৰু নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্ত পংযিয়া খনিকৰৰ সহযোগত ৰোটাৰী ক্লাবৰ দলটোৰে এই অতি ভিৰৰৱা অঞ্চল কেইখনত প্ৰৰেশ কৰিবলৈ সক্ষম হয়। সহকাৰী আয়ুক্তগৰাকীয়ে ডিভিল ডিফেন্স স্বেচ্ছাসেৱক পল ৰৰুৱা আৰু স্থানীয় সমাজকৰ্মী অনন্যা ৰৰদলৈক দলটোৰ সৈতে সংগী কৰি দিয়ে। বানত সৰ্বস্ব হেৰুৱাই আশ্ৰয় শিৱিৰত আশ্ৰয় লোৱা লোকসকলৰ কৰুণ অৱস্থা প্ৰত্যক্ষ কৰি ৰোটাৰী ক্লাবৰ সদস্যসকল মৰ্মাহত হৈ পৰে। ঘৰৰ সকলো আচৰাবাৰ বানপানীয়ে নষ্ট কৰি পেলোৱা দুশাই সকললোকে ব্যথিত কৰে। এই সংকটজনক পৰিস্থিতিত দলটোৰে প্ৰতিটো পৰিয়ালৰ্লৈ আঁঠুৰা, খোৱা পানী (প্ৰতিটো পৰিয়ালক ২৪ লিটাৰ), গা ধোৱা চাবোন, বিস্কুট, ফিনাইল, ব্লিচিং পাউডাৰ, চিৰা, বাল্টি, মগ, চেনিটেবী পেড, মমবাতি, জুইশলা, মহিলাৰ বাবে চাদৰ আৰু অন্যান্য প্ৰয়োজনীয় কাপোৰ বিতৰণ কৰে। সন্ধিয়া প্ৰায় ৬.০০ বজাত এই সাহায্য বিতৰণ কাৰ্যসূচীৰ অন্ত পৰে। ভিতৰৰা গাঁও কেইখনত এতিয়াৰ্লৈকে পৰ্যাপ্ত সাহায্য পোৱা নাছিল বাবে এই সামগ্ৰী লাভ কৰি ৰাইজে আনন্দ প্ৰকাশ কৰাৰ লগতে ৰোটাৰী ক্লাবৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। এই বিপদৰ সময়ত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন দল-সংগঠন আৰু লোকসকলে নাজিৰাৰ বানপীড়িতক সহায় কৰিবলৈ ওলাই অহাটোৰে প্ৰমাণ কৰে যে সমাজত মানৱতা এতিয়াও জীয়াই আছে। সফলভাৱে এই কাৰ্যসূচী সম্পন্ন কৰাত সহযোগ কৰাৰ বাবে শিৱসাগৰ জিলা প্ৰশাসন, নাজিৰা সমজিলা প্ৰশাসন, পল ৰৰুৱা আৰু অন্যান্য ৰৰদলৈ লে ৰোটাৰী ক্লাবৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হয়। এই সাহায্য বিতৰণ কাৰ্যসূচীত দুলীয়াজান ৰোটাৰী ক্লাবৰ সভাপতি বিমল ৰৰগোহাঁই, ৰোটাৰীয়ান ৰাজুমনি গগৈ, সুনীল ৰৰগোহাঁইঞ, যশপাল সিং, ৰোটাৰীলৈট অভিনব ৰৰগোহাঁই, দেৱৰাজ গগৈ, ক্লাবৰ তদাৰকীনী টুকন দ', তিনিচুকীয়া ৰোটাৰী ক্লাবৰ ফালৰ পৰা শৈলেশ শৰ্মা, মনোজ গোয়েল, নীৰজ আগৰৱাল; নাহৰকটীয়া ক্লাবৰ পৰা সৌৰভ বাগোৱিয়া, পল্লৱ মহন্ত, সতকাম বৰুৱা, মনমোহন ৰৰগোহাই, তপন গগৈ, মুকেশ টোডি আৰু ডুমডুমা ক্লাবৰ পৰা সুজিত ৰৰুৱা, ৰীবেন ডেকা, ভূপেন বুঢ়াগোহাঁই তথা সভাপতি ৰাজকুমাৰ ৰায় উপস্থিত থাকে।

'নীট' প্ৰশ্ন কাকত ফাঁদিলৰ জঘন্য ঘটনাৰ বাবেই প্ৰচণ্ড মানসিক চাপত আত্মহত্যা কৰা ২১ গৰাকী যুৱক-যুৱতীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুলৈ মহাসংঘৰ গুৰুত্বপূৰ্ণ স্মাৰক পত্ৰ প্ৰেৰণ

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৮ জুলাই ঃ অসমৰ জাতি সংঘ অসম সম্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে এক পেছ ৰিজষ্ট্ৰিত 'নীট'ৰ প্ৰশ্ন কাকত ফাঁদিল হোৱা ঘটনাৰ বাবেই প্ৰচণ্ড মানসিক চাপত আত্মহত্যা কৰা ভাৰতৰ বিভিন্ন ৰাজ্যৰ ২১ গৰাকী প্ৰতিভাবান যুৱক-যুৱতীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। লগতে প্ৰতিগৰাকী যুৱক-যুৱতীৰ পৰিয়ালৰ্লৈ ১ কোটিকৈ টকা শীঘ্ৰে ক্ষতিপূৰণ হিচাপে আদায় দিবলৈ ভাৰত চৰকাৰক দাবী জনাই ছে অসম সম্মিলিত মহাসংঘই। অৱস্থান ধৰ্মঘটকাৰী সকলৰ ওপৰত পুলিচে চলোৱা নিৰ্মম অত্যাচাৰ আৰু ২১ গৰাকী যুৱক-যুৱতীয়ে আত্মহত্যা কৰা এনে কৰুণ ঘটনাৰ বাবে ভাৰত চৰকাৰৰ হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শীঘ্ৰে ৰাজহুৱা ভাবে ক্ষমা খুজিবলৈও আহ্বান জনাইছে মহাসংঘই। 'নীট'ৰ পেপাৰ ফাঁদিল কৰা ঘটনাৰ সৈতে জড়িত শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু দালাল সকলক গ্ৰেপ্তাৰ কৰি খৰতকীয়া বিচাৰৰ দ্বাৰা অপৰাধীসকলক যাবজ্জীবন কাৰাদণ্ড বিহাৰ লগতে তেওঁলোকৰ সা-সম্পত্তিও জব্দ কৰি সেই বোৰ নিলাম কৰি সংগ্ৰহীত ধন প্ৰশ্ন কাকত ফাঁদিল হোৱা ঘটনাৰ বাবে যন্ত্ৰৰ-মন্ত্ৰৰত প্ৰতিবাদ কৰি পুলিচৰ হাতত নিৰ্যাতিত হোৱা ছাত্ৰ-ছাত্ৰীৰ একাউণ্টত ৫, ০০০ হাজাৰকৈ টকা শীঘ্ৰে জমা দিয়াৰ ব্যৱস্থা কৰিবলৈকো মহাসংঘই দাবী উত্থাপন কৰিছে। দেশৰ বিক্ষুব্ধ যুৱক-যুৱতীৰ দ্বাৰা গঠিত ককৰোচ জনতা পাৰ্টিয়ে নতুন দিল্লীৰ যন্ত্ৰৰ-মন্ত্ৰৰত ২০ জুনত অৱস্থান ধৰ্মঘট আৰম্ভ কৰি ২৫ জুলাইত ৩৬ দিনত সমাপ্ত কৰে। বিশিষ্ট সমাজকৰ্মী-বিজ্ঞানী সোণম বাংচুকে যন্ত্ৰৰ-মন্ত্ৰৰত ২৮ জুনত আমৰণ অনশন আৰম্ভ কৰি ২৬ দিনৰ দিনা ২৩ জুলাইত আমৰণ অনশন সমাপ্ত কৰিছিল। এই অনশনৰ ছিদ্ৰিছন্ন অৱস্থান ধৰ্মঘট আৰু আমৰণ অনশন আন্দোলনৰ বাবেহে বাধ্য হৈ ভাৰতৰ শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ২৫ জুলাইত পদত্যাগ কৰিছে। বিজেপি নেতৃ ত্বাধীন ভাৰত চৰকাৰে আন্দোলন নকৰাকৈ এই জঘণ্য প্ৰশ্ন কাকত ফাঁদিল হোৱা ঘটনাৰ বাবে একো কাৰ্যকৰী ব্যৱস্থা লোৱা নাছিল। গতিকে দেশৰ কোটি কোটি যুৱক-যুৱতীৰ প্ৰতি বিজেপি চৰকাৰৰ যে তিলমানো গুৰুত্ব তথা দায়বদ্ধতা নাই সেই কথা তেওঁলোকৰ কাৰ্যকলাপেই প্ৰমাণ কৰিছে বুলি বহমানে দৃঢ়তাৰে কয়। দেশৰ সংবিধানৰ ১৯ নং অনুচ্ছেদত অনুসৰি দেশৰ সমস্যাত মুকলি কৈ মাত মতা বা শান্তিপূৰ্ণ ভাবে প্ৰতিবাদ কৰাৰ অধিকাৰ মৰ্মেই যন্ত্ৰৰ-মন্ত্ৰৰত অৱস্থান ধৰ্মঘট কৰা যুৱক-যুৱতী সকলৰ ওপৰত প্ৰায় প্ৰতি দিনেই দিল্লীৰ পুলিচে নানা ধৰণে অত্যাচাৰ কৰি যুৱক-যুৱতীসকলৰ মৌলিক অধিকাৰ খৰ্ব কৰিছিল। বিজেপি চৰকাৰে ২০ জুলাইত শান্তিপূৰ্ণ ভাবে সংসদলৈ সমদল কৰা যুৱক-যুৱতী সকলৰ ওপৰত দিল্লী পুলিচ, ৰেপিড একচন ফৰ্চ আৰু চি আৰ পি এফৰ দ্বাৰা কদুৱা গছ নিক্ষেপ কৰি, লাঠী চালনা কৰি, পেলেট গান আৰু শ্বক বেটনৰ দ্বাৰা আক্ৰমণ কৰি নিৰ্মম অত্যাচাৰ কৰি শত শত লোকক ঘৃণীয়া কৰাৰ নিষ্ঠুৰ ক'লা ঘটনা ৰূপেই ইতিহাসত লিপিবদ্ধ হৈ ৰ'ব। এই আঘাত প্ৰাপ্ত আৰু চিকিৎসাধীন হৈ থকা যুৱক-যুৱতী সকলক ৫, ০০০ টকা কৈ শীঘ্ৰে ক্ষতিপূৰণ আদায় দিবলৈ মহাসংঘই দাবী জনাইছে। এই ক্ষেত্ৰত যথাবিহিত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দেশৰ ৰাষ্ট্ৰপতি মহামহিম দ্ৰৌপদী মুৰ্মুলৈ আজি অসম সম্মিলিত মহাসংঘই এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে বুলি মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে সংবাদ মাধ্যমক সদৰি কৰে।

তিনিচুকীয়াত 'দেশভক্তি দিৱস' উদ্‌যাপন

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৮ জুলাই ঃ তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত তথা তিনিচুকীয়া জিলা তথ্য আৰু জনসংযোগ বিভাগৰ সহযোগত জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত আজি দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু দিৱস উপলক্ষে ''দেশভক্তি দিৱস'' উদ্‌যাপন কৰা হয়। জিলা উন্নয়ন আয়ুক্ত জাডেদ আৱমানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত বস্তি প্ৰজ্বলন কৰাৰ লগতে উপস্থিত সকলোৱে পুষ্প অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দেশভক্তি দিৱস উপলক্ষে আয়োজিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্তদ্বয় ক্ৰমে সংঘমিত্ৰা ৰৰুৱা, জংগমীৰ ৰংফাৰপি প্ৰমুখে জিলা প্ৰশাসনৰ অন্যান্য উচ্চ পদস্থ বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

মৰিগাঁৰত ৮৭ সংখ্যক দেশভক্তি দিৱস উদ্‌যাপন

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৮ জুলাই ঃ দেশভক্ত তৰুণৰাম ফুকনৰ ৮৭ সংখ্যক মৃত্যু দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দেশভক্তি দিৱস হিচাপে উদ্‌যাপন কৰাৰ লগতে মৰিগাঁৰতো জিলা প্ৰশাসনৰ উদ্যোগত জনসংযোগ বিভাগৰ সহযোগত অনুষ্ঠিত হয়। বিয়লি ভাগত মৰিগাঁৰ পবিতৰা হাট প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা দেশভক্তি দিৱস শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটি উদ্ঘোধন কৰে জিলা আয়ুক্ত অনামিকা তেৰাৰীয়ে। জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকাই নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি দেশভক্ত তৰুণৰাম ফুকনৰ ওপৰত বিস্তৃতভাবে আলোচনা কৰে। জাতীয় সংগীতেৰে আৰম্ভ কৰা অনুষ্ঠানত অনুষ্ঠানত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা, সমাজসেৱক অতনু শৰ্মা, সাহিত্যিক মিলেশ্বৰ পাতৰে দেশভক্ত গৰাকীয়ে জীৱন পৰিক্ৰমাৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। জনসংযোগ বিভাগৰ কৰ্মচাৰী দিপালী তামোলীয়ে ঔতধৰা গাস্তীৰ্যপূৰ্ণ অনুষ্ঠানত জিলা জনসংযোগ বিষয়া অনন্যা গগৈয়ে সংশ্ধন্যবাদ কৰে। আনহাতে কাৰ্যসূচীত প্ৰথমে দেশভক্ত তৰুণৰাম ফুকনৰ বস্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে জিলা আয়ুক্ত অনামিকা তেৰাৰীয়ে।

যোগীঘোপা বালাপাৰাত সদৌ জোলহা জনগোষ্ঠীৰ সন্মিলনিৰ সাধাৰণ সভা অনুষ্ঠিত

অসম বার্তা, যোগীঘোপা, ২৮ জুলাই ঃ বালাপাৰাত সদৌ অসম জোলহা জনগোষ্ঠী সন্মিলনীৰ এক সাধাৰণ সভা অনুষ্ঠিত হয়। আজি ২৬/০৭/২০২৬ ইংৰাজী তাৰিখে সদৌ অসম জোলহা জনগোষ্ঠীৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে বালাপাৰা আঞ্চলিকৰ উদ্যোগত সন্মিলনীৰ কেন্দ্ৰীয় সভাপতি আব্দুল ছত্তেইন (সাহিত্যিক) ৰ সভাপতিত্বত বালাপাৰাত জোলহা জনগোষ্ঠী বাজিক সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত কেন্দ্ৰীয় সমিতিৰ বিভিন্ন বিষয়বৰীয়াৰ লগতে মানকাচৰ মহাবিদ্যালয় অৱসপ্ৰাপ্ত অধ্যক্ষ ড' আবেদ আলী উপস্থিত থাকে। লগতে জিলা সমিতিৰ বিষয়বৰীয়াৰ উপৰিও বিভিন্ন অঞ্চলৰ পৰা জনগোষ্ঠীটোৰ বিশিষ্ট বুজিজীবী সকল সভাত অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। বিগত দিনত জনগোষ্ঠীৰ উত্থোৱণৰ ক্ষেত্ৰত অহৰহ চেষ্টা কৰি জনগোষ্ঠীটোৰ মাজৰ পৰা বিদায় লোৱা ব্যক্তি সকলৰ আত্মাৰ সদগতিৰ বাবে এক মিনিট সময় মৌনতা অবলম্বন কৰে। তাৰ পিছত কোৰান পাঠেৰে সভাৰ কাৰ্যসূচী শুভাৰম্ভ হয়। ইয়াৰ পিছত বাজিক সমিতিৰ সদস্য সকলৰ লগতে জিলা সমিতিৰ পৰিচয় পৰ্ব ও সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত বিভিন্ন জিলা সমিতিৰ কামৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনা কৰে। লগতে বিভিন্ন জিলাৰ আঞ্চলিক সমূহ গঠনৰ পৰামৰ্শ আগবঢ়ায় বিভিন্ন বক্তাই। আৰু সংগঠনটো চলাই লোৱাৰ ক্ষেত্ৰত অৰ্থৰ প্ৰয়োজন আছে সেয়ে পুঁজিৰ সংগ্ৰহ ক্ষেত্ৰত জিলা সমিতিবোৰে কেন্দ্ৰীয় সমিতিক বৰঙনি আগবঢ়াই সংগঠনটোক আৰ্থিক দিশ টনকিয়াল কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ উপৰিও আগন্তুকজন গণণা সম্পৰ্কেও আলোচনা কৰে সভাত। আনহাতে অসমৰ বুৰুত জীয়াই থকা অতি ক্ষুদ্ৰ জনগোষ্ঠীটোৰ লোকক অবিচি মৰ্যাদা প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায়।

হাব্ৰাঘাট মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ প্ৰজ্ঞানজ্যোতি দেৰ নাথক সম্বৰ্ধনা

স্নাতক ষষ্ঠ ষান্মাষিকৰ চূড়ান্ত পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেংকিঙত ইংৰাজী বিষয়ত ২য় স্থান

অসম বার্তা, কৃষ্ণাই, ২৮ জুলাই ঃ সদ্য ফলাফল ঘোষিত স্নাতক ষষ্ঠ ষান্মাষিক চূড়ান্ত পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেংকিঙত ইংৰাজী মেজৰ বিষয়ত দ্বিতীয় স্থান দখল কৰা গোৱালপাৰা জিলাৰ হাব্ৰাঘাট মহাবিদ্যালয়, কৃষ্ণাইৰ ছাত্ৰ প্ৰজ্ঞানজ্যোতি দেৰ নাথক আজি মহাবিদ্যালয় গাঁমোছা, মানপত্ৰ আৰু নগাঁৰ ধনৰ টোপোলাৰে আনুষ্ঠানিক ভাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত উপাধ্যক্ষ তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড' মইনুল হক চৌধুৰী, অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড' কন্দৰ্প নাথ, শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক ড' আকবৰ আলী আহমেদ, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক কিশোৰ কুমাৰ দেৱ নাথকে ধৰি মহাবিদ্যালয়খনৰ কেবাজনো বিষয়া কৰ্মচাৰীয়ে তথা একাশ্বে ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখযোগ্য যে, মেধাৰী ছাত্ৰ প্ৰজ্ঞান জ্যোতি দেৰ নাথ কৃষ্ণাইৰ কাষৰীয়া ভেলাখামাৰ গাঁৱৰ বাসিন্দা তথা সাংবাদিক কন্দৰ্প কুমাৰ দেৱ নাথ আৰু স্বৰ্গীয়া গীতুমণি ডেকা নাথৰ একমাত্ৰ পুত্ৰ।

নগাঁৰত লেখক নবীন কলিতাৰ তথ্য সমৃদ্ধ গ্ৰন্থ ''শ্বহীদে ৰিঙিয়াই ''আনুষ্ঠানিক উন্মোচন আৰু পবিত্ৰ বেদব্যাস দিৱস উদ্‌যাপন

অসম বার্তা, ৰহা, ২৮ জুলাই ঃ অখিল ভাৰতীয় সাহিত্য পৰিষদ নগাঁও জিলা সমিতিৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান খাগৰিজান মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। সাহিত্য পৰিষদ নগাঁও জিলা সমিতিৰ সভাপতি ড' দিলীপ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত চামওৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড' ইন্দ্ৰজিত বেজবৰুৱাদেৱে লেখক নবীন কলিতাৰ মাধ্যম আন্দোলনৰ পটভূমিত শ্বহীদ অনিল ৰবাৰ ওপৰত লেখা'' শ্বহীদে ৰিঙিয়াই ''গ্ৰন্থখন এক মাইলৰ খুটি বুলি অভিহিত কৰে। সভা অৰ্থত পাঠকে গ্ৰন্থৰ পাতত অনিল ৰবাৰ জীৱনৰ বহু অলিখিত অধ্যায়ৰ উমান পাব বুলি গাম্ভীৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে। সভাত বেদব্যাস দিবস উপলক্ষে ড' মিলন নেওগ দেৱে এক মননশীল বক্তব্য প্ৰদান কৰে। নগাঁও জিলা সমিতিৰ সচিব নবীন কলিতাই সামগ্ৰিক ভাৰে আচৰণা অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাদেৱে গ্ৰন্থখনিৰ ওপৰত হৃদয়স্পৰ্শী ভাষণ প্ৰদান কৰে। সভাত খাগৰিজান মহাবিদ্যালয় অধ্যক্ষ ড' ৰমেশ নাথ দেৱে স্বাগত ভাষণ প্ৰদান কৰে। কণ্ঠশিল্পী, গুৰু বচ্চন সিং আৰু মুকুতা ৰাজাৰ গীতেৰে অনুষ্ঠান অধিক জীপাল হৈ পৰে। কবি, বিশিষ্ট লেখক দ্বিজেন্দ্ৰ নাথ হাজৰিকা, বেলা মৌলী, জ্যোতিময়ী ৰৰুৱা, দীপ মনি ৰবা, আদিয়ে কবিতা পাঠৰ জৰিয়তে অনুষ্ঠান অধিক আকৰ্ষণীয় কৰি তোলে। সভাত দুকৰিবো অধিক লোক উপস্থিত থাকি অনুষ্ঠান সফল কৰি তোলে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফলাফলত মঙলদৈ মহাবিদ্যালয়ৰ ঐতিহাসিক সফলতা

অসম বার্তা, মঙলদৈ, ২৮ জুলাই ঃ গুৱাহাটী বিশ্ববিদ্যালয় চাৰি বছৰীয়া স্নাতক (FYUGP) পাঠ্যক্ৰমৰ ষষ্ঠ ছেমিষ্টাৰ পৰীক্ষাৰ ফলাফলত উজ্জ্বল সফলতা অৰ্জন কৰি পুনৰ এবাৰ শৈক্ষিক উৎকৰ্ষ পৰিচয় দিছে মঙলদৈ মহাবিদ্যালয়ে। বিভিন্ন বিষয়ত মহাবিদ্যালয়খনৰ একাধিক শিক্ষাৰ্থীয়ে ৰাজ্যৰ শীৰ্ষস্থান দখল কৰি দৰং জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। এই সফলতাৰ ভিতৰত সৰ্বাধিক দৃষ্টি আকৰ্ষণ কৰিছে দৰং জিলাৰ ধূলাৰ পানীয়াখাট গাঁৱৰ কৰুণা কান্ত নাথ আৰু মিনু দাস নাথৰ কন্যা শিখাশ্ৰী নাথে। মঙলদৈ মহাবিদ্যালয় ভূগোল (Dual Stream) বিভাগৰ ছাত্ৰী শিখাশ্ৰীয়ে ৯.৬০ CGPA লাভকৰি ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা মেজৰভিত্তিক শীৰ্ষ পাঁচজন শিক্ষাৰ্থীৰ তালিকাত প্ৰথম স্থান অধিকাৰ কৰি তেওঁ নিজৰ মেধা, অধ্যবসায় আৰু কঠোৰ পৰিশ্ৰমৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। ইয়াৰ উপৰিও অসমীয়া বিষয়ত মৃগাংক কলিতাই ৰাজ্যৰ ভিতৰতে চতুৰ্থ স্থান, পৰিসংখ্যা বিষয়ত আদিত্য সন্তিলাই দ্বিতীয় স্থান আৰু প্ৰাণী বিজ্ঞান বিষয়ত গীতাশ্ৰী ডেকাই চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। শিক্ষা বিষয়তো মঙলদৈ মহাবিদ্যালয়ৰ ফলাফল বিশেষভাবে উল্লেখযোগ্য। হিবকজ্যোতি নাথে দ্বিতীয় স্থান আৰু অংকিতা নাথে চতুৰ্থ স্থান লাভ কৰাৰ লগতে ৰাজনীতি বিজ্ঞান বিষয়ত অনামিকা ডেকাই তৃতীয় স্থান দখল কৰে। একে বিষয়তে ৰুণজুন ৰৰুৱা আৰু কৃষ্ণামনি ডেকাই যৌথভাবে পঞ্চম স্থান লাভকৰি মহাবিদ্যালয়খনলৈ আৰু এক গৌৰৱ কঢ়িয়াই আনে। বিশেষকৈ শিখাশ্ৰী নাথৰ ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান লাভৰ খবৰে বৃহত্তৰ ধূলা অঞ্চলত আনন্দৰ পৰিবেশ সৃষ্টি কৰিছে। শিক্ষক, অভিভাৱক, শিক্ষাবিদ, বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠন, ছাত্ৰ-যুব সংগঠন তথা স্থানীয় বাইজে কৃতী ছাত্ৰীগৰাকীক অভিনন্দন জনোৱাৰ লগতে তেওঁৰ উজ্জ্বল ভবিষ্যত কামনা কৰিছে। মঙলদৈ মহাবিদ্যালয়ৰ এই সাফল্যই সমগ্ৰ দৰং জিলাৰ শিক্ষাক্ষেত্ৰলৈ নতুন গৌৰৱ কঢ়িয়াই আনিব লগতে আগন্তুক প্ৰজন্মৰ শিক্ষাৰ্থীসকলক অধিক অনুপ্ৰাণিত কৰিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে। এই সফলতাৰ বাবে সুখ্যাতিৰে উদ্ভাসিত হোৱা সকলো কৃতী ছাত্ৰ-ছাত্ৰীক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমলা কান্ত বৰাই। তেওঁ কয় যে, শিক্ষাৰ্থীসকলৰ এই উল্লেখযোগ্য সফলতাই মঙলদৈ মহাবিদ্যালয়ৰ শৈক্ষিক উৎকৰ্ষক পুনৰ এবাৰ প্ৰতিষ্ঠা কৰিছে। কৃতী শিক্ষাৰ্থীসকলৰ কঠোৰ পৰিশ্ৰম, শিক্ষক-শিক্ষয়িত্ৰীৰ নিৰালস প্ৰচেষ্টা আৰু অভিভাৱকৰ সহযোগিতাৰ ফলতেই এইসফলতা সম্ভৱ হৈছে বুলি তেওঁ মন্তব্য কৰে। লগতে আগন্তুক সময়তো শিক্ষাৰ্থীসকলে একেধৰণৰ কৃতিত্বৰে মহাবিদ্যালয়, দৰং জিলা তথা সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

বকোৰ বন্দাপাৰাত ৰাং ছাং ৰাভা কৃষ্টি দল, বন্দাপাৰাৰ উদ্‌যোগত প্ৰথমবাৰৰ বাবে উদ্‌যাপন কৰে ৰং-ৰাই উৎসৰ ২০২৬

১০ গৰাকীলৈ ৰং-ৰাই বঁটা প্ৰদান

অসম বার্তা, বকো, ২৮ জুলাই ঃ কামৰূপ জিলাৰ বকোৰ ২৮নং বকো-ছুয় গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বন্দাপাৰাত ৰাভা জনগোষ্ঠীৰ হামজাৰ লোকনৃত্যৰ আলমত ৰাং ছাং ৰাভা কৃষ্টি দলে উদ্যাপন কৰিলে প্ৰথম বাৰ্ষিক ৰং-ৰাই উৎসৱ-২০২৬। ৰাং ছাং ৰাভা কৃষ্টি দলৰ প্ৰথম বাৰ্ষিক ১৫ দিনিয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি। ৰাং ছাং ৰাভা কৃষ্টি দলৰ সভাপতি কুশল ৰাভা আৰু সম্পাদক হিম্মত কুমাৰ ৰাভাৰ লগতে সমূহ বিষয়ৰবীয়া জনোৱা অনুসৰি বন্দাপাৰাত ৰং ছাং ৰাভা কৃষ্টি দলৰ উদ্যোগত প্ৰথমবাৰৰ বাবে ৰং-ৰাই উৎসৱ ২০২৬ সফলতাৰে উদযাপন কৰা হয়। বন্দাপাৰা ড' ভূপেন হাজৰিকা মুকলি মঞ্চত বিয়লি ২ বজাৰ পৰা আৰম্ভ হয় ৰং-ৰাই উৎসৱ। এই উৎসৱে অসমৰ ভূমিপুত্ৰ ৰাভা জনগোষ্ঠীৰ সমৃদ্ধ লোক-সংস্কৃতি, ঐতিহ্য, কৃষ্টি আৰু পৰম্পৰাক এক নতুন মাত্ৰা প্ৰদান কৰে। ইয়াৰ লগতে সমাজৰ ক্ৰীড়া, শিক্ষা, সংস্কৃতি, সংগীত, লোককলা, চলচ্চিত্ৰ, আলোকচিত্ৰ আৰু সাংবাদিকতা আদি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অবদান আগবঢ়োৱা দহগৰাকী নব প্ৰজন্মক ৰং-ৰাই বঁটাৰে সম্মান আগবঢ়োৱা হয়। যোৱা ১০ জুলাইৰ পৰা প্ৰায় ৩০০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে এই উৎসৱৰ বাবে বিশেষ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। সেই প্ৰশিক্ষণৰ ফলস্বৰূপে শিল্পীসকলে মঞ্চত পৰিবেশন কৰে ৰাভা জনগোষ্ঠীৰ ঐতিহ্যবাহী হামজাৰ নৃত্য, ছাথাৰ নৃত্য, ৰঙৰঙী নৃত্য আদি। ইয়াৰ লগতে নৃত্যজ্ঞানম কলা কেন্দ্ৰৰ নৃত্যশিল্পীসকল আৰু গোৱালপাৰা জিলাৰ বিশিষ্ট নৃত্যশিল্পী জীয়া ৰায় আৰু ভূমিত্ৰা সূত্ৰধৰৰ মনোমোহা নৃত্য পৰিবেশনেও অনুষ্ঠানত এক বিশেষ মাধুৰ্য যোগায়। উৎসৱখন আনুষ্ঠানিকভাৱে ৰঙা ফিতা কাটি মুকলি কৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ বন্দাপাৰা পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্যা মেঘালী ৰাভাই। অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট অতিথি, সমাজৰ জ্যেষ্ঠ ব্যক্তি, সংস্কৃতিপ্ৰেমী আৰু অসংখ্য দৰ্শকৰ উপস্থিতিয়ে উৎসৱখনক অধিক গৌৰৱময় কৰি তোলে। ইয়াৰ পিছতে বিভিন্ন ক্ষেত্ৰত উজ্জ্বলি উঠা দহ গৰাকী ব্যক্তিক ৰং-ৰাই বঁটা ২০২৬ আগবঢ়ায়। ৰং

সম্পাদকীয়

E20 পেট্ৰ'ল নীতি

দেশৰ প্ৰতিখন পেট্ৰ'ল পাম্পতে এতিয়া E20 ইন্ধনৰ আধিপত্য। ২০ শতাংশ ইথানল মিশ্ৰিত এই ইন্ধনক বাধ্যতামূলক কৰাৰ কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে এতিয়া প্ৰতিবাদৰ গুঞ্জৰিত হৈছে। দিল্লী টো এণ্ড ট্ৰেফিক ট্ৰান্সপোৰ্টাৰ্ছ এণ্ড ট্ৰাৱ অপাৰেটৰ্ছ এছ'চিয়েশ্যনে অহা ৪ আগষ্টত সংসদ ভৱনলৈ এক বিশাল 'সংসদ চলো' প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিছে। চালক সন্থাসমূহৰ দাবী- ইন্ধন মিশ্ৰণত মাইলেজ হ্ৰাস, ইঞ্জিনৰ সমস্যা, বক্ষণাবেক্ষণ খৰচ বৃদ্ধি- আৰু চৰকাৰী যুক্তিৰ মাজত থিয় দি আছে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰশ্ন, যাৰ উত্তৰ জনসাধাৰণে বিচাৰিছে।

চালক সন্থাসমূহে তিনিটা মূল দাবী উত্থাপন কৰিছে। প্ৰথম, E20 ইন্ধন ব্যবহাৰ কৰাৰ পিছৰে পৰা বাহনসমূহৰ ইন্ধন কাৰ্যক্ষমতা (মাইলেজ) লক্ষণীয়ভাৱে হ্ৰাস পাইছে। এক জৰীপমতে ২০২৩ চনৰ পূৰ্বৰ পেট্ৰ'ল বাহনৰ ৬৭ শতাংশ মালিকে তেওঁলোকৰ বাহনৰ মাইলেজ ১০ শতাংশতকৈও অধিক হ্ৰাস পোৱা বুলি জানিবলৈ দিছে। দ্বিতীয়, ইথানল মিশ্ৰিত ইন্ধনৰ বাবে বাহনৰ ইঞ্জিনত নানাধৰণৰ কাৰিকৰী সমস্যাই সৃষ্টি হৈছে—আঞ্জেক্টৰৰ সমস্যা, ইঞ্জিন ছিজাৰ, ইন্ধন লাইনত ক্ষয়, ৰবৰৰ চিল আৰু অঁবি বিকৃত হোৱা। তৃতীয়, এই সমস্যাবোৰৰ বাবে বাহনৰ মেৰামতি আৰু বক্ষণাবেক্ষণৰ খৰচ বহুত বৃদ্ধি পাইছে। বিশেষকৈ ২০১৫ চনৰ পূৰ্বে নিৰ্মিত বাহনসমূহ এই ২০ শতাংশ ইথানল মিশ্ৰিত পেট্ৰ'লৰ বাবে উপযুক্ত নহয় বুলি সন্থাই উল্লেখ কৰে।

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকৰীয়ে এই সমগ্ৰ বিষয়টোক লৈ নিজৰ স্থিতি স্পষ্ট ৰাখিছে। তেওঁ দাবী কৰে যে E20 ইন্ধনৰ ফলত বাহনৰ কোনো ক্ষতি হোৱা নাই— "E20 পেট্ৰ'লৰ বাবে কোনো গাড়ীৰ সমস্যা হোৱাৰ কোনো উদাহৰণ নাই। যদি আছে, এটাৰ নাম কওক।" তেওঁ কয় যে সকলো E10-সামঞ্জস্যপূৰ্ণ বাহন E20 ইন্ধন ব্যবহাৰৰ বাবে উপযুক্ত। ইথানল মিশ্ৰণে পেট্ৰ'লৰ কেলৰিফিক মান কমাই দিয়া বাবে মাইলেজৰ সামান্য হ্ৰাস হ'ব পাৰে, কিন্তু চৰৱৰ্ট্ৰাফিকত ই গুৰুত্বপূৰ্ণ নহয় বুলিও তেওঁ মন্তব্য কৰে। আনহাতে, পেট্ৰলিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে E20ক "বিস্তৃতভাবে পৰীক্ষিত, বৈজ্ঞানিকভাবে প্ৰমাণিত, আন্তঃৰাষ্ট্ৰীয়ভাবে স্বীকৃত আৰু সম্পূৰ্ণ সুৰক্ষিত ইন্ধন" বুলি অভিহিত কৰে। চৰকাৰৰ মতে ইথানল মিশ্ৰণ কাৰ্যসূচীই ১.৯৭ লাখ কোটি টকাৰ বৈদেশিক মুদ্ৰা সঞ্চয় কৰিছে, ৩১৬ লাখ মেট্ৰিক টন কৰ্বণ ডেলৰ আমদানি হ্ৰাস কৰিছে আৰু কৃষকসকলক ১.৬৬ লাখ কোটি টকা প্ৰদান কৰিছে। E20 ব্যবহাৰে E10ৰ তুলনাত প্ৰায় ৩০ শতাংশ কাৰ্বন নিৰ্গমন হ্ৰাস কৰে বুলিও চৰকাৰী দাবী। অবশ্যে, ইথানল মিশ্ৰিত পেট্ৰ'ল স্বাভাৱিকতে শুদ্ধ পেট্ৰ'লতকৈ কম খৰচী নহয় বুলিও চৰকাৰে স্বীকাৰ কৰিছে।

চালক সন্থাসমূহৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দাবী হৈছে- এখন স্বাধীন বৈজ্ঞানিক পৰ্যালোচনা অনুষ্ঠিত কৰা। চৰকাৰে কয় যে E20 ২০১৬-১৪ চনত ১.৫৩ শতাংশৰ পৰা ২০২৫-২৬ চনত ২০ শতাংশলৈ পৰ্যায়ক্ৰমে আৰু প্ৰমাণ-ভিত্তিকভাৱে কাৰ্যকৰী কৰা হৈছে। কিন্তু চালক সন্থাসমূহৰ দাবী যে এই পৰ্যালোচনাত বাহন মালিক, গ্ৰাহক, পৰিবহণ আপাৰেটৰ, বাহন নিৰ্মাতা আৰু কাৰিকৰী বিশেষজ্ঞসকলক অন্তৰ্ভুক্ত কৰা হোৱা নাই। অটোমোটিভ বিচাৰ্ছ এছ'চিয়েশান অৱ ইণ্ডিয়া (ARAI)ৰ অধ্যয়ন অনুসৰি E10ৰ বাবে ডিজাইন কৰা বাহনত E20 ব্যবহাৰ কৰিলে ধাতৱ ইন্ধন প্ৰণালীৰ ওপৰত প্ৰত্যক্ষ প্ৰভাব নপৰিলেও ৰৱৰৰ হ'জ, গাস্কেট, চিল আৰু অঁবিসমূহ সময়ৰ লগে-লগে বিকৃত হ'ব পাৰে। এই প্ৰতিবেদন প্ৰকাশ্যে উপলব্ধ নহয়- যিয়ে স্বচ্ছতাৰ প্ৰশ্নও উত্থাপন কৰে।

সন্থাসমূহে গ্ৰাহকৰ পছন্দৰ অধিকাৰো দাবী কৰিছে। তেওঁলোকৰ প্ৰশ্ন- গ্ৰাহকে কিয় শুদ্ধ পেট্ৰ'ল, E10 আৰু E20ৰ মাজত নিৰ্বাচন কৰিব নোৱাৰে? গাড়ীবোৰে কয় যে যিসকলে ইথানল মিশ্ৰিত ইন্ধন নিবিচাৰে তেওঁসকলে ১০০ শতাংশ শুদ্ধ পেট্ৰ'ল কিনিব পাৰে, কিন্তু ইয়াৰ দাম বেছি হ'ব। কিন্তু ব্যবহাৰিক ক্ষেত্ৰত বহু গ্ৰাহক এই বিকল্পৰ বিষয়ে অৱগত নহয়, আৰু শুদ্ধ পেট্ৰ'ল E20তকৈ ৪০-৫০ শতাংশ বেছি দামী। ৪ আগষ্টৰ প্ৰতিবাদে E20 নীতিৰ দিশত এক গুৰুত্বপূৰ্ণ মুখ আনে নেকি, সেয়া চাবলগীয়া। চালক সন্থাই কৈছে যে ই এক অৰাজনৈতিক, শান্তিপূৰ্ণ প্ৰতিবাদ। এই পৰিস্থিতিত চৰকাৰ আৰু চালক সন্থা উভয়েই সংলাপৰ পথ উলিওৱাই উত্তম পন্থা হ'ব। গ্ৰাহকৰ পছন্দৰ অধিকাৰ, স্বাধীন বৈজ্ঞানিক পৰ্যালোচনা আৰু পুৰণি বাহনৰ বাবে বিকল্প ইন্ধনৰ ব্যবস্থা- এই বিষয়বোৰত চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰা উচিত। দেশৰ লাখ লাখ বাহন মালিকৰ স্বাৰ্থ ৰক্ষা কৰাৰ লগতে বাষ্ট্ৰীয় স্বাৰ্থৰ কথাও মনত ৰাখি এক সুষম সমাধানৰ পথেই হ'ব বুদ্ধিমানৰ কাম।

ছাত্ৰ আন্দোলন, জননীতি আৰু সামাজিক জবাবদিহিতা

এখন সংস্কাৰমুখী সমাজ আৰু সুশাসিত ৰাষ্ট্ৰীয়ন্ত্ৰৰ স্বাৰ্থত ছাত্ৰ আন্দোলনসমূহৰ বস্তুনিষ্ঠ আৰু সমালোচনাত্মক মূল্যায়নো এইখিনিতে অপৰিহাৰ্য। ছাত্ৰ সমাজে যেতিয়া দলীয় ৰাজনীতিৰ ঊৰ্ধ্বতঁৰ অহিংস তথা গণতান্ত্ৰিক উপায়েৰে জনস্বাৰ্থজড়িত মৌলিক বিষয়সমূহ উত্থাপন কৰে তেতিয়া ই সংবিধানিক প্ৰতিষ্ঠানসমূহৰ জবাবদিহিতা বৃদ্ধি কৰাৰ লগতে জননীতি সংশোধনত ইতিবাচক ভূমিকা পালন কৰে। কিন্তু ইয়াৰ বিপৰীতে যেতিয়াই এই আন্দোলনসমূহ ঊৰ্ধ্বদলীয় ৰাজনীতিৰ মাধ্যম হৈ পৰে তেতিয়াই ইয়াৰ মূল উদ্দেশ্য বিপথগামী হয়। সন্ত্ৰাসৰূপ ধাৰণাত্মক উত্তাল কাৰ্যসূচী আৰু হিংসাত্মক পৰিবেশে শৈক্ষিক চৌহদৰ পবিত্ৰতা আৰু পাঠদান ব্যবস্থা বিনষ্ট কৰাৰ উপৰি ৰাষ্ট্ৰীয় অৰ্থনীতি আৰু সামাজিক স্থিতাৱস্থাৰ প্ৰতিও তীব্ৰ ভাবুকিৰ সৃষ্টি কৰে। সাংবিধানিক আৰু আইনী পৰিসৰৰ পৰা বিচ্যুত ছাত্ৰ সংগঠনসমূহে গণতন্ত্ৰৰ ভেটি দুৰ্বল কৰি তোলে। সেয়েহে স্বাৰ্থহিত, অহিংস আৰু গঠনমূলক সংগ্ৰামেই হ'ব লাগে ছাত্ৰ শক্তিক পৰিচালিত কৰাৰ মূল সাংবিধানিক আৰু নৈতিক মাপকাঠি।

ভাৰতীয় গণতান্ত্ৰিক শাসন ব্যবস্থা আৰু সামাজিক গঠনৰ সুদীৰ্ঘ পৰিক্ৰমাত ছাত্ৰ তথা যুৱ শক্তিয়ে সজাগ আৰু নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে। প্ৰকৃত গণতন্ত্ৰ কেবল ভোটদানৰ মাজতে আবদ্ধ হৈ নাথাকে। নাগৰিকৰ সজাগ দৃষ্টি আৰু শাসকক প্ৰশ্ন কৰাৰ সাহসেই ইয়াৰ প্ৰকৃত শক্তি। কোনো এখন দেশৰ নবপ্ৰজন্মই নিজৰ অধিকাৰ, শিক্ষা, নিযুক্তি আৰু ৰাষ্ট্ৰীয় স্বাৰ্থক কি গণতান্ত্ৰিকভাৱে যুক্তিনিষ্ঠ স্থিতি প্ৰকাশ কৰা প্ৰক্ৰিয়াই ৰাষ্ট্ৰখনৰ সমাজ আৰু প্ৰশাসনক নবচেতনা প্ৰদান কৰে। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৯(১)(ক) আৰু ১৯(১)(খ)-এ প্ৰদান কৰা বাক্ স্বাধীনতা আৰু শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰক সাৰোগত কৰি যুব সমাজে যুগ যুগ ধৰি দেশৰ নীতি-নিৰ্ধাৰণ আৰু গণতান্ত্ৰিক সংস্কাৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে।

ঐতিহাসিক প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলে দেখা যায় যে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ পৰাই ছাত্ৰ আন্দোলনৰ গুৰুত্বপূৰ্ণ উত্থান ঘটে। সমসাময়িক ধাৰণাত ছাত্ৰ আন্দোলন কেবল ৰাজনৈতিক বিদ্ৰোহ বুলি গণ্য কৰা হয় যদিও ইয়াৰ বিস্তৃত প্ৰভাৱ সামাজিক মূল্যবোধ গঠনতো বিদামান। স্বাধীনতা লাভৰ পিছতো ভাৰতৰ সামাজিক আৰু আৰ্থিক সুবন্ধাৰ ক্ষেত্ৰত ছাত্ৰ সংগঠনসমূহে ঐতিহাসিক নীতিগত ভূমিকা পালন কৰিছে। ইয়াৰ অন্যতম স্পষ্ট নিদৰ্শন হ'ল ১৯৭৯-১৯৮৫ চনৰ অসম আন্দোলন। সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত চলা এই গণ-আন্দোলনে আৰ্থজনিক অস্তিত্ব ৰক্ষাৰ সংগ্ৰামক ৰাষ্ট্ৰীয় সুৰক্ষা নীতিৰ মূলসূত্ৰলৈ ৰূপান্তৰিত কৰে। ১৯৮৫ চনৰ 'অসম চুক্তি'ৰ জৰিয়তে ভাৰতৰ প্ৰশাসনিক ব্যবস্থাত নাগৰিকত্ব প্ৰমাণৰ আইনী মাপকাঠি (NRC) আৰু সীমান্ত সুৰক্ষাৰ ধাৰণাই নতুন নীতিগত মাত্ৰা লাভ কৰে। এই আন্দোলনে প্ৰমাণ কৰে যে সুসংগঠিত আৰ্থজনিক ছাত্ৰ শক্তিয়ে সমগ্ৰ ৰাষ্ট্ৰকে নীতি-নিৰ্ধাৰণ প্ৰক্ৰিয়াক পুনৰ্নিৰীক্ষণ কৰিব পাৰে।

ছাত্ৰ সমাজৰ এনে সামাজিক আৰু প্ৰশাসনিক প্ৰভাৱ কেবল উত্তৰ-পূৰ্বাঞ্চলতেই সীমিত হৈ নাথাকি সমগ্ৰ দেশতেই ইয়াৰ ধাৰাবাহিক প্ৰতিফলন ঘটিছে। সত্তৰৰ দশকত গঢ়ি উঠা আন্দোলনসমূহে কেন্দ্ৰীয় প্ৰশাসনৰ স্থবিৰতা আৰু দুৰ্নীতিৰ বিৰুদ্ধে প্ৰচণ্ড আন্দোলনৰ সূচনা কৰিছিল। ১৯৭৩-৭৪ চনৰ গুজৰাটৰ 'নবনিৰ্মাণ আন্দোলন' আৰু ইয়াৰ পৰবৰ্তী সময়ত সমগ্ৰ উত্তৰ ভাৰতজুৰি বিস্তাৰিত জয়প্ৰকাশ নাৰায়ণৰ 'সম্পূৰ্ণ ক্ৰান্তি' আন্দোলন আছিল ভাৰতীয় গণতন্ত্ৰৰ ইতিহাসত যুগান্তকাৰী অধ্যায়। প্ৰথম অবস্থাত মহাবিদ্যালয়ৰ মাছুল বৃদ্ধি আৰু ছাত্ৰাবাসৰ অভাব-অভিযোগৰ দৰে স্থানীয় শিক্ষাকেন্দ্ৰিক সমস্যাৰ পৰা আৰম্ভ হোৱা এই ছাত্ৰ উন্মেষে ক্ৰমান্বয়ে ব্যাপক ৰাজনৈতিক সত্তা লাভ কৰে আৰু তৎকালীন একনায়কতন্ত্ৰবাদী প্ৰশাসনৰ ভেটি কঁপাই তুলিবলৈ সক্ষম হয়। এই আন্দোলনে দেশত এখন বিকল্প চৰকাৰ গঠনৰ পথ প্ৰশস্ত কৰাৰ উপৰি ভাৰতীয় ৰাজনীতিৰ মূলসূঁতিলৈ উদীয়মান, সংস্কাৰমুখী আৰু নীতিনিষ্ঠ নতুন প্ৰজন্মৰ নেতৃত্বক উত্তৰণ ঘটোৱাত নিৰ্ণায়ক ভূমিকা পালন কৰিলে।

ইফালে নৰৈৰ দশকত সামাজিক ন্যায় আৰু সংৰক্ষণ নীতিক লৈ সংঘটিত হোৱা এণ্টি-মণ্ডল আন্দোলন আৰু একবিংশ শতিকাত ২০১১ চনত আন্না হাজাৰৰে নেতৃত্বত আৰম্ভ হোৱা 'ইণ্ডিয়া এগেইনষ্ট কৰাপশান' আন্দোলনে ধাৰণাভিত্তিক সামাজিক সংগ্ৰামৰ নতুন দিশ উন্মোচন কৰে। আন্না হাজাৰৰ আন্দোলনৰ মুখ্য চালিকা শক্তি আছিল দেশৰ লাখ লাখ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অৰাজনৈতিক যুবক-যুবতী। জনমত সমীক্ষা, নীতি বিশ্লেষণ আৰু পৰবৰ্তী সময়ৰ সামাজিক গৱেষণাসমূহৰ অনুসৰি এই আন্দোলনে দেশৰ নবপ্ৰজন্মৰ মাজত ৰাজনৈতিক স্বচ্ছতা আৰু শাসন ব্যবস্থাত সততাৰ দাবীক পুনৰ সংজ্ঞায়িত কৰিছিল। ইয়াৰ পৰিণতিতে পৰবৰ্তী সময়ত 'লোকপাল আৰু লোকায়ুক্ত আইন, ২০১৩' গৃহীত হয় আৰু শাসনপ্ৰণালীত তথ্যৰ অধিকাৰ (RTI) ব্যবহাৰ কৰাৰ নতুন সংস্কৃতি আৰম্ভ হয়।

প্ৰসংগক্ৰমে বিশ্বজুৰি গণতান্ত্ৰিক সংস্কাৰ আৰু জননীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত যুব তথা ছাত্ৰ শক্তিৰ অংশগ্ৰহণ ঐতিহাসিকভাৱে প্ৰমাণিত অনুঘটক। এই শক্তিয়ে কেবল ৰাজনৈতিক প্ৰতিবাদতেই সীমাবদ্ধ নাথাকি বৈশ্বিক শাসন ব্যবস্থাত আমূল পৰিবৰ্তন আনিবলৈ চৰকাৰসমূহক বাধ্য কৰাইছে। উদাহৰণস্বৰূপে প্ৰায় ১১ নিযুত শ্ৰমিক আৰু ছাত্ৰৰ ধৰ্মঘটৰে ১৯৬৮ চনৰ পেৰিছৰ 'মে' আন্দোলনে' ফ্ৰান্সৰ অৰ্থনীতি স্তব্ধ কৰি পেলাইছিল। ইয়াৰ পৰিণতিত স্বাক্ষৰিত 'গ্ৰেনেল চুক্তি'ৰ (Grenelle Accords) যোগেদি ন্যূনতম মজুৰি ৩৫ শতাংশ বৃদ্ধি লগতে শিক্ষা তথা শ্ৰম নীতিৰ আমূল সংস্কাৰ সাধন হয়। অনুৰূপভাৱে ১৯৬০-৭০ দশকৰ ভিয়েটনাম যুদ্ধবিৰোধী আমেৰিকান ছাত্ৰ আন্দোলনে 'ষ্টুডেণ্টছ ফৰ এ ডেমক্ৰেটিক ছ'চাইটি'ৰ নেতৃত্বত শক্তিশালী জনমত গঠন কৰে। এই আন্দোলনৰ ফলতে ১৯৭৩ চনত 'ৱাৰ পাৱাৰ্ছ বিল'ৰ জৰিয়তে ৰাষ্ট্ৰপতিৰ যুদ্ধ ঘোষণাৰ কৰ্তৃত্ব সীমিত কৰি সংসদীয় নিয়ন্ত্ৰণ সাব্যস্ত কৰে। শেহতীয়াকৈ ২০১৮ চনৰ পৰা গ্ৰেটা থানবাৰ্গৰ নেতৃত্বত আৰম্ভ হোৱা 'ফ্ৰাইডে ফৰ ফিউচাৰ' আন্দোলনে বিশ্বৰ ১৫০ তকৈও অধিক দেশৰ লাখ লাখ শিক্ষাৰ্থীক একত্ৰিত কৰি ইউৰোপীয় ইউনিয়নক 'ইউৰোপিয়ান গ্ৰীণ ডীল' গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছে, যাত ২০৫০ চনৰ ভিতৰত 'নেট-জিৰ' কাৰ্বন নিৰ্গমনৰ লক্ষ্য বান্ধি দিয়া হৈছে। এই ঐতিহাসিক সমীকৰণসমূহে স্পষ্ট কৰে যে যুৱ শক্তিৰ অংশগ্ৰহণে কেবল ৰাজনৈতিক আবেগতে আবদ্ধ হৈ নাথাকে। প্ৰকৃততে ই এক বৈশ্বিক নীতিগত বিনিয়োগ। এনে জনজাগৰণে ৰাষ্ট্ৰসমূহক সাময়িক লাভালাভ পৰিহাৰ কৰি ভবিষ্যত প্ৰজন্মৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ বাধ্য কৰায়।

বৰ্তমান ডিজিটেল আহিলা আৰু সামাজিক মাধ্যমৰ বিকাশৰ ফলত ছাত্ৰ আন্দোলনৰ কৌশল আৰু সংগঠনিক ৰূপৰেখা যথেষ্ট সলনি হৈছে। পূৰ্বৰ দৰে কেবল ধৰ্ণা বা পথ অৱৰোধতেই প্ৰতিবাদ আবদ্ধ হৈ থকা নাই; সামাজিক মাধ্যম ব্যবহাৰ কৰি মুহূর্তৰ ভিতৰতে হাজাৰ হাজাৰ যুবক-যুবতীক সচেতন কৰাটো সম্ভৱ হৈ পৰিছে। ২০১৯-২০ চনৰ নাগৰিকত্ব সংশোধনী আইন বিৰোধী প্ৰতিবাদ বা বিভিন্ন নিযুক্তি পৰীক্ষাৰ অনিয়মৰ বিৰুদ্ধে হোৱা গণ প্ৰতিবাদসমূহত ডিজিটেল মঞ্চৰ অভূতপূৰ্ব ব্যবহাৰ প্ৰত্যক্ষ কৰা গৈছে। এই ডিজিটেল সজাগতাই গণতান্ত্ৰিক ব্যবস্থাক অধিক শক্তিশালী কৰাৰ লগতে প্ৰশাসনক ক্ষিপ্ৰ সিদ্ধান্ত লবলৈ বাধ্য কৰায়।

এখন সংস্কাৰমুখী সমাজ আৰু সুশাসিত ৰাষ্ট্ৰযন্ত্ৰৰ স্বাৰ্থত ছাত্ৰ আন্দোলনসমূহৰ বস্তুনিষ্ঠ আৰু সমালোচনাত্মক মূল্যায়নো এইখিনিতে অপৰিহাৰ্য। ছাত্ৰ সমাজে যেতিয়া দলীয় ৰাজনীতিৰ ঊৰ্ধ্বতঁৰ অহিংস তথা গণতান্ত্ৰিক উপায়েৰে জনস্বাৰ্থজড়িত মৌলিক বিষয়সমূহ উত্থাপন কৰে তেতিয়া ই সংবিধানিক প্ৰতিষ্ঠানসমূহৰ জবাবদিহিতা বৃদ্ধি কৰাৰ লগতে জননীতি সংশোধনত ইতিবাচক ভূমিকা পালন কৰে। কিন্তু ইয়াৰ বিপৰীতে যেতিয়াই এই আন্দোলনসমূহ উৰ্ধ্বদলীয় ৰাজনীতিৰ মাধ্যম হৈ পৰে তেতিয়াই ইয়াৰ মূল উদ্দেশ্য বিপথগামী হয়। ফলস্বৰূপে ধাবাবাহিক উত্তাল কাৰ্যসূচী আৰু হিংসাত্মক পৰিবেশে শৈক্ষিক চৌহদৰ পবিত্ৰতা আৰু পাঠদান ব্যবস্থা বিনষ্ট কৰাৰ উপৰি ৰাষ্ট্ৰীয় অৰ্থনীতি আৰু সামাজিক স্থিতাৱস্থাৰ প্ৰতিও তীব্ৰ ভাবুকিৰ সৃষ্টি কৰে। সাংবিধানিক আৰু আইনী পৰিসৰৰ পৰা বিচ্যুত ছাত্ৰ সংগঠনসমূহে গণতন্ত্ৰৰ ভেটি দুৰ্বল কৰি তোলে। সেয়েহে স্বাৰ্থহিত, অহিংস আৰু গঠনমূলক সংগ্ৰামেই হ'ব লাগে ছাত্ৰ শক্তিক পৰিচালিত কৰাৰ মূল সাংবিধানিক আৰু নৈতিক মাপকাঠি।

ছাত্ৰ আৰু যুব আন্দোলনসমূহ কেবল শাসন ব্যবস্থাৰ বিৰুদ্ধে ক্ষোভৰ বহিৰ্প্ৰকাশ নহয়। ই হ'ল প্ৰাণবন্ত গণতন্ত্ৰৰ অক্তিস্বৰ চৰ্ত।

শেহতীয়াকৈ কৰুণ কুমাৰ দেৱৰ ৰাজনীতিৰ আৰু আইনী প্ৰেক্ষাপটত এক বিশেষ বিধেয়কে ব্যাপক চৰ্চা লাভ কৰিছে। সংবাদ মাধ্যমত প্ৰকাশিত শেহতীয়া খবৰ অনুসৰি, কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসভাত এখন নতুন সংশোধনী বিধেয়ক উত্থাপন কৰাৰ প্ৰস্তুতি চলাইছে, যাৰ মূল উদ্দেশ্য হৈছে ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ৰ অবমাননাক এক কঠোৰ দণ্ডনীয় অপৰাধ হিচাপে ঘোষণা কৰা। এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ বাবে নিজৰ ৰাষ্ট্ৰীয় প্ৰতীকসমূহৰ সমান ৰক্ষা কৰাটো যিমান গুৰুত্বপূৰ্ণ, সেই প্ৰতীকসমূহৰ আইনী সুৰক্ষা সুনিশ্চিত কৰাটোও সমানেই তাৎপৰ্যপূৰ্ণ। বৰ্তমানলৈকে ভাৰতীয় আইন ব্যবস্থাত ৰাষ্ট্ৰীয় সংগীত (Jana Gana Mana) আৰু ৰাষ্ট্ৰীয় পতাকাৰ অবমাননাৰ বিৰুদ্ধে নিৰ্দিষ্ট আইনী ব্যবস্থা আছে যদিও, ৰাষ্ট্ৰীয় গীতৰ (National Song) ক্ষেত্ৰত এক স্পষ্ট আইনী শূন্যতা বিৰাজ কৰিছিল। চৰকাৰৰ এই শেহতীয়া পদক্ষেপে সেই ঐতিহাসিক আইনী সুৰঙা পূৰণ কৰাৰ দিশত এক নিৰ্ণায়ক খোজ হিচাপে বিবেচিত হৈছে। এই বিধেয়কখন কেবল এখন আইনৰ সংশোধনী নহয়, বৰঞ্চ ই ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আৰেগ আৰু সাম্প্ৰতিক সময়ৰ জাতীয়তাবাদী চিন্তাৰ এক অপূর্ব সংমিশ্ৰণ।

এই বিধেয়কখনৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ আঁৰৰ ঐতিহাসিক প্ৰেক্ষাপট বুজিবলৈ হ'লে আমি ভাৰতৰ স্বাধীনতা আন্দোলনৰ পাতলৈ উভতি যাব লাগিব। ১৮৮২ চনত সাহিত্য সম্ৰাট বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ কালজয়ী উপন্যাস 'আনন্দমঠ'ত প্ৰকাশিত 'বন্দে মাতৰম' গীতটোৰে পৰৱৰ্তী সময়ত সমগ্ৰ ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ মূল মন্ত্ৰলৈ ৰূপান্তৰিত হৈছিল। ১৯০৫ চনৰ বংগ ভংগ আন্দোলনৰ পৰা আৰম্ভ কৰি দেশ স্বাধীন হোৱালৈকে লাখ লাখ সংগ্ৰামীয়ে ডিঙিত ফাঁচীৰ জৰী পিন্ধাৰ সময়তো 'বন্দে মাতৰম' ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰিছিল। এই গীতটোৰ ঐতিহাসিক গুৰুত্ব আৰু আবেগিক মূল্যৰ প্ৰতি লক্ষ্য ৰাখিয়েই ১৯৫০ চনৰ ২৪ জানুৱাৰীত সংবিধান সভাৰ তদানীন্তন সভাপতি ডাঃ ৰাজেন্দ্ৰ প্ৰসাদে আনুষ্ঠানিকভাবে ঘোষণা কৰিছিল যে 'বন্দে মাতৰম' গীতটোৱে ৰাষ্ট্ৰীয় সংগীত 'জন গণ মন'ৰ সৈতে সমমৰ্যাদা আৰু সমাহাৰ লাভ কৰিব। অৰ্থাৎ, সাংবিধানিক দৃষ্টিকোণৰ পৰা ৰাষ্ট্ৰীয় সংগীত আৰু ৰাষ্ট্ৰীয় গীতৰ মাজত কোনো পাৰ্থক্য নাই।

কিন্তু আশ্চৰ্যজনকভাৱে, এই সাংবিধানিক সমমৰ্যাদাৰ পিছতো আইনী সুৰক্ষাৰ ক্ষেত্ৰত 'বন্দে মাতৰম' উপেক্ষিত হৈ ৰৈছিল। ভাৰত চৰকাৰে ১৯৭১ চনত 'ৰাষ্ট্ৰীয় মানৰ অবমাননা প্ৰতিৰোধ আইন' (Prevention of Insults to National Honour Act, 1971) প্ৰণয়ন কৰিছিল। এই আইনখনৰ মূল লক্ষ্য আছিল ৰাষ্ট্ৰীয় প্ৰতীকসমূহৰ প্ৰতি প্ৰদৰ্শন কৰা অবজ্ঞাক অপৰাধ হিচাপে গণ্য কৰা। আইনখনৰ অধীনত ভাৰতীয় সংবিধান, ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতৰ অবমাননাক কঠোৰ শাস্তিযোগ্য অপৰাধ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। ৰাষ্ট্ৰীয় সংগীত গোৱাত বাধা প্ৰদান কৰিলে বা গাই থকা অবস্থাত বিশৃংখলতাৰ সৃষ্টি কৰিলে ৩ বছৰলৈকে কাৰাদণ্ড বা জৰিমনা অথবা দুয়োটা দণ্ডবে দণ্ডিত কৰাৰ বিধান ৰখা হৈছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে, ১৯৭১ চনৰ এই আইনখনত ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ৰ নাম স্পষ্টভাৱে উল্লেখ কৰা হোৱা নাছিল। যাৰ ফলত দিগত দশকৰো অধিক ৰাষ্ট্ৰীয় গীত অবমাননাৰ বা তেনে কোনো বিতৰ্কৰ সৃষ্টি হ'লে আৰক্ষী বা প্ৰশাসনে কঠোৰ আইনী ব্যবস্থা গ্ৰহণ কৰাত তীব্ৰ অসুবিধাৰ সম্মুখীন হৈছিল।

শেহতীয়াকৈ উচ্চতম ন্যায়ালয় আৰু বিভিন্ন উচ্চ ন্যায়ালয়ত দাখিল হোৱা কেইবাখনো ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ (PIL) শুনানিকালতো এই আইনী শূন্যতাৰ কথা বাৰে বাৰে পোহৰলৈ আহিছিল। ন্যায়ালয়ে স্পষ্ট কৰি দিছিল যে হিতেৰু বৰ্তমান আইনত ৰাষ্ট্ৰীয় গীতৰ অবমাননাক লৈ কোনো নিৰ্দিষ্ট ধাৰা নাই, সেয়েহে কাৰোবাক আইনীভাৱে দোষী সাব্যস্ত কৰাটো কঠিন। ৰাজ্যসভাত উত্থাপন হ'বলগীয়া এই প্ৰস্তাবিত বিধেয়কখনে ১৯৭১ চনৰ আইনখনৰ এই গুৰুতৰ ত্ৰুটি আঁতৰ কৰিবলৈ গৈ আছে। এই সংশোধনীৰ জৰিয়তে ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ক ৰাষ্ট্ৰীয় সংগীতৰ সমান্তৰালভাৱে আইনী সুৰক্ষা কৰা প্ৰদান কৰা হ'ব। অৰ্থাৎ, এতিয়াৰে পৰা 'বন্দে মাতৰম' গোৱাত বা ইচ্ছাকৃতভাৱে বাধা প্ৰদান কৰা, ইয়াক বিকৃত কৰাত উপস্থাপন কৰা, বা ইয়াৰ মৰ্যাদা লাঘৱ কৰা যিকোনো কাৰ্য এক গুৰুতৰ অপৰাধ হিচাপে পৰিগণিত হোৱাৰ দিশে আগবাঢ়িছে। চৰকাৰৰ এই পদক্ষেপক দেশপ্ৰেমী জনতাই আদৰণি জনোৱাটো স্বাভাৱিক, কিয়নো ইয়াৰ জৰিয়তে স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগ আৰু বলিদানৰ প্ৰতীকস্বৰূপ গীতটোক প্ৰকৃত সন্মান জনোৱা হ'ব। শেহতীয়া বছৰসমূহত ৰাজনৈতিক সমাৰেশ বা ৰাজহুৱা অনুষ্ঠানত 'বন্দে মাতৰম' গোৱাক লৈ সৃষ্টি হোৱা অনাকাংক্ষিত বিতৰ্ক আৰু কিছুমান নিৰ্দিষ্ট গোটৰ দ্বাৰা প্ৰদৰ্শিত অবজ্ঞাই সমাজত যি অস্থিৰতাৰ সৃষ্টি কৰিছিল, এই আইনে তাক কঠোৰহাতে দমন কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে। এই বিধেয়কখনৰ ব্যবহাৰিক আৰু গাণ্ডনিক দিশটোকো আমি নিৰপেক্ষভাৱে মূল্যায়ন কৰাটো প্ৰয়োজন। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত দেশপ্ৰেম আৰু আইনৰ মাজত এক অতি স্পৰ্শকাতৰ ৰেখা থাকে। ভাৰতীয় সংবিধানৰ ৫১(

সদৌ অসম মইনা পাৰিজাতৰ কলিয়াবৰ জিলাৰ উদ্যোগত শিৰসাগৰৰ বানপীড়িত পৰিয়াললৈ সাহায্য সামগ্ৰী বিতৰণ

অসম বাৰ্তা, নুমলীগড়, ২৮ জুলাই ঃ সামাজিক দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰি সদৌ অসম মইনা পাৰিজাতৰ কলিয়াবৰ জিলা সমিতিয়ে শিৰসাগৰ জিলাৰ বানপীড়িত পৰিয়ালসমূহৰ কাষত থিয় দি বিভিন্ন অত্যাবশ্যকীয় সাহায্য সামগ্ৰী বিতৰণ কৰে। এই সাহায্য কাৰ্যসূচীৰ জৰিয়তে বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক চাউল, দইল, আলু, বিস্কুট, মিঠাতেল, নিমখৰ উপৰি বৃণ, ব্লিচিং পাউডাৰ, ফেনাইল আৰু কাপোৰ আদি নিত্যপ্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰা হয়। শিৰসাগৰ জিলাৰ ডিমৌ কিনাৰ, মাদুৰী আৰু মেছাগড় আদি বানপীড়িত অঞ্চলত এই সাহায্য বিতৰণ কাৰ্য সফলতাৰে সম্পন্ন হয়। সাহায্য বিতৰণ অনুষ্ঠানত সদৌ অসম মইনা পাৰিজাতৰ উপ-সভাপতি তথা শিশু বন্ধু পুলিন কাকতি, সহকাৰী সম্পাদক মোহন চন্দ্ৰ দত্ত দেৱ, ৰাজিক সদস্যা পূৰ্ণিমা দত্ত, শিৰসাগৰ জিলা মইনা পাৰিজাতৰ সম্পাদক গৌতম বৰা, সহকাৰী সম্পাদক ইন্দ্ৰজিত বৰগোহাঁই, মেছাগড়ৰ ফুলাম মইনা পাৰিজাতৰ বিষয়বৰীয়াসকল, কলিয়াবৰ জিলা মইনা পাৰিজাতৰ সাধাৰণ সম্পাদক পবিত্ৰ প্ৰাণ শইকীয়া, ক্ৰীড়া সম্পাদিকা ভানু শইকীয়া, কৌষৰ, সাংস্কৃতিক সম্পাদিকা ৰুমি দেৱী, কাৰ্যনিৰ্বাহ সদস্যা মুণালিনী পাঠক আৰু আঞ্জু ৰাজখোৱা উপস্থিত থাকি সাহায্য বিতৰণত সক্ৰিয় সহযোগিতা আগবঢ়ায়। এই উপলক্ষে শিৰসাগৰ জিলা মইনা পাৰিজাতৰ বিষয় ৰবীয়াসকলে কয় যে, সংকটৰ সময়ত বিভিন্ন সদাশয় ব্যক্তি আৰু সংগঠনে আগবঢ়োৱা সহযোগিতা বানপীড়িত পৰিয়ালসমূহৰ বাবে আশাৰ বতৰা কঢ়িয়াই আনিছে। যিসকল দাতা আৰু শুভানুধ্যায়ীয়ে খাদ্য-সামগ্ৰী, অত্যাৱশ্যকীয় সামগ্ৰী আৰু অন্যান্য সহায় আগবঢ়াই এই মানৱীয় প্ৰচেষ্টাত অংশগ্ৰহণ কৰিছে, তেওঁলোকৰ প্ৰতি শিৰসাগৰ জিলা মইনা পাৰিজাতৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰা হয়। সংগঠনটোৱে এইমানৰীয় পদক্ষেপে দুৰ্যোগৰ সময়ত সামাজিক ঐক্য, সহমৰ্মিতা আৰু মানৱসেৱাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে।

পেলনীয়া সামগ্ৰীৰ পুনৰ ব্যৱহাৰে গঢ়ি উঠিছে নান্দনিক পৰিবেশ

সৰুপথাৰ মহা-বিদ্যালয়ৰ ‘সৃজন কানন’

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ২৮ জুলাই ঃ পৰিবেশ সংৰক্ষণ, সৃষ্টিশীল চিন্তা আৰু সামাজিক দায়বদ্ধতাৰ এক সুন্দৰ সমন্বয় ঘটাই সৰুপথাৰ মহাবিদ্যালয়ে গঢ়ি তুলিছে এক ব্যতিক্ৰমী উদ্যোগ- ‘সৃজন কানন’। অপ্ৰয়োজনীয়ৰ আৰু পেলনীয়া সামগ্ৰীক পুনৰ ব্যৱহাৰ কৰি সৃষ্টি কৰা এই নান্দনিক উদ্যান এতিয়া মহাবিদ্যালয় খনৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰৰ দূৰদৰ্শী নেতৃত্ব আৰু সৃষ্টিশীল পৰিকল্পনাৰ ফলত মহাবিদ্যালয়খন চৌহদত এক সেউজ, পৰিচ্ছন্ন আৰু শিক্ষাসম্মত পৰিবেশৰ বিকাশ ঘটিছে। সাধাৰণতে পেলাই দিয়া টায়াৰ, প্লাষ্টিকৰ বটল, মাটিৰ পাত্ৰ, বাঁহ, শীল আদি বস্তু নতুন ৰূপত সজাই তুলি সৃষ্টিৰ এক অভিনব নিদৰ্শন দাঙি ধৰা হৈছে। ‘সৃজন কাননত প্ৰৰেশ কৰিলেই চকুত পৰে পুনঃব্যৱহাৰ কৰা টায়াৰেৰে নিৰ্মিত কুঁৰাৰ আৰ্হি, পৰম্পৰাগত মাটিৰ কলহেৰে সজোৱা পৰিবেশ, ৰঙীন বটলৰ সজ্জা, টায়াৰেৰে সজোৱা ফুলৰ বাগিচা, ৰঙীন শিল, আৰু পেলনীয়া সামগ্ৰীৰে নিৰ্মিত বিভিন্ন শৈল্পিক উপস্থাপন। প্ৰতিটো কোণেই যেন প্ৰকৃতি, শিল্প আৰু সৃষ্টিশীলতাৰ এক অনুপম মিলনস্থলী। উদ্যানখনত বিভিন্ন গছ-গছনি, ছাঁয়াময় বৃক্ষ আৰু সেউজীয়া ঘাঁহে এক মনোৰম পৰিবেশ সৃষ্টি কৰিছে। বৃক্ষত সংলগ্ন শ্ৰেৱাদায়ক বাণী, শিক্ষকৰ্ম আৰু সৃষ্টিশীল স্থাপত্যই ছাত্ৰ-ছাত্ৰীসকলক পৰিবেশৰ প্ৰতি অধিক দায়িত্বশীল আৰু ইতিবাচক চিন্তা গঢ়ি তুলিবলৈ অনুপ্ৰাণিত কৰিছে। ই কেৱল সৌন্দৰ্যবৰ্ধনৰ প্ৰয়াস নহয়, শিক্ষাৰ সৈতে মূল্যবোধ, পৰিবেশ সচেতনতা আৰু সৃষ্টিশীলতাক একেলগে আগবঢ়াই নিয়াৰ এক অনন্য প্ৰচেষ্টা। বিশ্বব্যাপী পৰিবেশ সুৰক্ষাৰ মূল ধাৰণাক বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত ‘সৃজন কাননা’ এক উজ্জ্বল উদাহৰণ। যিবোৰ সামগ্ৰী সাধাৰণতে আবৰ্জনা হিচাপে পেলাই দিয়া হয়, সেইবোৰক নতুন জীৱন দি নান্দনিক শিল্পবস্তুত পৰিণত কৰাৰ জৰিয়তে মহাবিদ্যালয়ে পৰিবেশ সুৰক্ষাৰ এক শক্তিশালী বাৰ্তা সমাজলৈ দিপাংকৰ ৰাজখুৱাই। দিনৰ ১১ বজাৰ পৰা গড়মুখ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা সভাখনত সভাপতিত্ব কৰে জিলা ছাত্ৰ সম্থাৱ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়াই। অনাতাঁৰ শিল্পী মালতী ৰু এণাৰ বৰগীতেৰে শুভাৰম্ভ হোৱা সভাখনে আঁত ধৰে সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখুৱাই। সভাখন উদ্বোধন কৰি ছাত্ৰ-ছাত্ৰী সকলক মূল্যবোধৰ শিক্ষাৰে শিক্ষিত হৈ সুস্থ সবল সমাজ গঠনত বলিষ্ঠ ভূমিকা লবলৈ আহ্বান জনায় মাজুলীখনক শৈক্ষিক, সামাজিক

১১টা বঁটাসহ মুঠ ৭০জন শিক্ষার্থীক এক লাখ ৫০ হাজাৰ টকাৰ আর্থিক জলপানি প্রদান

সদৌ মাজুলী জিলা ছাত্র সম্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান

অসম বাৰ্তা, উজনি মাজুলী, মাজুলী, ২৮ জুলাই ঃ সদৌ মাজুলী জিলা ছাত্র সম্থাই এই বর্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮৫ শতাংশ নম্বৰেৰে উত্তীর্ণ হোৱা ছাত্রছাত্রী সকলক বিশেষ অভিনন্দন অনুষ্ঠানৰ জৰিয়তে সম্বর্দ্ধনা জ্ঞাপন কৰে। জিলা ছাত্র সম্থাৰ ভাৰপ্রাপ্ত সভাপতি প্রাঞ্জল শইকীয়াই পতাকা উত্তোলনেৰে আৰম্ভ কৰা কার্যসূচীৰ খহীদ তৰ্পণ কৰে সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখুৱাই। দিনৰ ১১ বজাৰ পৰা গড়মুখ শ্রীশ্রী পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্রেক্ষাগৃহত আয়োজিত কৰা সভাখনত সভাপতিত্ব কৰে জিলা ছাত্র সম্থাৰ ভাৰপ্রাপ্ত সভাপতি প্রাঞ্জল শইকীয়াই। অনাতাঁৰ শিল্পী মালতী ৰু এণাৰ বৰগীতেৰে শুভাৰম্ভ হোৱা সভাখনে আঁত ধৰে সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখুৱাই। সভাখন উদ্বোধন কৰি ছাত্র-ছাত্রী সকলক মূল্যবোধৰ শিক্ষাৰে শিক্ষিত হৈ সুস্থ সবল সমাজ গঠনত বলিষ্ঠ ভূমিকা লবলৈ আহ্বান জনায় মাজুলীখনক শৈক্ষিক, সামাজিক

আৰু সাংস্কৃতিকভাৰে আগুৱাই নিবলৈ পৰামর্শ প্রদান কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচার্য ড° নিৰেণ বৰুৱাই। স্বাগত অভিভাষণ প্রদান কৰে জিলা ছাত্র সম্থাৰ উ পদেষ্টা সূর্য কুমাৰ ভূএাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্রদান কৰে মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক এচ, সোমালিমে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্রদান কৰে সদৌ অসম ছাত্র সম্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শর্মা, ৰাজিক কার্যনির্বাহক ৰংগৰস মহন্ত, জিলা ছাত্র সম্থাৰ উ পদেষ্টা পবিত্র গোস্বামী, অজিত হাজৰিকা, অসম উদ্যতি সভাৰ কেন্দ্রীয় সম্পাদক দুলাল ভূএাই, কেন্দ্রীয় সদস্য কমল গোস্বামী, জিলা সভাপতি ড° অৰূপ কুমাৰ ৰৰা, সাধাৰণ সম্পাদক যদু কলিতা, অসম সেনাৰ আহুয়ক দীপক নেওগ, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডব্দেবজিৎ শইকীয়া, ইউ, এম, কে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাহৰী লহকৰ ৰৰকাকে ধৰি মাজুলীৰ বিশিষ্ট শিক্ষাবিদ সকল উপস্থিত থাকে। শিক্ষা সম্পকত যদুমণি হাজৰিকাই আঁত ধৰা অনুষ্ঠানতোত মুঠ ৯০ গৰাকী ছাত্রছাত্রীক সম্বর্ধনা জ্ঞাপন কৰে। শিক্ষাকোষৰ বৈজ্ঞানী প্রদান কৰে সভাপতি ঘন নাথে। সাধাৰণ সম্পাদক ৰঞ্জিত সেনে আঁচ ধৰা শিক্ষাকোষ ৰ অনুষ্ঠান ত মাজুলীৰ আর্থিকভাবে পিছপৰা পৰিয়ালৰ মুঠ ৭০জন শিক্ষার্থীক শৈক্ষিক জলপানি প্রদান কৰা হয়। ১১টা বঁটাসহ এই বর্ষত একলাখ ৫০ হাজাৰ টকাৰ আর্থিক জলপানি প্রদান কৰে ছাত্র সংগঠনটোৱে। ২০০৬ চনতে গঠন হোৱা শিক্ষাকোষৰ তৰফৰ পৰা ২০২৬ চনলৈকে প্রায় ২২ লক্ষাধিক টকা শৈক্ষিক জীৱনৰ সুবিধার্থে প্রদান কৰিছে। আর্থিক সমস্যা শিক্ষাৰ ক্ষেত্রত কেতিয়াও হেঙাৰ হ'ব নোৱাবে তাৰপ্রতি লক্ষ্য ৰাখি সদৌ অসম ছাত্র সম্থা সদায় ছাত্র-ছাত্রীৰ কাষত সাৰথি হিচাপে থিয় দি আহিছে। ছাত্র-ছাত্রীক জলপানি প্রদান কৰি প্রতি বছৰে সদৌ মাজুলী জিলা ছাত্র সম্থাই যি মহান পদক্ষেপ লৈ আহিছে এই পদক্ষেপক মাজু লী বাসীয়ে আদৰণি জনাই আহিছে।

ধিং আৰু ভূৰাগাঁৱৰ অগ্নিনির্বাপক গাড়ী আহি পোৱালৈ ভস্মীভূত হয় বহু পৰিয়ালৰ সপোন

লাহৰীঘাটত আজিও অগ্নিনির্বাপক কেন্দ্ৰৰ অভাৰ

অসম বাৰ্তা, ভূৰাগাঁও, ২৮ জুলাই ঃ মৰিগাঁও জিলাৰ জনবহুল তথা গুৰুত্বপূর্ণ সমষ্টি লাহৰীঘাটত আজিও এটা অগ্নিনির্বাপক সেৱা কেন্দ্ৰ স্থাপন নহ'ল। সমষ্টি পুনৰ নির্ধাৰণৰ পাছত তিনি লাখৰো অধিক ভোটাৰ সম্বলিত লাহৰীঘাট অসম্বিত ভৰতে অন্যতম বৃহৎ জনবসতিপূর্ণ অঞ্চল হিচাপে পৰিগণিত হৈছে। কিন্তু দুখৰ বিষয় যে, এই বিশাল সমষ্টিটোৰ মাজমজিয়াত আজিও এটা অগ্নিনির্বাপক সেৱা কেন্দ্ৰৰ অভাৰ পূৰণ নহ'ল। ফলত সময়মতে সেৱা পোৱাত ব্যর্থ হৈছে সমষ্টিটোৰ বাইজ। বর্তমান সময়তো অঞ্চলটোত অগ্নিকাণ্ড দবে কোনো জৰুৰী কালীন দুর্ঘটনা সংঘটিত হ'লে লাহৰীঘাট বাসীয়ে ধিং বা ভূৰাগাঁৱৰ অগ্নিনির্বাপক কেন্দ্ৰৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। কিন্তু দুৰত্ব আৰু যাতায়াতৰ জটিলতাৰ বাবে অগ্নিনির্বাপক বাহিনীৰ গাড়ী আহি পাওঁতেই জুইত ভস্মীভূত হৈপৰে ভুক্তভোগীৰ ঘৰ-দুৱাৰ তথা ধন-সম্পত্তি। বিশেষকৈ নৈপৰীয়া আৰু দুর্গম অঞ্চলসমূহৰ বাইজে বহু সময়ত অগ্নিকাণ্ডত সর্বস্বান্ত হৈ আহিছে। সকলোৱে যাতায়াত আৰু যোগাযোগৰ সুবিধা হোৱাকৈ লাহৰীঘাটৰ বজাগাধোৱাত এটিনতুন অগ্নিনির্বাপক সেৱা কেন্দ্ৰ স্থাপন কৰাৰ বাবে সমষ্টিবাসীয়ে দীর্ঘদিনৰ পৰা দাবী উত্থাপন কৰি আহিছে যদিও চৰকাৰৰ উদাসীনতাৰ বাবেই বাইজৰ এই দাবীয়ে আজিও সাকাৰ ৰূপ লাভ নকৰিলে। কোনোমতে চৰকাৰেই সমষ্টিবাসীৰ এই দাবীক বিশেষ গুৰুত্ব প্রদান কৰা নাই। চৰকাৰৰ এনে উদাসীনতাৰ বাবে বিভিন্ন সময়ত বিপদত পৰিছে সমষ্টিটোৰ দুর্ঘটনা সংঘটিত হ'লে লাহৰীঘাট বাসীয়ে ধিং বা ভূৰাগাঁৱৰ অগ্নিনির্বাপক কেন্দ্ৰৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। কিন্তু দুৰত্ব আৰু যাতায়াতৰ জটিলতাৰ বাবে অগ্নিনির্বাপক বাহিনীৰ গাড়ী আহি পাওঁতেই জুইত ভস্মীভূত হৈপৰে ভুক্তভোগীৰ ঘৰ-দুৱাৰ তথা ধন-সম্পত্তি। বিশেষকৈ নৈপৰীয়া আৰু দুর্গম অঞ্চলসমূহৰ বাইজে বহু সময়ত অগ্নিকাণ্ডত সর্বস্বান্ত হৈ আহিছে। সকলোৱে যাতায়াত আৰু যোগাযোগৰ সুবিধা হোৱাকৈ লাহৰীঘাটৰ বজাগাধোৱাত এটিনতুন অগ্নিনির্বাপক সেৱা কেন্দ্ৰ স্থাপন কৰাৰ বাবে সমষ্টিবাসীয়ে দীর্ঘদিনৰ পৰা দাবী উত্থাপন কৰি আহিছে যদিও চৰকাৰৰ উদাসীনতাৰ বাবেই বাইজৰ এই দাবীয়ে আজিও সাকাৰ ৰূপ লাভ নকৰিলে। কোনোমতে চৰকাৰেই সমষ্টিবাসীয়ে

প্ৰশ্নকাকত ফাদিল বিৰোধী

অবশেষত মঙলবাৰে চকাবে লোকসভাত 'ৰাজ্যৰা পৰীক্ষা (নীতি বহিৰ্ভূত উপায় প্ৰতিবোধ) সংশোধনী বিধেয়ক, ২০২৬' উত্থাপন কৰাৰ লগে লগে সেই আলোৱাস্থাৰ অন্ত পৰে আৰু বিধেয়কখনক লৈ সদনত ব্যাপক বিতৰ্ক আৰম্ভ হয়। চকাবে এই সংশোধনী বিধেয়কৰ জৰিয়তে ২০২৪ চনত প্ৰণীত 'ৰাজ্যৰা পৰীক্ষা (নীতি বহিৰ্ভূত উপায় প্ৰতিবোধ) আইন'খন আৰু অধিক শক্তিশালী আৰু কঠোৰ কৰি তোলাৰ প্ৰস্তাৱ আগবঢ়াইছিল। বিধেয়কখনৰ মূল লক্ষ্য হৈছে প্ৰশ্নকাকত ফাদিল আৰু পৰীক্ষা সম্পৰ্কীয় অন্যান্য অনিয়মৰ সৈতে জড়িত লোকসকলক কঠোৰ শাস্তি প্ৰদান কৰা, যাৰ ভিতৰত ১০ বছৰ পৰ্যন্ত কাৰাবাস, ১০ কোটি টকা পৰ্যন্ত জৰিমনা আৰু সম্পত্তি বাজেয়াপ্ত কৰাৰ ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। লগতে পৰীক্ষা সম্পৰ্কীয় গোচৰসমূহৰ বায় দান তিনি মাহৰ ভিতৰত নিষ্পত্তি কৰিবলৈও বিধেয়কত বিশেষ ব্যৱস্থা ৰখা হৈছে। লোকসভাত বিধেয়কখন সদ্দস্ত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয় যে এই বিধেয়কে ছাত্ৰ-ছাত্ৰী আৰু যুবক-যুবতীসকলৰ কল্যাণ আৰু ভবিষ্যত সুৰক্ষাৰ প্ৰতি চকাবৰ দায়বদ্ধতাক পুনৰ দৃঢ় কৰিছে। তেওঁ উল্লেখ কৰে যে ২০২৪ চনতে মোদী চকাবে প্ৰশ্নকাকত ফাদিল বোধৰ বাবে অনৈক প্ৰণয়ন কৰি দীৰ্ঘদিনীয়া দায়িত্ব সম্পূৰ্ণ কৰিছিল, কিন্তু বিভিন্ন বাজাত এতিয়াও এই ধৰণৰ ঘটনা সংঘটিত হৈ থকাত বৰ্তমান আইনখন অধিক কঠোৰ কৰি তোলাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰে যে প্ৰস্তাবিত সংশোধনীবে পৰীক্ষা ব্যৱস্থাত অধিক স্বচ্ছতা আৰু ন্যায়পৰায়ণতা বৃদ্ধি কৰাটোৱেই মুখ্য উদ্দেশ্য। বিৰোধী দলসমূহে বিধেয়কখনৰ সমৰ্থন জনোৱাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়ায়। আৰএজপিৰ সাংসদ এনকে প্ৰেমচন্দ্ৰন বিধেয়কখন ১ ডিচেম্বৰলৈকে সাংসদসকলৰ সৈতে আলোচনাৰ বাবে প্ৰেৰণ কৰা হ'ব বুলি দাবী জনায়। ইফালে, বিগত ২০ জুলাইৰ ৰ'ক'বেৰাছ জনতা পাৰ্টিৰ নেতৃত্বত সংসদ অভিমুখে যোৱা প্ৰতিবাদী সমদলৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে আৰক্ষীৰ অমানবীয় ব্যৱহাৰৰ বিষয়টোও বিৰোধী সদস্যসকলে সদনত উত্থাপন কৰে আৰু শ্লোগান দি চকাবৰ দৃষ্টি আকৰ্ষণ কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এই প্ৰসঙ্গত গুৰুত্বপূৰ্ণ ভাষণ দিয়ে। তেওঁ কয় যে পৰীক্ষা ব্যৱস্থাৰ বিশ্বাসযোগ্যতা আৰু স্বচ্ছতা ৰাষ্ট্ৰীয় স্বাৰ্থ সৈতে জড়িত এক অতি জৰুৰী বিষয়। সেয়েহে এই বিষয়ত বিস্তৃত আলোচনা আৰু গভীৰ বিবেচনা অতি প্ৰয়োজন। তেওঁ সকলো সাংসদক যুক্তিপূৰ্ণ বিতৰ্ক অংশগ্ৰহণ কৰি নিজৰ মতামত দাঙি ধৰিবলৈ আহ্বান জনায়, যাতে প্ৰণয়ন কৰা আইনখনে পৰীক্ষা ব্যৱস্থাৰ বিশ্বাসযোগ্যতা আৰু স্বচ্ছতা নিশ্চিত কৰিব পাৰে। ইফালে, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সদনত জানিবলৈ দিয়ে যে প্ৰয়োজন সাপেক্ষে বিধেয়কখনৰ ওপৰত ৮'বলগীয়া আলোচনাৰ সময়সীমা ১০ ঘণ্টা পৰ্যন্ত বৃদ্ধি কৰিবলৈ চকাব সাজু আছে। তেওঁ কয় যে তেওঁ কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডিএমকে আৰু এনচিপিৰ নেতাসকলৰ সৈতে কথা পাতিছে আৰু সকলোৱে আলোচনা চলাই ঘণ্টাৰ পৰা আৰু ঘণ্টালৈ বৃদ্ধি কৰিবলৈ সম্মত হৈছে। প্ৰয়োজন হ'লে অধিক সময় দিয়াতো চকাবৰ কোনো আপত্তি নাই বুলি ৰিজিজুৱে স্পষ্ট কৰে। বিধেয়কখনৰ জৰিয়তে চকাবে পৰীক্ষা ব্যৱস্থাক বিশ্বাসযোগ্য আৰু স্বচ্ছতা ৰাষ্ট্ৰীয় স্বাৰ্থ সৈতে জড়িত এক অতি জৰুৰী বিষয়। সেয়েহে এই বিষয়ত বিস্তৃত আলোচনা আৰু গভীৰ বিবেচনা অতি প্ৰয়োজন। তেওঁ সকলো সাংসদক যুক্তিপূৰ্ণ বিতৰ্কত অংশগ্ৰহণ কৰি নিজৰ মতামত দাঙি ধৰিবলৈ আহ্বান জনায়, যাতে প্ৰণয়ন কৰা আইনখনে পৰীক্ষা ব্যৱস্থাৰ বিশ্বাসযোগ্যতা আৰু স্বচ্ছতা নিশ্চিত কৰিব পাৰে। ইফালে, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সদনত জানিবলৈ দিয়ে যে প্ৰয়োজন সাপেক্ষে বিধেয়কখনৰ ওপৰত ৮'বলগীয়া আলোচনাৰ সময়সীমা ১০ ঘণ্টা পৰ্যন্ত বৃদ্ধি কৰিবলৈ চকাব সাজু আছে। তেওঁ কয় যে তেওঁ কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডিএমকে আৰু এনচিপিৰ নেতাসকলৰ সৈতে কথা পাতিছে আৰু সকলোৱে আলোচনা চলাই ঘণ্টাৰ পৰা আৰু ঘণ্টালৈ বৃদ্ধি কৰিবলৈ সম্মত হৈছে। প্ৰয়োজন হ'লে অধিক সময় দিয়াতো চকাবৰ কোনো আপত্তি নাই বুলি ৰিজিজুৱে স্পষ্ট কৰে। বিধেয়কখনৰ জৰিয়তে চকাবে পৰীক্ষা পদ্ধতিক চকাবলৈ অধিক সুবিধা নবৰা মনোভাব প্ৰকাশ কৰিছে। প্ৰস্তাবিত শাস্তিসমূহ যথেষ্ট কঠোৰ আৰু ইয়াৰ দ্বাৰা প্ৰশ্নকাকত ফাদিলৰ দৰে অপৰাধ সংঘটিত কৰাত বাধা জন্মিব বুলি আশা কৰা হৈছে। লগতে গোচৰৰ দ্ৰুত নিষ্পত্তিৰ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত আস্থা বৃদ্ধি কৰিব বুলি চকাবী সুজাই জানিবলৈ দিছে। বিতৰ্ক আৰম্ভ হোৱাৰ পাছতে সদনৰ সদস্যসকলে নিজ নিজ মতামত দাঙি ধৰে, আৰু বহু সদস্যই বিধেয়কখনৰ বিভিন্ন দিশ সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰে। আগাগুৰু দিনবোৰত বাজ্যসভাত লোকসভাত এই বিধেয়কখনৰ ওপৰত গভীৰ আলোচনা অব্যাহত থাকিব, আৰু তাৰ পাছত বাজ্যসভাত গ্ৰহণ কৰি আইনমান চূড়ান্ত ৰূপ দিয়া হ'ব বুলি ধাৰণা কৰা হৈছে। সংসদৰ এই অধিবেশনত প্ৰশ্নকাকত ফাদিল বিৰোধী বিধেয়কটোক অন্যতম গুৰুত্বপূৰ্ণ এজেণ্ডা হিচাপে গণ্য কৰা হৈছে।

দুৰ্যোগত একত্ৰিত শাসক-বিৰোধী

আৰু বিৰোধী কংগ্ৰেছ দলৰ সকলো বিধায়কে একমত হে নিজৰ এমাহৰ দৰমহা বানপীড়িতসকলৰ সাহায্যৰ বাবে প্ৰদান কৰিব বুলি ঘোষণা কৰে। ইফালে, এ আই ইউ ডি এফ বিশিষ্ট বিধায়ক মজিবুৰ ৰহমানে এই ক্ষেত্ৰত বিশেষ উদাহৰণ সৃষ্টি কৰি কেৱল নিজৰ এমাহৰ দৰমহাই নহয়, ইয়াৰ উপৰিও অতিৰিক্ত ২ লাখ টকা সাহায্য হিচাপে আগবঢ়োৱাৰ কথা সদনত ঘোষণা কৰে। তেওঁ আন বিধায়কসকলক লক্ষ্য কৰি কয় যে আজিলৈকে যাতে সকলো বিধায়কে বেছিকৈ দান কৰে, তাৰ বাবে তেওঁ আহ্বান জনায়। বিৰোধী দল তৃণমূল কংগ্ৰেছৰ বিধায়ক শেফালি আলীয়েও এই উদ্যোগত একেলগে হে নিজৰ এমাহৰ দৰমহা বানপীড়িতসকলৰ বাবে প্ৰদান কৰাৰ সিদ্ধান্ত ঘোষণা কৰে। বিধায়কসকলৰ এই সংবেদনশীলতাক বিধানসভা অধ্যক্ষ বপজিৎ কুমাৰ দাসে সদনত ভূয়সী শলাগ ৰায় আৰু কয় যে এনে সময়তে সমাজৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰাটো প্ৰত্যেক জনপ্ৰতিনিধিৰ কৰ্তব্য। অন্যহাতে, নিজেপি দলে বৃধবাৰে বানপীড়িত অঞ্চলসমূহলৈ এক বৃহৎ ত্ৰাণ সামগ্ৰীৰ চালান প্ৰেৰণ কৰিব। দলটোৰ তৰফৰ পৰা ৰ লাখ ৭০ হাজাৰ মেখেলা-চাদৰ, ১ লাখ ৭০ হাজাৰ টি-ছাৰ্ট আৰু ডেৰ লাখ আঁচুৰা তিনিখন বাকাঞ্চড় জিলা-চাইল্ডলৈ, শিৰসাগৰ আৰু যোৰহাটলৈ প্ৰেৰণ কৰা হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযূষ হাজৰিকাই এই কথা সদনত ঘোষণা কৰে আৰু কয় যে কাছিলৈ বিয়লি ৪ বজাত বাজিক বিজেপি কাৰ্যালয়ৰ পৰা এই সামগ্ৰীসমূহ বাওনা কৰা হ'ব। বানৰ বিধ্বংসী প্ৰভাবৰ কথা বিবেচনা কৰি অসম বিধানসভাৰ সমস্ত কাৰ্যসূচী আওৱাই অনাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। পূৰ্বতেই জুলাইত সমাপনী মৰাৰ কথা থকা অধিবেশনৰ কাম-কাজ এতিয়া ২৯ জুলিলৈ সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। অধ্যক্ষ বপজিৎ কুমাৰ দাসে সদনত এই সিদ্ধান্ত পঢ়ি কৰি কয় যে বানত্ৰাস্ত লোকসকলৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবেই কাৰ্যসূচী আওৱাই আনা হৈছে, যাতে বিধায়কসকল নিজ নিজ সমষ্টিত গৈ ত্ৰাণ আৰু উদ্ধাৰ কাৰ্যত বেছিকৈ মনোনিবেশ কৰিব পাৰে। বিধানসভাৰ গৃহত আজি প্ৰত্যক্ষ কৰা হ'ল এখন ঐক্যবদ্ধ অসমৰ চিত্ৰ-যি'ত দল-মত নিৰ্বিশেষে সকলো বিধায়কে বানত্ৰাস্ত বাইজৰ দুখ-কষ্ট লাঘৰ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। বিৰোধী-শাসকীয় এই ঐক্য পদক্ষেপে বাজ্যবাসীৰ মাজত আশাৰ সঞ্চাৰ কৰিছে। অধ্যক্ষৰ মতে, এই সাহায্য পুঁজিৰ জৰিয়তে বানপীড়িতসকলৰ পুনৰ্বাসন আৰু প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰা কাম দ্ৰুততাৰে সম্পন্ন কৰিবলৈ সহায়ক হ'ব। বানপীড়িতসকলৰ কাষত থিয় দিয়াৰ এই মানৰীয় প্ৰয়াসক বাজ্যৰ বিভিন্ন মহলৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছে। আগন্তুক দিনবোৰত প্ৰশাসন আৰু জনপ্ৰতিনিধিসকলৰ যৌথ উদ্যোগত সাহায্য কাৰ্যসূচী আৰু অধিক গতিশীল হ'ব বুলি আশা কৰা হৈছে।

১.৭০ লাখ মেখেলা-চাদৰ, ১.৭০ লাখ

পৰা ইতিমধ্যে ১২ কোটি টকা সংগ্ৰহ কৰা হৈছে আৰু এই পৰিমাণ অতি সোনকালে 15– 16 কোটি টকালৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। এই ধৰাবাহিক বানপীড়িতসকলৰ প্ৰয়োজনীয়তা ত্ৰাণ সামগ্ৰী ক্ৰয় আৰু বিতৰণৰ কাম চলি থাকিব। বিধানসভাই শূন্যকালীন ঘণ্টাত কেইবাগৰাকীও সদস্যই কথা পাৰিছিলৈ বিষয়ে প্ৰশ্ন উত্থাপন কৰে। তাৰ প্ৰত্যুত্তৰত বিভাগীয় মন্ত্ৰী কেশৰ মহন্তই হে পীযূষ হাজৰীকাই সদনত উত্তৰ দিয়ে। তেওঁ কয় যে এইবাৰ বিগৰাণ, চৰাইদেউ আৰু যোৰহাট জিলাত হোৱা বানপানী সম্পৰ্কৰূপে প্ৰস্তুতাশিত আৰু অপ্ৰাকৃতিক। আনহাতে, যিবোৰ ঠাইত প্ৰাকৃতিকভাবে বানপানী হয় সেই অঞ্চলসমূহত এইবাৰ বিশেষ পৰিস্থিতি নাই বুলি তেওঁ দাবী কৰে। তেওঁ লগাতে কয় যে গিগত সময়ত বাজ চকাবে প্ৰায় ১৩০ কিলোমিটাৰ মাটিৰ নিৰ্মাণ কাম হাতত লৈছে আৰু বাকী থকা অংশ এইবাৰ সম্পূৰ্ণ কৰা হ'ব। সেয়ে প্ৰাকৃতিকভাবে হোৱা বানপানীৰ ৮০ শতাংশকে নিয়ন্ত্ৰণ কৰিলে চকাব সক্ষম হৈছে বুলি মন্ত্ৰীগৰাকীয়ে চকাবৰ সমৰ্থন কৰে। মন্ত্ৰীগৰাকীয়ে স্বীকাৰ কৰে যে উজনি তিনিখন জিলাত এইবাৰ অতীতৰ তুলনাত সম্পূৰ্ণ নতুন আৰু ভয়াবহ বান পৰিস্থিতি সৃষ্টি হৈছে। নাত্তিলাত ৫০ হাজাৰতকৈও অধিক লোকৰ ঘৰত পানী সোমাইছে, শিৰসাগৰত ৪০ হাজাৰতকৈ অধিক আৰু ডিমৌত 20– 25 হাজাৰ লোকৰ ঘৰ বানপানীয়ে কবলত পৰিছে। ইয়াৰ উপৰিও বৰ্তমানলৈকে ৬৮ গৰাকী লোকৰ মৃত্যু হোৱা লগতে ৮ গৰাকী লোক নিৰুদ্দেশ হৈ থকা বুলি তেওঁ উল্লেখ কৰে। শিৰসাগৰ জিলাত এককভাবে ৩০ গৰাকী লোকৰ মৃত্যু হোৱা বুলিও সদনত তথ্য প্ৰকাশ কৰে হাজৰিকাই। বানৰ সৈতে মোকাবিলা কৰিবলৈ চকাব আৰু দলীয় কৰ্মীসকলে নিৰবচ্ছিন্নভাবে কাম কৰি থকা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে সকলো বিধায়কে দিনে-নিশাই বানপীড়িতসকলৰ সুৰক্ষা আৰু উদ্ধাৰ কাৰ্যত নিয়োজিত হৈ আছে। তেওঁ লগতে জনায় যে কেন্দ্ৰীয় পৰিবেষ্টকৰ দলও ইতিমধ্যে অসমত উপস্থিত হৈ থকা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ইফালে, বিগৰাণ জিলাৰ বিধায়ক শেফালি আলীয়ে সদনত তাৰ পৰিস্থিতি সম্পৰ্কে গভীৰ আলোচনা হয় আৰু প্ৰশ্ন উত্থাপন কৰা সদস্যসকলেও মন্ত্ৰীগৰাকীৰ উত্তৰৰ পাছত সন্তুষ্টি প্ৰকাশ কৰে। বানৰ পাছত পুনৰ্বাসন আৰু দীৰ্ঘমেয়াদী পৰিকল্পনাৰ বিষয়েও আগন্তুক দিনবোৰত সদনত আলোচনা হ'ব বুলি ধাৰণা কৰা হৈছে।

অসমত উৎপাদিত দুগ্ধজাত আইচক্ৰীম

দিনবোৰতো পুৰবীয়ে প্ৰস্তুত কৰা দুগ্ধজাত আইচক্ৰীমৰ লগতে অন্যান্য সামগ্ৰী ভুটানলৈ প্ৰেৰণ কৰা হ'ব। এই আইচক্ৰীমসমূহ পশ্চিম অসম গাখীৰ উৎপাদক সমবায় সংঘ লিমিটেড (ৰামুল)ৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে আৰু নৰ্থ ইষ্ট ডেইৰী এণ্ড ফুডছ লিমিটেড (এনইডিএফএল)ৰ সহযোগত ভুটানলৈ প্ৰেৰণ কৰা হৈছে। ইফালে, মন্ত্ৰী কৌশিক বায়ে এই প্ৰস্তাবিক অসমৰ দুগ্ধ খণ্ডৰ বাবে এক উল্লেখযোগ্য সাফল্য বুলি অভিহিত কৰে। তেওঁ কয় যে পুৰবী আইচক্ৰীমৰ প্ৰতিটো পেকেট অসমৰ কৃষকসকলে উৎপাদিত গাখীৰৰ ব্যৱহাৰ কৰি প্ৰস্তুত কৰা হৈছে। যাৰ ফলত বাজাৰ দুগ্ধ পালক আৰু সমবায় সমিতিসমূহ বিশেষভাবে লাভান্বিত হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভুটানৰ গ্ৰাহকৰ চাহিদা জুলি সামগ্ৰী উৎপাদন আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত পুৰবীৰ সামগ্ৰীৰ পৰিসৰ ক্ৰমান্বয়ে সম্প্ৰসাৰণ কৰিলে অসমৰ কৃষকসকলৰ বাবে অধিক সুবিধা আহিব। দুগ্ধ খণ্ডত অসমৰ উপস্থিতি শক্তিশালী হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অসমৰ পৰা ভুটানলৈ আইচক্ৰীম ৰপ্তানিৰ এই পদক্ষেপে অসমৰ কৃষি আৰু দুগ্ধ খণ্ডক এক নতুন দিশ দিয়াৰ লগতে ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নতো সহায়ক হ'ব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীয়ে অসমৰ দুগ্ধজাত সামগ্ৰীৰ ওগণাত মান আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ ক্ষমতা প্ৰদৰ্শন কৰিছে। অসমৰ কৃষক আৰু উদ্যোগীসকলৰ বাবে এই সফলতা এক উৎসাহৰ বাতৰি হিচাপে চিহ্নিত হৈছে।

মুখ্যমন্ত্ৰীৰ উচ্চস্তৰীয় বৈঠক

হেকওৱা লোকসকলৰ পৰিয়ালৰ মানসিক কষ্ট লাঘৰ কৰাৰ দিশত গুৰুত্ব আৰোপ কৰে। এই প্ৰসঙ্গত তেওঁ এক গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি কৰে যে বানত মৃত লোকসকলৰ পৰিয়ালসমূহে যাতে মৰণোত্তৰ পৰীক্ষা (পোষ্টমৰ্টেম)ৰ দ্বাৰে জটিল আৰু কষ্টসাধ্য প্ৰক্ৰিয়াৰ বাবে অতিৰিক্ত মানসিক যন্ত্ৰণা পাবলগীয়া নহয়। সেয়ে চকৰাবীভাৱে এই পৰীক্ষা নকৰাৰ সিদ্ধান্ত লোৱা হয়। এই পদক্ষেপে শোকসন্তপ্ত পৰিয়ালসমূহক এক গুৰুত্বপূৰ্ণ মানৱীয় সকাহ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। বৈঠকতে মুখ্যমন্ত্ৰীয়ে আৰু এক গুৰুত্বপূৰ্ণ দিশত দৃষ্টি নিবদ্ধ কৰে — সাহায্য প্ৰদানৰ ক্ষেত্ৰত চকৰাবী নিয়ম-নীতিৰ মেৰপেচ যাতে বাধা স্বৰূপ নহয়। তেওঁ স্পষ্টভাবে কয় যে প্ৰশাসনিক জটিলতা আঁতৰাই ভুক্তভোগী পৰিয়ালসমূহৰ হাতত যাতে শীঘ্ৰতম সময়ত সাহায্য আগবঢ়ায়, তাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা লোৱা হ'ব। প্ৰশাসনৰ সকলো স্তৰকে দ্ৰুততাৰে কাম কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে জিলা আয়ুক্তসকলক নিজ নিজ জিলাত সাহায্য বিতৰণৰ কাম ত্বৰান্বিত কৰিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে।

২৫ বছৰত সাতগুণ বৃদ্ধি অসমৰ অৰ্থনীতি

বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই দাখিল কৰা এই তথ্যই ৰাজ্যৰ অৰ্থনৈতিক গতিপথৰ এক নিৰপেক্ষ চিত্ৰ সদনৰ সম্মুখত দাঙি ধৰে। বিত্তমন্ত্ৰীগৰাকীয়ে দাখিল কৰা পৰিসংখ্যা অনুসৰি, ২০০১-০২ বৰ্ষত অসমৰ বাজিক ঘৰুৱা উৎপাদন (জিএছডিপি) বৃদ্ধিৰ হাৰ আছিল মাত্ৰ ৪.০৭ শতাংশ। এই হাৰ ক্ৰমাগতভাৱে ওপৰমুখী হৈ ২০১১-১২ বৰ্ষত ২৭.০৫ শতাংশলৈ বৃদ্ধি পায়। ইয়াৰ মাজত ২০২০-২১ বৰ্ষত ক'ভিড মহামাৰীৰ প্ৰভাবত জিএছডিপি -২.০৩ শতাংশলৈ নামি আহিলেও পৰবৰ্তী সময়ত পুনৰ উত্থান ঘটে। ২০২৪-২৫ বৰ্ষত জিএছডিপি ১৪.৪৮ শতাংশ আৰু ২০২৫-২৬ বৰ্ষত ১৫.৮৪ শতাংশলৈ বৃদ্ধি পায়। এই পৰিসংখ্যাৰ পৰা স্পষ্ট হয় যে অসমৰ অৰ্থনীতি গত দুই দশকত এক অভূতপূৰ্ব সম্প্ৰসাৰণৰ মাজলৈ পাৰ হৈছে। অৰ্থমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে এই সময়ছোৱাত বিত্তীয় দায়বদ্ধতাও বৃদ্ধি পাইছে। বিত্তমন্ত্ৰীগৰাকীয়ে সদনত উল্লেখ কৰা অনুসৰি, ২০০১-০২ বৰ্ষত দৰমহা, পেঞ্চন আৰু ঋণৰ সুদত ৰাজস্বৰ মুঠ ৫, ২৫২ কোটি টকা ব্যয় কৰিছিল, যিটো ২০২৪-২৫ বৰ্ষত বৃদ্ধি পাই ৫৯, ২৫৮ কোটি টকালৈ হয়গৈ। অৰ্থাৎ এই খৰচ প্ৰায় চৌগুণ বাঢ়িছে। আনহাতে, বাজ্যৰ নিজা ৰাজহৰ পৰিমাণ ২০০১-০২ বৰ্ষত ১, ১১৮ কোটি টকাৰ পৰা ২০২৪-২৫ বৰ্ষত ৩৬, ২৮৩ কোটি টকালৈ উন্নীত হৈছে, যিটো প্ৰায় ষোল্লগুণ বৃদ্ধি। যদিও নিজা ৰাজহ বৃদ্ধি পাইছে, ৰাজ্যৰ মুঠ ৰাজহৰ ভিতৰত নিজা উৎসৰ অনুপাত ২০-২৪ শতাংশৰ পৰা ২৩ শতাংশ হোৱাত কেন্দ্ৰীয় কৰ আৰু অনুদানৰ পৰা আহে। আৰ্থিক সম্প্ৰসাৰণৰ লগে লগে বকেয়া ঋণৰ পৰিমাণো উল্লেখযোগ্যভাৱে বাঢ়িছে। ২০০১-০২ বৰ্ষত জিএছডিপিৰ তুলনাত মুঠ ঋণৰ হাৰ আছিল ১৬.২২ শতাংশ। বিভিন্ন সময়ত এই হাৰ ২০২০-২১ বৰ্ষত ২৩.৩৯ শতাংশলৈ বৃদ্ধি পায়। ২০২৪-২৫ বৰ্ষত এই হাৰ ১৬.৫৯ শতাংশ আৰু ২০২৫-২৬ বৰ্ষত ১৪.৩০ শতাংশলৈ নামি আহে। ২০২৫ চনৰ ৩১ মাৰ্চলৈকে ৰাজ্যৰ মুঠ ঋণৰ পৰিমাণ ১, ৬১, ৭৬১ কোটি টকা বুলি জানিবলৈ দিয়ে বিত্তমন্ত্ৰীগৰাকীয়ে। মুলধনী প্ৰাপ্তিৰ ক্ষেত্ৰত বজাৰ ঋণ বা ৰাজহা ঋণেই আটাইতকৈ ডাঙৰ অংশ। ২০২৪-২৫ বৰ্ষত মুঠ মুলধনী প্ৰাপ্তিৰ ২০.৫০ শতাংশ বজাৰ ঋণৰ পৰা আহিছিল, আনহাতে ২০২৫-২৬ বৰ্ষত এই অনুপাত ২৩.২৮ শতাংশলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। বিত্তমন্ত্ৰীগৰাকীয়ে সদনত ৰাজ্যৰ আয়-ব্যয়ৰ বিৱৰণ দাঙি ধৰি কয় যে বৃদ্ধিৰ এই গতিপথ ৰাজ্যৰ বাবে সাধাৰণতে ইতিবাচক, কিন্তু দায়বদ্ধতা আৰু ঋণৰ ভাৰ সম্পৰ্কীয় নিয়াতৈ সদাসৰ্তক হোৱাটো প্ৰয়োজন। বিধানসভাত এই তথ্য প্ৰকাশ পোৱাৰ পাছতে অৰ্থনীতি, বিত্তীয় নীতি আৰু ৰাজ্যৰ উন্নয়নৰ দিশৰ ওপৰত ৰাজনৈতিক-অৰ্থনৈতিক মহলত চৰ্চা আৰম্ভ হৈছে। বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সদনত স্পষ্ট কৰি দিয়ে যে চকাবে বিত্তীয় সংযম বজাই ৰাখি উন্নয়নমূলক খৰচ বৃদ্ধি কৰিছে, কিন্তু ঋণৰ বোজা চুপ কৰিবলৈ কেন্দ্ৰীয় অনুদান বৃদ্ধি আৰু অসম লোন ৰাজহ আৰু অধিক শক্তিশালী কৰাৰ দিশত চকাবে গুৰুত্ব আৰোপ কৰিব। আগাগুৰু দিনবোৰত বাজ্যৰ অৰ্থনীতিৰ এই গতিপথ বাজহৰা উন্নয়ন আৰু লোককল্যাণকাৰী আঁচনিত কেনেদৰে প্ৰতিফলিত হয়, সেয়া পৰ্যবেক্ষণৰ বিষয় হৈ পৰিছে।

বান পৰিস্থিতিৰ বাবে আজি

মন্ত্ৰী পীযূষ হাজৰিকাই 'অসম পৰ্যটন (উন্নয়ন আৰু পঞ্জীয়ন) সংশোধন বিধেয়ক, ২০২৬' প্ৰস্তাৱ কৰে, যিটো সদনত গৃহীত হয়। একেদৰে মন্ত্ৰী বিমল বড়াৰ যে পীযূষ হাজৰিকাই 'অসম সূক্ষ্ম, লঘু আৰু মজলীয়া প্ৰতিষ্ঠান (স্থাপন আৰু পৰিচালনৰ সুবিধা) বিধেয়ক, ২০২৬' প্ৰস্তাৱ কৰে আৰু সদনে এই বিধেয়কখনো গৃহীত কৰে। লগতে 'অসমজন বিশ্বাস ক্ষতিধান সংশোধনী বিধেয়ক, ২০২৬' আৰু 'অসম ব্যৱসায়িক সুচলতা (সংশোধন) বিধেয়ক, ২০২৬'— এই দুখন বিধেয়কো পীযূষ হাজৰিকাই প্ৰস্তাৱ কৰে আৰু সদনে এই দুখনো গ্ৰহণ কৰে। আনহাতে, মন্ত্ৰী কৌশিক বায়ে প্ৰস্তাৱ কৰা 'ওৱাহাটী উপগ্ৰহ চহৰ উন্নয়ন প্ৰাধিকৰণ বিধেয়ক, ২০২৬'খনতো গৃহীত হয়। সেইদিনাই 'অসম বাজিক বিধিমান সভাসমহক (আনহঁতৰ দৰীকৰণ) সংশোধন বিধেয়ক, ২০২৬'ও পাৰিত হয়, যিখন মন্ত্ৰী পীযূষ হাজৰিকাই প্ৰস্তাৱ কৰিছিল। ইয়াবোপৰি মন্ত্ৰী ডাঃ বণোজ পেগুৰে 'অসম বাজিক উচ্চ শিক্ষা পৰিষদ বিধেয়ক, ২০২৬' উত্থাপন কৰে, যিখন সদনত বিবেচনাধীন আছে। উল্লেখ্য যে, ৬ জুলাইৰ পৰা আৰম্ভ হোৱা অসম বিধানসভাৰ বাজেট অধিবেশনৰ বুধবাৰে অৰ্থাৎ ২৯ জুলাইত সামৰণি পৰিব। ১০ জুলাইত বাজ্য চকাবে ২০২৬-২৭ বৰ্ষৰ পূৰ্ণাংগ বাজেট দাখিল কৰিছিল। মুলতঃ ২১ দিনীয়া কাৰ্যসূচীকে আয়োজিত এই অধিবেশন ৩১ জুলাইত শেষ কৰাৰ পৰিকল্পনা আছিল, কিন্তু বাজ্যৰ সাম্প্ৰতিক ভয়াবহ বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিধানসভাৰ কাৰ্য উপদেষ্টা সমিতি (বিএচি)ৰ বৈঠকত অধিবেশন সময়সীমা দুদিন বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেয়ে,ৰ জুলাইৰ পৰিবৰ্তে ২৯ জুলাইতেই বাজেট অধিবেশনৰ সামৰণি পৰিব। বিধানসভা অধ্যক্ষ বপজিৎ কুমাৰ দাসে এই সিদ্ধান্ত সদনত অৱগত কৰি কয় যে বানপীড়িত অঞ্চলসমূহত ত্ৰাণ আৰু উদ্ধাৰ কাৰ্যত বিধায়কসকলে বেছিকৈ সময় দিব লাগে, তাৰ বাবেই অধিবেশনৰ দিন কেইদিনমান হ্ৰাস কৰা হৈছে। ইতিমধ্যে শাসকদল আৰু বিৰোধী দলৰ বিধায়কসকলে বানপীড়িতসকলৰ বাবে নিজৰ দৰমহা দান কৰাৰ লগতে বিভিন্ন সাহায্য ব্যৱস্থা গ্ৰহণ কৰিছে। আগন্তুক বুধবাৰে অধিবেশন সামৰণি পৰাৰ লগে লগে বিধায়কসকল সম্পূৰ্ণৰূপে বান পৰিস্থিতি মোকাবিলা আৰু পুনৰ্বাসন কাৰ্যত নিয়োজিত হ'ব বুলি আশা কৰা হৈছে।

এতিয়াও বানৰ কবলত শিৰসাগৰৰ

শুকাবলৈ ধৰিছে, কিন্তু গৃহস্থীন হৈ পৰা লোকসকল এতিয়াও জৰুৰী নাম, বিশুদ্ধ খোৱাপানী আৰু পিন্ধিবলৈ বস্ত্ৰৰ অভাবত দিন কটাবলগীয়া হৈছে। বানপীগুস্তিসকলৰ এই দুৰ্দশাৰ মাজতে স্থানীয় বিধায়ক অখিল গগৈয়ে প্ৰত্যক্ষভাবে ফিল্ডত নামি বাইজৰ সেৱাত ব্ৰতী হৈ আছে। বিগত কেইদিনত বিধায়কগৰাকীয়ে নাও ডিঙি প্ৰাৰিব অঞ্চলসমূহত আৰহ্ন হৈ পৰা লোকসকলক উদ্ধাৰ কৰাৰ লগতে বানত্ৰাস্তসকলে সহায় আগবঢ়োৱা পৰা নাই বুলি নিজেই স্বীকাৰ কৰিছে অখি

জাগীভকতগাঁৱত তিনিদিনীয়া যোগ কৰ্মশালাৰ সফল সামৰণি

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৮ জুলাই ঃ মনিকাঞ্চন যোগা স্পৰ্টচ এছচিয়েচনৰ উদ্যোগত অঞ্চলোদই স্কীল ইনষ্টিটিউট আৰু সামাজিক সংস্থা সুদৰমৰ সহযোগত জাগীভকতগাঁও আঞ্চলিক দুৰ্গা পূজা মণ্ডপত যোৱা ২৪ তাৰিখৰ পৰা আয়োজিত তিনিদিনীয়া গ্ৰীষ্মকালীন যোগ কৰ্মশালা আজি সামৰণি পৰে। অনুষ্ঠানটি গুভ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী শান্তনু হাজৰিকাই। উদ্বোধনী ভাষণত তেখেতে কয় ব্যক্তিৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনত যোগে সদায় ইতিবাচক ভূমিকা গ্ৰহণ কৰি অহাৰ কথা। তেখেতৰ গঠনমূলক বক্তব্যই সকলো শিক্ষার্থীক উৎসাহিত কৰাৰ লগতে এনে পদক্ষেপৰ শলাগ লয়। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক চানু গগৈয়ে বক্তব্য প্ৰদান কৰে। তিনিদিনীয়াকৈ আয়োজিত যোগ কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে অসম যোগ উদ্ভৱণ সংস্থাৰ সভাপতি বিণ্টু কুমাৰ বৰা, অঞ্চলোদয় স্কীল ইনষ্টিটিউটৰ অধ্যক্ষ, যোগ প্ৰশিক্ষক মানস প্ৰতীম শৰ্মা, নগাঁৱৰ পৰা আমন্ত্ৰিত যোগ শিক্ষয়িত্ৰী বনশ্ৰী বৈৰাগী আৰু মনিকাঞ্চন যোগা স্পৰ্টচ এছচিয়েচনৰ মুখ্য যোগ প্ৰশিক্ষক অনন্ত বৰা। আজিৰ অনুষ্ঠানত প্ৰশিক্ষার্থীসকলে একক আৰু দলীয় ভিত্তিত বিভিন্ন যোগ ক্ৰীড়া প্ৰদৰ্শন কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। অনুষ্ঠানৰ শেষত প্ৰতি গাঁৱকী যোগ প্ৰশিক্ষার্থীক একোখনকৈ মানপত্ৰ প্ৰদান কৰাৰ লগতে বিগত সময়ত এছচিয়েচনৰ তৰফৰ পৰা বাজিক আৰু ৰাষ্ট্ৰীয় পর্যায়ৰ বিভিন্ন যোগ ক্ৰীড়াত অংশগ্ৰহণ কৰি সুনাম অৰ্জন কৰা সাত গাঁৱকী খেলুৰৈক একোখনকৈ মানপত্ৰ আৰু গামোছাৰে বিশেষভাৱে অভিনন্দন জ্ঞাপন কৰা কৰে। অভিনন্দিত খেলুৰে সকল হল ক্ৰমে ৰাণী সেনাপতি, ৰিপ্সী ৰবা, তৃথুলক মিকু, তনুশ্ৰী ৰবা, ৰাজদ্বীপ সেনাপতি, ৰুচিকা গৌতম আৰু ধৃষ্টী ডেকা। অনুষ্ঠানত এছচিয়েচনৰ উপ-সভাপতি নকেন ৰবদৈ, সাংগঠনিক সম্পাদক হিমজ্যোতি গোস্বামী, সদস্য পল্লৱী গোস্বামী, মিতালী শইকীয়া, দুলু ডেকা প্ৰমুখে অভিভাৱক আৰু শুভাকাংক্ষীসকল উপস্থিত থাকে। উল্লেখ্য যে, এই বেলি মনিকাঞ্চন যোগা স্পৰ্টচ এছচিয়েচনৰ উদ্যোগত জাগীৰোড সমজিলাৰ অন্তৰ্গত বহা ৰবজাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়তো ১৭, ১৮ আৰু ১৯ তাৰিখে তিনিদিনীয়াকৈ গ্ৰীষ্মকালীন যোগ কৰ্মশালা সফলতাৰে অনুষ্ঠিত হৈ যায়।

কাটিগড়াত আত্মনির্ভৰতাৰ নতুন দিশ, এইবাৰ লিখিত প্ৰশিক্ষণ আগবঢ়াব 'বিৰাজ ৰাইজিং ডিফেন্স কেৰিয়াৰ ইনষ্টিটিউট'

অসম বার্তা, শিলচৰ, ২৮ জুলাই ঃ কাছাৰৰ কাটিগড়াৰ শিক্ষিত যুবক-যুবতীসকলক আত্মনির্ভৰ কৰি তোলাৰ লক্ষ্যৰে ২০১৭ চনত যাত্ৰা আৰম্ভ কৰিছিল বিৰাজ ৰাইজিং এছ'চিয়েশ্যান। প্ৰায় এটা দশকৰ দীঘলীয়া যাত্ৰাত সংস্থাটোৱে প্ৰশিক্ষণ গ্ৰহণ কৰি ইতিমধ্যে ৩৮জন যুবক-যুবতীয়ে ভাৰতীয় সেনাবাহিনী, বিএছএফ, চিআৰপিএফ, অসম ৰাইফল আৰু কমাণ্ডো বাহিনীৰ দৰে বিভিন্ন কেন্দ্ৰীয় নিৰাপত্তা বাহিনীত চাকৰি লাভ কৰিবলৈ সক্ষম হৈছে। এই সফলতাৰ ধাৰাক আৰু এক ধাপ আগুৱাই নিয়াৰ লক্ষ্যৰে সংস্থাটোৱে নতুন পদক্ষেপ গ্ৰহণ কৰিছে। শাৰীৰিক প্ৰশিক্ষণৰ লগতে এইবাৰ আৰম্ভ হ'ব লিখিত পৰীক্ষাৰ বিশেষ প্ৰশিক্ষণ। এই উদ্দেশ্যেই অহা ৩ আগষ্টত শুভাৰম্ভ কৰা হ'ব 'বিৰাজ ৰাইজিং ডিফেন্স কেৰিয়াৰ ইনষ্টিটিউট'। দেওবাৰে কাটিগড়াত অনুষ্ঠিত এক সংবাদমেলত এই গুৰুত্বপূর্ণ ঘোষণা কৰে বিৰাজ ৰাইজিং এছ'চিয়েশ্যানৰ কর্ণধাৰ তথা চিআৰপিএফৰ হেড কনষ্টেবল বিৰাজ মালাকাৰ আৰু ভাৰতীয় সেনাবাহিনীত কর্মৰত চিৰঞ্জিত দাসৰ সংস্থাটোৰ আন সদস্যসকলে। সংবাদমেলত তেওঁলোকে কয় যে, এতিয়ালৈকে সংস্থাটোৰ উদ্যোগত মূলতঃ শাৰীৰিক প্ৰশিক্ষণহে দিয়া হৈছিল। এই প্ৰশিক্ষণৰ ফলত বহু প্ৰাৰ্থীয়ে ফিজিকেল পৰীক্ষাত সফলতা লাভ কৰিছিল যদিও লিখিত পৰীক্ষাত পিছ পৰি থকাৰ বাবেই বহুতে চাকৰিৰ চূড়ান্ত সুযোগ হেৰুৱাবলগীয়া হৈছিল। এই বাস্তৱ অভিজ্ঞতাৰ ভিত্তিতেই নতুন এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁলোকে কয়, ''বর্তমানৰ তীব্ৰ প্ৰতিযোগিতামূলক পৰিবেশত কেবল শাৰীৰিক সক্ষমতা যথেষ্ট নহয়। লিখিত পৰীক্ষাতো সমান দক্ষতা অর্জন কৰাটো অতি প্ৰয়োজনীয়। সেই বাবে শিক্ষার্থীসকলক সর্বাংগীণভাৱে প্ৰস্তুত কৰাৰ লক্ষ্যৰে শাৰীৰিক প্ৰশিক্ষণৰ লগতে মানসম্পন্ন লিখিত প্ৰশিক্ষণলৈ ব্যৱস্থা কৰা হৈছে।'' নতুন বিৰাজ ৰাইজিং ডিফেন্স কেৰিয়াৰ ইনষ্টিটিউটত ছয় মাহীয়া এক বিশেষ পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব। এই পাঠ্যক্ৰমত পাঠ্যসূচী অনুসৰি নিয়মীয়া শ্ৰেণী, মক টেষ্ট, প্ৰশ্নপত্ৰ অনুশীলন আৰু অভিজ্ঞ প্ৰশিক্ষকসকলৰ জৰিয়তে দিক-নির্দেশনা প্ৰদান কৰা হ'ব। ইয়াৰ উপৰিও আগৰ দৰেই শাৰীৰিক প্ৰশিক্ষণো অব্যাহত থাকিব, যাতে এজন প্ৰাৰ্থীয়ে লিখিত আৰু শাৰীৰিক-উভয় পৰীক্ষাতেই সমানে দক্ষতা অর্জন কৰিব পাৰে। সংস্থাটোৰ পক্ষৰ পৰা জনোৱা হয় যে, কাটিগড়া তথা বৃহত্তৰ বৰাক উপত্যকাৰ বহু মেধাবী যুবক-যুবতী উপযুক্ত দিক-নির্দেশনা আৰু প্ৰশিক্ষণৰ অভাবত কাঙ্ক্ষিত সফলতাৰ পৰা বঞ্চিত হৈ আছিল। নতুন এই ইনষ্টিটিউটে সেই অভাৱ পূৰণত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে। বিৰাজ ৰাইজিং এছ'চিয়েশ্যানৰ এই পদক্ষেপে ইতিমধ্যে অঞ্চলটোৰ শিক্ষিত যুৱ সমাজৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে। সংস্থাটোৰ কর্তৃপক্ষই আশা প্ৰকাশ কৰে যে, ভৱিষ্যতে অধিক সংখ্যক যুবক-যুবতীয়ে ভাৰতীয় সেনাবাহিনী আৰু বিভিন্ন কেন্দ্ৰীয় নিৰাপত্তা বাহিনীত যোগদান কৰি নিজৰ কর্মজীৱন গঢ়াৰ লগতে দেশসেৱাতো উল্লেখযোগ্য অৱদান আগবঢ়াব।

সদৌ অসম মটক ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সঁজাতি দলে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে স্মাৰক-পত্ৰ

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ জুলাই ঃ অসমৰ আদিম ভূমিপুত্ৰ মটক জনগোষ্ঠীৰ একমাত্ৰ ছাত্ৰ সংগঠন সদৌ অসম মটক ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ এটি সঁজাতি দলে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাক অসম বিধানসভা চলি থকাৰ সময়তে দিছপুৰস্থিত কার্যালয়ত সাক্ষাৎ কৰে। সাক্ষাৎকালত মটক জনগোষ্ঠীৰ উন্নয়নৰ স্বার্থত কেইবাটাও গুৰুত্বপূর্ণ দাবী সম্বলিত এখনি স্মাৰক-পত্ৰ প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীয়ে উক্ত দাবীসমূহ অতি কম সময়ৰ ভিতৰতে নিষ্পত্তি কৰাৰ আশ্বাস প্ৰদান কৰাৰ লগতে সন্থাৰ আহিলনগীয়া অনুষ্ঠানত উপস্থিত থকাৰো প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ উপৰিও সন্থাৰ কেন্দ্ৰীয় মজিয়াৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীলৈ শুভেচ্ছা সম্বর্ধনা-পত্ৰ, মটক জনগোষ্ঠীয়া গামোছা আৰু সদৌ অসম মটক ছাত্ৰ সন্থাৰ স্মাৰক প্ৰদান কৰা হয়। মটক ছাত্ৰ সন্থাৰ ইতিহাস এটি গুৰুত্বপূর্ণ দিন হিচাপে বিবেচিত হৈছে বুলি উদ্যোক্তা সকলে সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে ভবিষ্যতে সন্থাৰ অন্তৰ্গানসমূহক নিস্বার্থভাৱে সহযোগিতা আগবঢ়াব বুলিও আশ্বাস প্ৰদান কৰাৰ বাবে মটক ছাত্ৰ সন্থাৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। আলোচনাত সদৌ অসম মটক ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি সঞ্জয় হাজৰিকা, ভাঃ সাধাৰণ সম্পাদক বিতুপণ দুৱৰা, কার্যকৰী সভাপতি শচীন বৰুৱা, সহঃ সম্পাদক সুলভ জ্যোতি শইকীয়া, বিত্ত সম্পাদক চম্পক গোহাঁই আদি উপস্থিত থাকে।

ডুমডুমাৰ বীৰ ৰাঘৰ মৰাণ চৰকাৰী আদর্শ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ এক মহান পদক্ষেপ; বানাক্ৰান্ত মহাবিদ্যালয়সমূহলৈ সাহায্য প্ৰদানৰ সিদ্ধান্ত

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৮ জুলাই ঃ ডুমডুমাৰ বীৰ ৰাঘৰ মৰাণ চৰকাৰী আদর্শ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই এক আদৰণীয় তথা মানৱতাৰ পৰিচয় দাঙি ধৰিছে। বর্তমান ৰাজ্যখনৰ বিশেষকৈ উজনি অসমৰ তিনিখন জিলাৰ বানপানীৰ কৰলত পৰা মহাবিদ্যালয়সমূহক তেওঁলোকে সাহায্য প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ বিষয়বৰীয়াসকলে সিদ্ধান্ত লৈছে যে, এইবাৰ মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন কার্যসূচী বা উৎসৱ-পার্বনত খৰচ কমাই দি, বাহি হোৱা ধন বানাক্ৰান্ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহায্যৰ বাবে প্ৰদান কৰা হ'ব। তেখেতসকলে লগতে জনাইছে যে, টিয়ক চিকিবি কলেজ, জাঁজী হেমচন্দ্ৰ শর্মা মহাবিদ্যালয়, শ্ৰীধৰ পিয়লি ফুকন মহাবিদ্যালয়, মনিৰাম দেৱান মহাবিদ্যালয়, চাৰিং, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, নাজিৰা মহাবিদ্যালয়, আদি মহাবিদ্যালয় সমূহৰ বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলক এই সাহায্য প্ৰদান কৰা হ'ব। মহাবিদ্যালয়খনৰ শিক্ষার্থীসকলৰ এই মহান পদক্ষেপে এতিয়া সমগ্ৰ অঞ্চলটোতে চর্চা লাভ কৰিছে। ছাত্ৰ একতা সভাৰ এই প্ৰচেষ্টাক মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ অমৰজিৎ শইকীয়াইও প্ৰশংসা কৰিছে আৰু তেওঁলোকক সম্পূর্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

ভূৰবন্ধা ৰাজহ গাঁওসমূহক মিকিৰভেটা ৰাজহ চক্ৰত সংযোগৰ চেষ্টাত তীব্ৰ প্ৰতিক্ৰিয়া; সুৰক্ষা সমিতি গঠন

অসম বার্তা, মৰিগাঁও, ভূৰবন্ধা, ২৮ জুলাই ঃ ভূৰবন্ধা ৰাজহ গাঁওসমূহক গোপনে মিকিৰভেটা ৰাজহ চক্ৰত সংযোগ কৰাৰ চেষ্টাক লৈ ভূৰবন্ধা বাসীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। এই সন্দর্ভত আজি ভূৰবন্ধা ৰাস মন্দিৰ প্ৰাঙ্গণত এখনি বাই জমেল অনুষ্ঠিত কৰি স্থানীয় বাইজে একত্ৰিত হৈ তীব্ৰ আপত্তি প্ৰকাশ কৰে। সভাত উপস্থিত বহু সংখ্যক বাইজে এই পদক্ষেপক ভূৰবন্ধা স্বার্থবিৰোধী আৰু অবৈধ বুলি অভিহিত কৰি চৰকাৰৰ ওচৰত তাৎক্ষণিক হস্তক্ষেপ দাবী জনায়। ৰাইজমেলত বক্তাসকলে কয় যে, ভূৰবন্ধা ৰাজহ গাঁওসমূহ দীর্ঘদিন ধৰি মৰিগাঁও ৰাজহ চক্ৰৰ অন্তর্গত হৈ আছে আৰু এই ব্যৱস্থাৰ পৰিবর্তন কৰিলে সাধাৰণ বাইজে বহু অসুবিধাৰ সম্মুখীন হ'ব লাগিব। বিশেষকৈ ভূমি-সম্পর্কীয় কাম-কাজ, চৰকাৰী সুবিধা লাভ আৰু প্ৰশাসনিক যোগাযোগৰ ক্ষেত্ৰত জটিলতা বৃদ্ধি পাব বুলি তেওঁলোকে উল্লেখ কৰে। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সভাত "ভূৰবন্ধা সুৰক্ষা সমিতি" নামেৰে এখনি সমিতি গঠন কৰা হয়। সমিতিখনৰ জৰিয়তে আগন্তুক দিনত এই বিষয়ত অধিক সংগঠিতভাবে আন্দোলন গঢ়ি তোলাৰ লগতে চৰকাৰৰ আগত দাবী উত্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত এক মতহৈ সিদ্ধান্ত লোৱা হয় যে, ভূৰবন্ধা ৰাজহ গাঁওসমূহক আগৰ দৰে মৰিগাঁও ৰাজহ চক্ৰতে ৰাখিবলৈ চৰকাৰে যথাযথ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অন্যথা আগন্তুক দিনত তীব্ৰ গণআন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়া ভূৰবন্ধা বাসীয়ে।

তামাৰহাটৰ উজান পেটলাত অবৈধ বালি-মাটি কঢ়িওৱাৰ অভিযোগত দুখন ডাম্পাৰ আৰু দুখন জেচিবি জব্দ

অসম বার্তা, গোলকগঞ্জ, ২৬ জুলাই ঃ ধুবুৰী জিলাৰ তামাৰহাটৰ উজান পেটলা অঞ্চলত গংগাধৰ নদীৰ পৰা অবৈধভাৱে বালি-মাটি কঢ়িয়াই অনাৰ অভিযোগত দুখন ডাম্পাৰ আৰু দুখন জেচিবি স্থানীয় বাইজে আটক কৰি বন বিভাগৰ জিম্মাত গতাই দিয়াৰ ঘটনা সংঘটিত হৈছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, গংগাধৰ নদীৰ পৰা বালি-মাটি ভর্তি কৰি অহা বাহনসমূহ বাইজে বাধা দি আটক কৰে। পিছত বাহনসমূহ আলোকবাৰি বন বিভাগৰ জিম্মাত চমজাই দিয়া হয়। জব্দকৃত ডাম্পাৰ দুখনৰ নম্বৰ হৈছে NL02AA0077 আৰু AS15AC0695। আনহাতে, জব্দকৃত জেচিবি দুখনৰ নম্বৰ হৈছে ML13A6115 আৰু AS16N8575। ইফালে, বন বিভাগে জব্দকৃত বাহনসমূহ নিজৰ জিম্মাত লৈ ঘটনাটোৰ তদন্ত অব্যাহত ৰাখিছে। অভিযোগসমূহৰ সত্যতা নিৰূপণ কৰি প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বিভাগীয় সূত্ৰে জানিবলৈ দিয়ে।

শিৱসাগৰত গাঁৱে-গাঁৱে বানাক্ৰান্তক খাদ্য-সামগ্ৰী ও দৈনিক প্ৰয়োজনীয় সামগ্ৰী বিতৰণ

গণক আদর্শ গাঁও যুব সমাজৰ অনন্য পদক্ষেপ

অসম বার্তা, চেলেংহাট, ২৮ জুলাই ঃ শিৱসাগৰ জিলাৰ নামতি চাবি আলি গণক "আদর্শ গাঁও যুব সমাজ"ৰ উদ্যোগত আজি জিলাখনৰ প্ৰায় দুই সহস্ৰাধিক বানাক্ৰান্ত ৰাইজৰ মাজত জৰুৰী সাহায্য সামগ্ৰী প্ৰদান কৰা হয়। দুর্গশুণ্ডত লোকসকলৰ খাদ্য সামগ্ৰীৰ উপৰিও বস্তু আৰু দৈনিক প্ৰয়োজনীয় বিভিন্ন সামগ্ৰী বিতৰণ কৰা দেখা যায়। জানিব পৰা মতে, বানপীড়িতসকলক সহায় কৰাৰ উদ্দেশ্যে "আদর্শ গাঁও যুব সমাজ"ৰ সদস্যসকলে বিগত দুটা দিন ধৰি অশেষ কষ্ট স্বীকাৰ কৰি সমগ্ৰ গাঁওখনৰ পৰা এই সাহায্য সামগ্ৰীসমূহ সংগ্ৰহ কৰিছিল যুবক সকলৰ এই স্বতঃস্ফূর্ত আৰু নিস্বার্থ প্ৰচেষ্টাক স্থানীয় বাইজে ভূয়সী প্ৰশংসা কৰিছে। প্ৰাকৃতিক দুর্যোগৰ এনে সংকটজনক সময়ত অনুষ্ঠিত এই বিশেষ কার্যসূচীত গণক আদর্শ গাঁও যুব সমাজৰ বহু কেইগৰাকী বিষয়া-বৰীয়া তথা সদস্য উপস্থিত থাকে। তেওঁলোকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি সমগ্ৰ বিতৰণ প্ৰক্ৰিয়াটো অত্যন্ত শৃংখলাবদ্ধ আৰু সুচাৰুৰূপে সম্পাদন কৰাত বিশেষ ভূমিকা পালন কৰে। যুব সমাজখনৰ এনে মানৱীয় পদক্ষেপে প্ৰতিগাঁৱকী বানপীড়িত লোকক আশাৰ ৰেঙণি যোগোৱাৰ লগতে সমাজখনলৈ এক ইতিবাচক বার্তা প্ৰেৰণ কৰিছে।

গোৰেশ্বৰ বাঙালীপাৰা চ'ক বজাৰত অবিষাক্ত মোচোৱা গোম সাপ উদ্ধাৰ

অসম বার্তা, গোৰেশ্বৰ, ২৮ জুলাই ঃ তামোলপুৰ জিলাৰ গোৰেশ্বৰ বাঙালীপাৰা চ'ক বজাৰৰ মাজমজিয়াত আজি এটা অ-বিষাক্ত মোচোৱা গোম সাপ উদ্ধাৰ কৰা হয়। জানিব পৰা মতে, বিয়লিৰ ভাগত এজন ব্যবসায়ীয়ে নিজৰ গুদামত জমা কৰি ৰখা কেঁচা সামগ্ৰী আনিবলৈ যাওঁতে প্ৰকাণ্ড আকাৰৰ সাপডাল প্ৰত্যক্ষ কৰে। লগে-লগে তেওঁ হৈ-চৈ কৰাত অঞ্চলটোত কিছু সময়ৰ বাবে আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। এই সময়ত একাংশ লোকে সাপডাল মাৰিবলৈ উদ্যত হৈছিল। কিন্তু স্থানীয় সচেতন ব্যক্তি প্ৰকাশ পৌড়েল, বিপ্লৱ চিৱৰীয়া আদি কেইবাজনো ব্যক্তিৰ তৎপৰতাত বন বিভাগক খবৰ দিয়া হয়। খবৰ পোৱাৰ পাছতে বন বিষয়া কীর্তি সুন্দৰ দৈমাৰীৰ তত্ত্বাবধানত গোৰেশ্বৰ বন বিভাগৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ সাপডাল সুৰক্ষিতভাৱে উদ্ধাৰ কৰে। পিছত বন বিভাগে সাপডাল অ-বিষাক্ত মোচোৱা গোম সাপ বুলি চিনাক্ত কৰি নিৰাপদ স্থানত মুকলি কৰি দিয়ে। বন বিভাগে বন্যীয়া প্ৰাণী দেখা পালে আতংকিত বা আক্ৰমণ নকৰি তৎক্ষণাত বিভাগক অৱগত কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

অখিল ভাৰত মহিলা সম্মিলন, নুমলীগড় শাখাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰী মাজত আকস্মিক বক্তৃতা আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা সম্পন্ন

অসম বার্তা, নুমলীগড়, ২৮ জুলাই ঃ অখিল ভাৰত মহিলা সম্মিলন, নুমলীগড় শাখাৰ উদ্যোগত ২৬ জুলাইত দ নুমলীগড় ঠাকৱাৰী মন্দিৰৰ প্ৰেক্ষাগৃহত আয়োজন কৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আকস্মিক বক্তৃতা আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা। অসমীয়া, হিন্দী আৰু ইংৰাজী- এই তিনিটা মাধ্যমত অনুষ্ঠিত প্ৰতিযোগিতাত নুমলীগড় অঞ্চলৰ প্ৰায় অর্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। পর্যবেক্ষক আৰু বিচাৰক হিচাপে উপস্থিত আছিল নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মৌচুমী গগৈ। অনুষ্ঠানৰ অন্তত বিজয়ীসকলক মানপত্ৰ আৰু পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানটোৰ আঁত ধৰি আগবঢ়োৱা আৰু পৰিচালনা কৰিছিল শাখাৰ অধ্যক্ষা মনিষা চৌধুৰী, প্ৰিয়ংকা শর্মা আৰু শাখাৰ মহিলা সদস্যাসকল।

স্বাস্থ্য মন্ত্ৰী অশোক সিংহলৰ নাজিৰা, শিৱসাগৰ, ডিমৌৰ বানাক্ৰান্ত অঞ্চল, সাহায্য আৰু স্বাস্থ্য শিৱিৰ পৰিদর্শন

ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২৮ জুলাই ঃ অসমৰ স্বাস্থ্য আৰু পৰিষালন কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মাননিয় মন্ত্ৰী অশোক সিংহলে আজি শিৱসাগৰ স্বাস্থ্য সাহায্য আৰু বান সাহায্য শিৱিৰ পৰিদর্শন কৰি আশ্ৰয় গ্ৰহণ কৰা বানপীড়িত লোকসকলৰ সৈতে মত-বিনিময় কৰে। শিৱিৰত স্বাস্থ্য বিভাগে আগবঢ়াই থকা চিকিৎসা সেৱা, ঔষধ বিতৰণ, ৰোগ প্ৰতিৰোধমূলক ব্যৱস্থা আৰু আদি সম্পর্কে বুজ দিয়া। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে শিৱসাগৰ জিলাৰ নাজিৰাৰ লক্ষ্মীনগৰ আৰু ডিমৌ সমষ্টিৰ বেতবাৰী-আলিমুৰস্থিত বান সাহায্য শিৱিৰ পৰিদর্শন কৰি বানপীড়িত পৰিয়ালসমূহৰ স্বাস্থ্যৰ বুজ লয়। শিৱিৰসমূহত চিকিৎসা দলসমূহে আগবঢ়াই থকা স্বাস্থ্যসেৱা, ঔষধৰ উপলব্ধতা, বিশুদ্ধ খোৱাপানী, অনাময় ব্যৱস্থা আৰু ৰোগ প্ৰতিৰোধমূলক ব্যৱস্থাসমূহৰ বিষয়ে খবৰ লোৱাৰ লগতে বানপীড়িত লোকসকলৰ সৈতে মত-বিনিময় কৰে। পৰৱৰ্তী সময়ত মন্ত্ৰীগৰাকীয়ে ডিমৌ আদর্শ চিকিৎসালয় পৰিদর্শন কৰি চিকিৎসালয়খনৰ বিভিন্ন বিভাগ, বহির্বিভাগ, উপলব্ধ স্বাস্থ্যসেৱা আৰু আন্তঃগাঁথনিৰ পর্যালোচনা কৰে। বহির্বিভাগত উপস্থিত ৰোগী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ সৈতে মত-বিনিময় কৰি চিকিৎসা সেৱাৰ মানদণ্ড সম্পর্কে মতামত গ্ৰহণ কৰে। ইয়াৰ লগতে চিকিৎসালয়খনৰ উ প-অধীক্ষক ডাঃ ৰূপম বৰকাকে, জেষ্ঠ চিকিৎসকসকল আৰু বিষয়ৰবীয়াসকলৰ সৈতে অনুষ্ঠিত পর্যালোচনা বৈঠকত চিকিৎসা সেৱাৰ গুণগত মান অধিক উন্নত কৰাৰ বাবে বিভিন্ন বিষয়ত বিস্তৃত আলোচনা কৰে। চিকিৎসালয় পৰিদর্শনৰ সময়ত মন্ত্ৰীগৰাকীয়ে চিকিৎসক ডাঃ সুবঞ্জিৎ গিৰিৰ সৈতে সর্পদংশনৰ সুচিকিৎসা আৰু চিকিৎসালয়খনত সর্পদংশনত শূন্য মৃত্যু নিশ্চিত কৰাৰ সফলতা সম্পর্কে ও আলোচনা কৰে। লগতে চিকিৎসালয়খনৰ বিভিন্ন অভাব-অভিযোগ আৰু প্ৰয়োজনীয় আন্তঃগাঁথনি উন্নয়ন বিষয়েও বুজ লয়। এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা অতি শীঘ্ৰে গ্ৰহণ কৰি সমস্যা সমাধানৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ আশ্বাস প্ৰদান কৰে। পৰিদর্শনৰ অন্তত সংবাদ মাধ্যমৰ সৈতে মত-বিনিময় কৰি মাননিয় মন্ত্ৰীগৰাকীয়ে কয় যে বানপীড়িত অঞ্চলসমূহত স্বাস্থ্যসেৱা যাতে কোনো পৰিস্থিতিত ব্যাহত নহয়, তাৰ বাবে বাজ্য চৰকাৰে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। চিকিৎসক, স্বাস্থ্যকর্মী, মোবাইল মেডিকেল টীম, প্ৰয়োজনীয় ঔষধ আৰু অন্যান্য স্বাস্থ্যসামগ্ৰী পর্যাপ্ত পৰিমাণে উপলব্ধ কৰা হৈছে আৰু বান পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে এইব্যৱস্থা অব্যাহত থাকিব। আজিৰ পৰিদর্শনত মন্ত্ৰীগৰাকীৰ সৈতে অসম চৰকাৰৰ মন্ত্ৰী সুশান্ত ৰবগোহাঁই, স্বাস্থ্য আৰু পৰিষাল কল্যাণ বিভাগৰ আয়ুক্ত-সচিব ডাঃ পি. অশোক বাবু, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ মিছন সঞ্চালক ডাঃ লক্ষ্মণ এছ., পৰিষাল কল্যাণ সঞ্চালক শ্ৰী কমলজিৎ তালুকদাৰ, ৰাজ্যিক কর্মসূচী প্ৰবন্ধকদ্বীপজ্যোতি ডেকা, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মাখন কলিতা, স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত শ্ৰী ৰুনাময় ভৰদ্বাজ, চিকিৎসক, স্বাস্থ্যকর্মী আৰু অন্যান্য সংশ্লিষ্ট বিষয়সকল উপস্থিত আছিল।

প্ৰাক্তন অধীক্ষক তথা অগপ নেতা আলহাজ মৌলানা আবুল কালাম আজাদৰ বিয়োগ

অসম বার্তা, ৰূপহীহাট, ২৮ জুলাই ঃ ৰূপহীহাটৰ পশ্চিম শালপাৰা গাঁৱৰ তথা ৰূপহী ছিনিয়ৰ মাদ্ৰাছাৰ প্ৰাক্তন অধীক্ষক আলহাজ মৌলানা আবুল কালাম আজাদৰ আজি ৰাতিপুৱা নিজ বাসভবনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ। তেওঁৰ মৃত্যুৰ বাতৰিয়ে অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ঘৰত আত্মীয় স্বজনৰ লানি নিছিগা সোঁত বৱলৈ ধৰে। তেওঁ ৰূপহী ছিনিয়ৰ মাদ্ৰাছাৰ অধীক্ষক পদৰ পৰা ২০১২ চনত অবসৰ গ্ৰহণ কৰিছিল। চাকৰি কালত তেওঁ নিজৰ দায়িত্ব অতি নিষ্ঠা আৰু সততাৰে পালন কৰিছিল। অবসৰ গ্ৰহণৰ পিছতে তেওঁ সমাজৰ নানা অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। ৰাজনৈতিক ক্ষেত্ৰত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ অতি ঘনিষ্ঠ আছিল। অগপ দলত তেওঁৰ বহু অবদান আছে। অগপ দলৰ নিষ্ঠাবান নেতাজনৰ বিয়োগত দলটোৰ বহু ক্ষতি হৈছে। তেওঁৰ মৃত্যুত ৰূপহী ছিনিয়ৰ মাদ্

পুনৰ বৃদ্ধি পাব পাৰে ধনশিৰি নদীৰ জলপৃষ্ঠ

কেন্দ্ৰীয় জল আয়োগৰ জাননীত পুনৰ সকলোকে সতৰ্ক থকাৰ আহ্বান

অসম বাৰ্তা,নুমলীগড়, ২৮ জুলাই ঃ পুনৰ বৃদ্ধিমুখী হ'ব পাবে নুমলীগড়ত ধনশিৰি নদীৰ জলপৃষ্ঠ। জলমগ্ন হ'ব পাবে গোলাঘাট জিলাৰ নৈ পৰীয়া নিম্নাংশ। কেন্দ্ৰীয় জল আয়োগৰ উজনি ব্ৰহ্মপুত্ৰ বিভাগে এক জাননী যোগে দিয়াংচ জলবিদ্যুৎ প্ৰকল্প নাগালেগুৱ বাবে নতুনকৈ আজি বতৰৰ আগজাননী প্ৰকাশ কৰিছে। ২৭ জুলাই তাৰিখে বিয়লি ৪-০০ বজাত প্ৰকাশ কৰা এই জাননী অনুসৰি আহ ২৪ ঘণ্টাত দিয়াংচ জলাধাৰলৈ পানীৰ প্ৰবাহ বৃদ্ধি হোৱাৰ সম্ভাবনা আছে। সোমবাৰে (২৭ জুলাই) আবেলি ৪ বজাত জাৰি কৰা বতৰৰ আগজাননীত উল্লেখ কৰা অনুসৰি, বৰ্তমান দিয়াংচ জলাধাৰৰ পানীৰ স্তৰ ৩২২.৪৮ মিটাৰ আছে। কিন্তু ২৮ জুলাই আবেলি ৩ বজালৈকে এই জলাধাৰলৈ গড়ে ২৬৮.১৬ কিউমেক পানী প্ৰৱেশ কৰাৰ পূৰ্বাভাস দিয়া হৈছে। এই সময়ছোৱাত মুঠ ২৩.১৭ মিলিয়ন ঘনমিটাৰ (MCM) পানী জলাধাৰলৈ আহিব পাৰে বুলিও কেন্দ্ৰীয় জল আয়োগে পূৰ্বাভাস দিয়া হৈছে। উল্লেখযোগ্য যে দিয়াং জলাধাৰলৈ পানীৰ প্ৰবাহ বৃদ্ধি পালে পৰবৰ্তী সময়ত জলাধাৰৰ পৰা অধিক পৰিমাণৰ পানী এৰি দিবলগীয়া পৰিস্থিতি সৃষ্টি হ'ব পাবে। ইয়াক ফলত ধনশিৰি নদীৰ তলৰ অংশৰ জলস্তৰ প্ৰভাবিত হোৱাৰ সম্ভাবনা আছে। সেয়েহে গোলাঘাট জিলাৰ, বোকাখাত, নুমলীগড় আৰু ধনশিৰি নদীৰ পাৰৰ নিম্নাঞ্চলৰ বাসিন্দাসকলক পৰিস্থিতিৰ ওপৰত তীক্ষ্ণনজৰ ৰাখিবলৈ আৰু প্ৰশাসনে জাৰি কৰা যিকোনো সতৰ্কবাণী মানি চলিবলৈ এই জাননীত অনুৰোধ জনোৱা হৈছে।

ভূৰবন্ধাত উত্তাল প্ৰতিবাদ; ৰাজপথ অৱৰোধ কৰি টায়াৰ জ্বলাই ক্ষোভ প্ৰকাশ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৮ জুলাই ঃ মৰিগাঁও জিলাৰ ভূৰবন্ধা গাঁও পঞ্চায়তৰ অন্তৰ্গত কেইবাখনো গাঁওক মৰিগাঁও ৰাজহ চক্ৰৰ পৰা মিকিৰভেটা ৰাজহ চক্ৰলৈ স্থানান্তৰ কৰাৰ প্ৰচেষ্টাৰ বিৰুদ্ধে মঙ্গলবাৰে ভূৰবন্ধাত তীব্ৰ প্ৰতিবাদ সাৰ্বত্ৰ হয়। প্ৰায় অৰ্ধ সহস্ৰাধিক পুৰুষ-মহিলাই ভূৰবন্ধা উয়ন্না খণ্ড কাৰ্যালয়ৰ সম্মুখত সমবেত হৈ চৰকাৰৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰে। প্ৰতিবাদকাৰীসকলে ৰাজপথ অৱৰোধ কৰি টায়াৰ জ্বলাই ক্ষোভ প্ৰকাশ কৰে। ফলত কিছু সময়ৰ বাবে যান-বাহনৰ চলাচল সম্পূৰ্ণ ৰূপে স্থগিত হৈ পৰে আৰু অঞ্চলটোত উত্তেজনা পূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। আৱশ্যকীয় আৰু প্ৰশাসনৰ লোক ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা চলায়। প্ৰতিবাদকাৰীসকলৰ অভিযোগ মতে, স্থানীয় ৰাইজৰ মতামত গ্ৰহণ নকৰাকৈ গোপনে এই সিদ্ধান্ত গ্ৰহণৰ চেষ্টা চলোৱা হৈছে, যি সম্পূৰ্ণভাবে গণতান্ত্ৰিক নীতিৰ পৰিপন্থী। তেওঁলোকে স্পষ্টভাবে জানিবলৈ দিয়ে যে, ভূৰবন্ধা অঞ্চলৰ গাঁওসমূহক মৰিগাঁও ৰাজহ চক্ৰতে ৰখাটো তেওঁলোকৰ প্ৰধান দাবী। প্ৰতিবাদস্থলীত ভাষণ প্ৰদান কৰি কেইবাজনো স্থানীয় ব্যক্তি আৰু সমাজকৰ্মীয়ে কয় যে, ৰাজহ চক্ৰ সলনি কৰিলে সাধাৰণ ৰাইজৰ প্ৰশাসনিক সুবিধা লাভ তত অসুবিধাৰ সৃষ্টি হ'ব। তেওঁলোকে লগতে অভিযোগ কৰে যে, দুৰত্ব আৰু যাতায়তৰ অসুবিধাৰ বাবে সাধাৰণ লোকসকলে চৰকাৰী সেৱা লাভ কৰাত বহু সমস্যাৰ সম্মুখীন হ'ব লাগিব। প্ৰতিবাদকাৰীসকলে চৰকাৰক এই সিদ্ধান্ত তৎকাল বাতিল কৰিবলৈ দাবী জনোৱাৰ লগতে জনমত উপেক্ষা কৰি যিকোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰিবলৈ সতৰ্ক বাণী দিয়ে। লগতে তেওঁলোকে জানিবলৈ দিয়ে যে, দাবীসমূহ পূৰণ নোহোৱালৈকে তেওঁলোকৰ গণতান্ত্ৰিক আন্দোলন অব্যাহত থাকিব। ইফালে, ঘটনাটো সন্দৰ্ভত প্ৰশাসনৰ পৰা এতিয়ালৈকে কোনো স্পষ্ট মন্তব্য লাভ হোৱা নাই যদিও পৰিস্থিতি নিৰিড়ভাবে পৰ্যবেক্ষণ কৰি থকা বুলি জানিব পৰা গৈছে।

"জীয়াই থকালৈকে মানুহৰ সেৱা কৰি যাম"

নাজিৰাৰ বানাক্ৰান্তৰ কাষত ৰঙানদীৰ বিধায়ক ঋষিৰাজ হাজৰিকা

অসম বাৰ্তা, গেলেকী, ২৮ জুলাই ঃ "এই পৃথিৱীত জীয়াই থকালৈকে মানুহক সহায় কৰি যাম"—নাজিৰাৰ ভয়াবহ বানত প্লাবিত ৰাইজৰ কাষত উপস্থিত হৈ এই ভাবুক মন্তব্য কৰে ৰঙানদী সমষ্টিৰ বিধায়ক ঋষিৰাজ হাজৰিকাই। সহাৰী বানত বিধ্বস্ত হৈ পৰা নাজিৰাৰ বানপীড়িত ৰাইজক সকাহ দিয়াৰ উদ্দেশ্যে বিধায়কগৰাকীয়ে নিজে উপস্থিত হৈ এক বিশেষ বান সাহায্য কাৰ্যসূচী ৰূপায়ণ কৰে। আজি নাজিৰাৰ অন্যতম বানপ্ৰভাবিত অঞ্চল বামুণ পুখুৰী বাগানত ৰঙানদী সমষ্টিৰ বিধায়ক ঋষিৰাজ হাজৰিকা আৰু নাজিৰা সমষ্টিৰ বিধায়ক ময়ূখ ৰবগোহাঁই ইয়ে যৌথভাৱে উপস্থিত হয়। দুয়োগৰাকী জনপ্ৰতি নিধিয়ে বানত আতুৰ হৈপৰা লোকসকলৰ ঘৰে ঘৰে গৈ পৰিস্থিতিৰ প্ৰত্যক্ষ বুজ লয়। কেবল পৰিস্থিতিৰ বুজ লোৱাতে আৰদ্ধ নাথাকি, বানাক্ৰান্ত ৰাইজৰ মাজত থিতাতে প্ৰয়োজনীয় স্বাস্থ্য সেৱা সুনিশ্চিত কৰাৰ লগতে খাদ্য সামগ্ৰী, বস্ত্ৰ আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰা হয়। প্ৰায় দহ হাজাৰ লোকৰ ব্যৱহাৰোপযোগী এইসমূহ জৰুৰী সামগ্ৰীয়ে এই সংকটকালত বানপীড়িত ৰাইজক এক ডাঙৰ সকাহ দিয়াৰ লগতে জীয়াই থকাৰ নতুন প্ৰেৰণা যোগায় বুলি আশাপ্ৰকাশ কৰা হৈছে। দুয়োগকীয়ে বিধায়কৰ এনে পদক্ষেপে দুৰ্দশাগ্ৰস্ত ৰাইজৰ মনত বিশেষ আশ্বাস সঞ্চাৰ কৰিছে।

গোসাঁইগাঁৱৰ হাওৰীয়াপেট বজাৰত এবিএমছুৰ প্ৰতিবাদী বিক্ষোভ

অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২৮ জুলাই ঃ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত হাওৰীয়াপেট বজাৰত আজি সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সংস্থাৰ (ABMSU)ৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে গোসাঁইগাঁও জিলা সমিতিৰ উদ্যোগত, সাপকাটা আঞ্চলিক সমিতি আৰু বিভিন্ন আঞ্চলিক সমিতিৰ সহযোগত এক প্ৰতিবাদী বিক্ষোভ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰয়াত এবিএমছুৰ প্ৰাক্তন সভাপতি লতিফুল ইছলাম আহমেদৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি আয়োজিত এই কাৰ্যসূচীত সংগঠনটোৰ শতাধিক কৰ্মী-সমৰ্থকে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে "বিজেপি চৰকাৰ হায় হায়", "অসম পুলিচ হায় হায়", "বিজেপি চৰকাৰ মিছলীয়া", "লতিফুল ইছলাম জিন্দাবাদ" আদি শ্লোগান

দিঘটনাটোৰ নিৰপেক্ষ তদন্ত আৰু জড়িত দোষীসকলক অতি শীঘ্ৰে আইনৰ আওতালৈ অনাৰ দাবী উত্থাপন কৰে। এই সন্দৰ্ভত এবিএমছু গোসাঁইগাঁও জিলা সমিতিৰ সভাপতি নুৰ মহাম্মদ আনছাৰীয়ে কয় যে, প্ৰয়াত লতিফুল ইছলাম আহমেদৰ মৃত্যুৰ ঘটনাৰ সঠিক, স্বচ্ছ আৰু নিৰপেক্ষ তদন্ত নিশ্চিত কৰাৰ লগতে জড়িত দোষীসকলৰ বিৰুদ্ধে কঠোৰ আইনগতব্যৱস্থা গ্ৰহণ কৰিব লাগিব। লগতে বৰ্তমানলৈকে মুকলিভাৱে ঘুৰি ফুৰা মূল অভিযুক্তসকলক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ বাবে তেওঁ অসম চৰকাৰ আৰু আৰক্ষী প্ৰশাসনৰ ওচৰত জোৱাদাৰ দাবী জনায়। তেওঁ লগতে স্পষ্টকৈ কয় যে, লাফিকুল ইছলাম আহমেদৰ মৃত্যুৰ ঘটনাত ন্যায় নিশ্চিত নোহোৱালৈকে এবিএমছুৰে গণতান্ত্ৰিক পদ্ধতিৰে নিজৰ আন্দোলন অব্যাহত ৰাখিব বুলি কয়।

উজনিৰ বিভীষিকাময় জলপ্ৰলয়ত নতুন সাহিত্য পৰিষদৰ গভীৰ শোক প্ৰকাশ

অসম বাৰ্তা, মন্দিয়া, ২৮ জুলাই ঃ যোৰা সপ্তাহত উজনি অসমৰ শিবসাগৰ, নাজিৰা, চৰাইদেউকৈ ধৰি বিস্তীৰ্ণ অঞ্চলত জলপ্ৰলয়ে নমাই বিভীষিকাময় যিসকলে অকালতে প্ৰাণ হেৰুৱালে সেই সকলোৰে প্ৰতি নতুন সাহিত্য পৰিষদে গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোকসন্তপ্ত সকলৰ প্ৰতি আন্তৰিক সমমৰ্মিতা জনাই ছে। যিসকল এতিয়াও সন্ধানহীন হৈ আছে, সেই সকলৰ সন্ধান উলিয়াবলৈ প্ৰশাসনৰ লগতে স্বেচ্ছাসেবী সংগঠনসমূহৰ সৈতে সক্ৰিয়ভাবে সহযোগ কৰি সন্ধানহীনসকলৰ পৰিয়ালক আশ্বস্ত কৰিবলৈ আহ্বান জনাইছে। পৰিষদে সমগ্ৰ ৰাজ্যখনৰ জনসাধাৰণে বন্যাৰ্ত সকলৰকৈ উদাৰ হস্তে সহায়ৰ হাত আগবঢ়াই আন্তৰিক সমমৰ্মিতাৰে যি পৰিচয় দিছে একে সময়তে চৰকাৰ আৰু প্ৰশাসনে দুৰ্যোগৰ সময়োচিত মোকাবিলাত নিজৰ ব্যৰ্থতাৰ পৰিচয় দিছে। তিনিখন জিলাৰ বৃহত্তৰ অঞ্চলৰ জনসাধাৰণে পূৰ্বে কোনোকালে মুখামুখি নোহোৱা এনে বিপৰ্যয়ৰ ক্ষয়ক্ষতিৰ জোৱামাৰি স্বাভাৱিক অৱস্থালৈ ঘুৰি আহিবলৈ কেইবাদশকো লাগিব। যাৰ দায়িত্ব চৰকাৰে অনিবাৰ্য ভাবে লবই লাগিব। নতুন সাহিত্য পৰিষদে এই বিপৰ্যয়ক স্বাভাৱিক প্ৰাকৃতিক পৰিঘটনা বুলি নাভাবে। চৰিশাবীয়া বাষ্টুীয় ঘাইপথ নিৰ্মাণৰ বাবে চুৰবীয়া নগাঁলেঙৰ জিলাৰ জধেমধে পাহাৰ খান্দি, অবৈধ কয়লা, শিল ব্যাপক খনন আৰু বিজুলী উৎপাদনৰ বাবে নিৰ্মাণ কৰা নদীবান্ধ বন্ধা কৰিবলৈ কোনো জাননী নদিয়াকৈ পানী এৰি দিয়া অবিবেচিত কাণ্ডই এই জলপ্ৰলয়ৰ কাৰণ বুলি বিভিন্ন মহলে মত পোষণ কৰিছে। চৰকাৰে বিভিন্ন বিভাগৰ জৰিয়তে বন্যাৰ্তসকলক ক্ষতিপূৰণ দিয়াৰ লগতে নদীবান্ধৰ জৰিয়তে বিজুলী উৎপাদনৰ পৰা মুনাফা অৰ্জনকৰা কোম্পানী বোৰেও নিজৰ দায়িত্ব লৈ ৰাজীব বুলি মন্তব্য কৰে। সাহিত্য সংগঠনটোৰ শিবসাগৰ জিলা সমিতিৰ জৰিয়তে এই সমগ্ৰ বিষয়ে খলতে ভুলোৱাৰ বাবে উদ্যোগ লৈ যোৱা ২৬ জুলাইৰ দিনা থশিৰসাগৰ শিবসাগৰ চৰৱত নতুন সাহিত্য পৰিষদৰ ৰাজিক সমিতিৰ বৈঠকৰ লগতে সাহিত্য সংগঠটোৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে বিগত পাচ দশকৰ অসমীয়া প্ৰগতিবাদে কবিতাৰ এক বিশেষ আলোচনাচক্ৰ অনুষ্ঠিত কৰাৰ কথা আছিল যদিও ভয়াবহ বান পৰিস্থিতিৰ বাবে সেই কাৰ্যসূচী স্থগিত ৰাখে। পৰিষদে বাজাৰ সকলো শাখা আঞ্চলিক আৰু জিলা সমিতিক ন্যৰ্যাত সলৰ সাহায্যৰ বাবে নিজাবীয়াকৈ দান কৰাঙনি আগবঢ়োৱাৰ উপৰি সমমৰ্মীতাসকলৰ পৰাও দান সংগ্ৰহ কৰা এই বেংক একাউণ্টত জমা দিবলৈ বিনম্ৰ আহ্বান জনাইছে। সংগ্ৰহ কৰা সমুদায় ধন আৰু সামগ্ৰী। নতুন সাহিত্য পৰিষদৰ ৰাজিক সমিতিয়ে শিবসাগৰ জিলা সমিতিৰ জৰিয়তে ক্ষতিগ্ৰস্ত সকলৰ হাতত সাহায্য তুলি দিবলৈ নতুন সাহিত্য পৰিষদৰ ৰাজিক সভাপতি সমীন্দ্ৰ হজৰি আৰু সম্পাদক ছইবাৰ আহমেদে এক বিবৃতি যোগে জানিবলৈ দিয়ে।

ৰৰপেটাত বিশ্ব হেপাটাইটিছ দিৱস পালন

অসম বাৰ্তা, ৰৰপেটাসৰ, ২৮ জুলাই ঃ ভাই�লেল হেপাটাইটিছ সম্পৰ্কে জনসচেতনতা বৃদ্ধি আৰু সময়মতে ৰোগ চিনাক্তকৰণৰ লক্ষ্যৰে আজি ৰৰপেটা চহৰৰ হিলিং চাইলেন্স ফাউণ্ডেচন বিহৰে চেন্টাৰত জিলা পৰ্যায়ত বিশ্ব হেপাটাইটিছ দিৱস পালন কৰা হয়। এই উপলক্ষে বিহৰ চেন্টাৰৰ আবাসিক আৰু কৰ্মচাৰীসকলৰ মাজত হেপাটাইটিছ বি আৰু হেপাটাইটিছ চি ক্লীনিং শিবিৰ অনুষ্ঠিত কৰা হয়। শিবিৰত আগতীয়াকৈ পৰীক্ষা, সমস্যাৰে ৰোগ নিৰ্ণয় আৰু উপযুক্ত চিকিৎসাৰ জৰিয়তে ভাই�লেল হেপাটাইটিছ প্ৰতিৰোধৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত বাষ্টীয় ভাইলেল হেপাটাইটিছ নিয়ন্ত্ৰণ কাৰ্যসূচী (NVHCP), ৰৰপেটাৰ জিলা ন'ডেল বিষয়া ডাঃ ভাস্কৰাচাৰ্য্য বেজ উপস্থিত থাকি নিয়মীয়া স্ক্ৰীনিং, জনসচেতনতা বৃদ্ধি আৰু সময়মতে চিকিৎসা গ্ৰহণৰ গুৰুত্ব সম্পৰ্কে বক্তব্য৷ আগবঢ়ায়। অনুষ্ঠানত জিলা মহামাৰী বিশেষজ্ঞ (ID SP), ৰৰপেটা, জিলা মিডিয়া বিশেষজ্ঞ, NHM, ৰৰপেটা আৰু জিলা ডাটা মেনেজাৰ (ID SP), ৰৰপেটাও উপস্থিত থাকে আৰু অংশগ্ৰহণকাৰীসকলক ভাইলেল হেপাটাইটিছ প্ৰতিৰোধৰ বাবে সজাগ হ'বলৈ আহ্বান জনায়। ইয়াৰ উপৰিও, ৰৰপেটা জিলাৰ বিভিন্ন আয়ুষ্মান আৰোগ্য মন্দিৰ (AAM) তো বিশ্ব হেপাটাইটিছ দিৱস পালন কৰা হয়। এই উপলক্ষে আৰম্ভ কৰা সজাগতা অভিযান ৩ আগষ্ট, ২০২৬লৈকে অব্যাহত থাকিব। এই সময়ছোৱাত জিলাখনৰ সকলো আয়ুষ্মান আৰোগ্য মন্দিৰত ভাইলেল হেপাটাইটিছৰ প্ৰতিবোধ, আগতীয়াকৈ ৰোগ চিনাক্তকৰণ, পৰীক্ষা আৰু চিকিৎসা সম্পৰ্কীয় সজাগতা সভা আৰু IEC কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। অনুষ্ঠানৰ অন্তত ভাইলেল হেপাটাইটিছমুক্ত সমাজ গঢ়াব লক্ষ্যৰে সকলোলে জনসচেতনতা বৃদ্ধি, আগতীয়াকৈ পৰীক্ষা আৰু চিকিৎসা নিশ্চিত কৰাৰ সংকল্প গ্ৰহণ কৰে।

বকোত এম জি প্ৰডাকচনৰ পাঁচদিনীয়া ৰূপসজ্জা (Makeup) কৰ্মশালাৰ সফল সামৰণি

অসম বাৰ্তা, বকো, ২৮ জুলাই ঃ কামৰূপ জিলাৰ বকোত এম জি প্ৰডাকচনৰ উদ্যোগত আয়োজিত পাঁচদিনীয়া বৰ্ণাঢ্য ৰূপসজ্জা (Makeup) কৰ্মশালাৰ আজি সফলতাৰে সামৰণি পৰে। পি এম শ্ৰী বকো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই কৰ্মশালাৰ সামৰণি উপলক্ষে প্ৰতিযোগীসকলৰ মাজত এখন সুষ্টিশীল ৰূপসজ্জা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এম জি প্ৰডাকচনৰ সঞ্চালক-প্ৰধান মনি গোস্বামীয়ে জনায় যে কৰ্মশালাখনৰ মূল উদ্দেশ্য আছিল নতুন প্ৰজন্মক ৰূপসজ্জা কলাৰ ব্যাৱহাৰিক আৰু তাত্ত্বিক জ্ঞান প্ৰদান কৰা। সামৰণি অনুষ্ঠানত অনুষ্ঠিত প্ৰতিযোগিতাত গায়ত্ৰী বাভাই প্ৰথম স্থান, দলী ঠাকুৰীয়ই দ্বিতীয় স্থান, পাম্পী ঠাকুৰীয়ই তৃতীয় স্থান আৰু ঋদ্ধমণি দত্তঋদ্ধই চতুৰ্থ স্থান লাভ কৰে। ইয়াৰ উপৰিও, কৰ্মশালাত অংশগ্ৰহণ কৰা সকলো শিক্ষাৰ্থীক অংশগ্ৰহণৰ প্ৰমাণপত্ৰ (Certificate) প্ৰদান কৰা হয়। অনুষ্ঠানত উপস্থিত অতিথি, প্ৰশিক্ষক আৰু আয়োজকসকলে বিজয়ীসকলক অভিনন্দন জনোৱাৰ লগতে সকলো অংশগ্ৰহণকাৰীৰ উজ্জ্বল ভবিষ্যতৰ কামনা কৰে। আয়োজকসকলে আশা প্ৰকাশ কৰে যে এনে কৰ্মশালাই আগন্তুক দিনত বহু উদীয়মান ৰূপসজ্জা শিল্পীক অনুপ্ৰাণিত কৰিব তুলিব।

মঙলদৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

অসম বাৰ্তা, মঙলদৈ, ২৮ জুলাই ঃ ব্ৰহ্ম পুত্ৰৰ উত্তৰ পাৰৰ এখন উল্লেখযোগ্য উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান হৈছে মঙলদৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)। ১৯৫১ চনত মঙলদৈৰ তদানীন্তন মহকুমাধিপতি অমিয় ভূষণ ভট্টাচাৰ্য্যৰ আগ্ৰহ আৰু অবিভক্ত দৰং জিলাৰ মঙলদৈ মহকুমাৰ বহু দুৰদৰ্শী নাগৰিকৰ উদ্যোগত মঙলদৈ চহৰত উচ্চ শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে স্থাপন কৰা হৈছিল মঙলদৈ মহাবিদ্যালয়। এই মহাবিদ্যালয়খনে ১৯৭৬ চনত ৰজত জয়ন্তী, ২০০১ চনত সুবৰ্ণ জয়ন্তী আৰু ২০১১ চনত হীৰক জয়ন্তী অনুষ্ঠিত কৰাৰ পিছত বৰ্তমান সগৌৰবে মহাৰজত জয়ন্তী উদ্‌যাপন কৰিবলৈ আগবাঢ়িছে। এই মহাৰজত জয়ন্তীৰ ২০২৭ বৰ্ষৰ আৰম্ভণিতে সামৰণী অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানত আন আন কাৰ্যসূচিৰ লগতে মঙলদৈ মহাবিদ্যালয় আৰু দৰঙী সমাজ জীৱন পৰিষ্ফলিত কৰাৰ লক্ষ্যবে এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইতিমধ্যে মঙলদৈ মহাবিদ্যালয় মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিয়ে উপ-সমিতি সমূহৰ দ্বাৰা কাৰ্যসূচী কপায়ণ কাৰে প্ৰস্তুতি আ�ৰম্ভ কৰিছে। আন আন উপ-সমিতি লগতে অসমীয়া লোক-সংস্কৃতিৰ গৱেষক, মঙলদৈ মহাবিদ্যালয়ৰ আৱসনী অধ্যাপক ড' বিজয় কুমাৰ শৰ্মাক সভাপতি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড' কনক চন্দ্ৰ চহৰীয়া, বিশিষ্ট সাহিত্যিক ড' মঞ্জু দেবী গেণ্ড, আৰু বিশিষ্ট সাংস্কৃতিক কৰ্মী তৰুণ আজাদ ডেকাক উপ-সভাপতি, মহাবিদ্যালয় খনৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ আৱসনী অধ্যাপক পৰেশ কুমাৰ শৰ্মা আৰু অসমীয়া বিভাগৰ আৱসনী অধ্যাপক ডিম্বেশ্বৰ বৰুৱাক মুখ্য সম্পাদকৰূপে, ড' ৰামচন্দ্ৰ ডেকা, ভাগৰি কুমাৰ দাস, মুকুট ৰাজ শৰ্মা, ৰানা আলম, কুশল কলিতাক সম্পাদক আৰু সাধিৰীমা বড়া, ড' সৰজুপ্ৰিয়া দেবী, ড' পবিত্ৰ কুমাৰ নাথ, ৰবদা শইকীয়া, চন্দ্ৰপ্ৰসাদ শইকীয়া, ড' মঞ্জু কলিতা, বসন্ত শইকীয়া, প্ৰবীন বৰুৱা, চিৰঞ্জীৱ ডেকা, সয়াম ডেকা, কমলাকান্ত ডেকা, দেৱাশিষ ৰাজকুমাৰ, আব্দুল মালিক, সঞ্জনা ডেকা, মনোজ কুমাৰ ডেকা, মলয় বৰুৱা, দীপক শৰ্মা, নবজ্যোতি চহৰীয়া, মৃগাংক কলিতাক সদস্য হিচাপে লৈ এখন শক্তিশালী স্মৃতি গ্ৰন্থ সম্পাদনা সমিতি গঠন কৰিছে। জিলাখনৰ লগতে মহাবিদ্যালয়খনৰ ইতিহাস সম্বলিত এখন এখন সৰ্বাঙ্গ সুন্দৰ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবৰ বাবে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিয়ে কাম আৰম্ভ কৰিছে। স্মৃতিগ্ৰন্থখনি সজোৱাৰ বাবে চলিত বৰ্ষৰ ১৫ ছেপ্টেম্বৰৰ ভিতৰত পোৱা কে মহাবিদ্যালয়ৰ অধ্যয়নৰত আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন আৰু বৰ্তমান শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন আৰু বৰ্তমান কৰ্মচাৰী আৰু শুভাকাঙ্ক্ষীৰ পৰা লেখা বিচৰা হৈছে। লেখাসমূহ মহাবিদ্যালয় প্ৰতিষ্ঠাকালৰ পৰা বৰ্তমানলৈ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিকোন্নয়ন আদি দিশত হোৱাটো বাঞ্ছনীয়। লেখা সমূহ প্ৰকাশৰ বাবে বিবেচিত নহ'লে ঘুৰাই পঠিওৱা নহয়। লিখক সকলে সম্পাদকমণ্ডলী, স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি, মহাৰজত জয়ন্তী উদ্‌যাপন, মঙলদৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত), ডাকঘৰ-মঙলদৈ, জিলা দৰং (অসম), পিন-৭৮৪১২৫ এই ঠিকনাত ডাক যোগে লেখা পঠিয়াব পাৰিব বা E-Mail: souvenir committee.mc@gmail.com তথা হোৱাটছ্‌এপ নম্বৰ ৯৪৩৫০০৬৪৮৩, ৯৪৩৫১৮৬৩০৬, ৯৪৩৫০৮৮৪৫১, ৯৭০৭৯১৬০৮২ত পঠিয়াব পাৰিব বুলি সম্পাদনা সমিতিয়ে জনাইছে।

বিটিচিৰ ইএমৰ নামত লাখ লাখ টকা লুণ্ঠন; গোৰৰ্দ্ধনা আৰক্ষীৰ জালত ভুৱা পিএ মতিউৰ ৰহমান

অসম বাৰ্তা, শালবাৰী, ২৮ জুলাই ঃ ৰাত্ৰাত পোহৰলৈ আহিছে এক চাঞ্চল্যকৰ প্ৰৰঞ্চনাৰ ঘটনা। বিটিচিৰ কাৰ্যবাহী সদস্যা বেগম আখতাৰা আহমেদৰ ব্যক্তিগত সহায়ক (PA) বুলি ভুৱা পৰিচয় দি দীৰ্ঘদিন ধৰি লুণ্ঠন চলাই আছা এজন মহা প্ৰৰঞ্চকক অৱশেষত বন্দী হৈছে আৰক্ষীৰ জালত। গ্ৰেপ্তাৰ হোৱা প্ৰৰঞ্চকজনক ৰৰপেটা ৰোডৰ বিলাসীপাৰা নিবাসী মতিউৰ ৰহমান বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, অভিযুক্ত মতিউৰ ৰহমানে বিটিচিৰ প্ৰভাৱশালী কাৰ্যবাহী সদস্যা বেগম আখতাৰা আহমেদৰ ভুৱা পিএ হিচাপে নিজৰ পৰিচয় দি অঞ্চলটোত একপ্ৰকাৰ সন্ত্ৰাস সৃষ্টি কৰিছিল। চৰকাৰী চাকৰি দিয়াৰ প্ৰলোভন আৰু বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা প্ৰদানৰ আশ্বাস দি মতিউৰে বহু সহজ-সৰল লোকৰ পৰা মোটা অংকৰ ধন হস্তগত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ইফালে, ঘটনা সন্দৰ্ভত এক গোপন সূত্ৰৰ পম খেদি গোৰৰ্দ্ধনা আৰক্ষীয়ে চলোৱা এক সফল অভিযানত ৰৰপেটা ৰোডৰ বিলাসীপাৰাৰ পৰা প্ৰৰঞ্চক মতিউৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গোৰৰ্দ্ধনা আৰক্ষী থানাত অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা (BNS)ৰ ৩১৮(৪), ৩১৬(২) আৰু ৩১৯(১) ধাৰাৰ অধীনত ৬৩/২৬ নম্বৰৰ এক গোচৰ ৰুজু কৰা হৈছে। বৰ্তমান গোৰৰ্দ্ধনা আৰক্ষীয়ে গৃহ ভুৱা পিএ মতিউৰ ৰহমানক সোধ-পোচ অব্যাহত ৰাখিছে। আৰক্ষীৰ প্ৰাৰম্ভিক ধাৰণা অনুসৰি, এই বিশাল প্ৰৰঞ্চনা চক্ৰটোৰ সৈতে আন কোনো ব্যক্তি বা দালাল জড়িত থকাৰ পূৰ্ণ সম্ভাবনা আছে আৰু তদন্ত অন্তত আৰও তথ্য পোহৰলৈ আহাৰ সম্ভাবনা ব্যক্ত কৰিছে।

সংগীত গ্ৰুপ অৱ ক্ৰিয়েচনৰ উদ্যোগত সংস্কৃতিৰ পূজাৰী পংকজ পল্লৱ শৰ্মাৰ ২৬তম্ বাৰ্ষিক অভিনয় কৰ্মশালাৰ সামৰণি

মাছ নোপোৱালৈ পানী সিঁচি থকা মানুহ পঙ্কজ পল্লৱ শৰ্মা-ভৰেশ ডেকা

অসম বাৰ্তা, ৰঙিয়া, ২৮ জুলাই ঃ সংস্কৃতিৰ পূজাৰী পঙ্কজ পল্লৱ শৰ্মাই একক প্ৰচেষ্টাত আৰম্ভ কৰা অভিনয় কৰ্মশালাৰ চলিয় বৰ্ষৰ ২৬তম বাৰ্ষিক কৰ্মশালাৰ আজি সফল সামৰণি পৰে। কবি উজ্জ্বল ডেকাই বস্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। সাহিত্য কৰ্মী সুশীল চন্দ্ৰ ডেকাই প্ৰাণৰ শিল্পী জুগাৰ্ডৰ প্ৰতিচ্ছবি বস্তি প্ৰজ্বলন কৰে। ডলি শৰ্মাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। পঙ্কজ পল্লৱ শৰ্মাই আদৰণি ভাষণ দিয়ে। অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে বিশেষ ভংগীমাৰে নিজৰ চিনাকি দিয়ে। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলৰ ভিচালি কাশ্যপ আৰু ডলি শৰ্মা, চফিকুল আলিয়ে আবৃত্তি, হিয়াৰাণী কুম